www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জ্যোতি বিশেষ
আজিৰ কাকতৰ বিশেষ ৫ পৃষ্ঠাত

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১২৭ | মঙ্গলবাৰ | ১৭ জুন, ২০২৫ চন | ২ আহাৰ, ১৯৪৭ শক | VOL - 6 | NO.- 127 | Tuesday | 17th June, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

দ্য গ্ৰেণ্ড ক্ৰছ অৱ দ্য অৰ্ডাৰ অৱ মাকাৰিয়াছ তৃতীয় সন্মান

## প্ৰধানমন্ত্ৰী মোদীক চাইপ্ৰাছৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান



ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জুন ঃ ভূমধ্যসাগৰীয় দেশ চাইপ্ৰাছলৈ আনুষ্ঠানিক ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক চাইপ্ৰাছৰ সৰ্বোচ্চ অসামৰিক সন্মান 'দ্য গ্ৰেণ্ড ক্ৰছ অৱ দ্য অৰ্ডাৰ অৱ মাকাৰিয়াছ তৃতীয় সন্মান' প্ৰদান কৰা হয়। স্বীকৃতিৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু চাইপ্ৰাছৰ মাজত গভীৰভাৱে শিপাই থকা বন্ধুত্বৰ বাবে এই বঁটা উৎসৰ্গা কৰিছে। এই সন্মান কেৱল মোৰ নৰেন্দ্ৰ মোদীৰ স্বীকৃতি নহয়। এই সন্মান ১.৪ বিলিয়ন ভাৰতীয়ৰ বাবে ই এক সন্মান। » ৬ পৃষ্ঠাত

## আহমেদাবাদৰ বিমান দুৰ্ঘটনাগ্ৰস্তৰ ৩৩ টা মৃতদেহ পৰিয়ালক হস্তান্তৰ

### DNA পৰীক্ষাৰ জৰিয়তে মৃতদেহ চিনাক্ত ৮০ জনৰ

অনলাইন ডেস্ক, অসম বাৰ্তা, ১৬ জুন ঃ আহমেদাবাদ বিমান দুৰ্ঘটনাৰ পিছত কেৱল এজন যাত্ৰীৰ বাহিৰে বিমানখনত থকা প্ৰতিগৰাকী যাত্ৰীৰেই মৃত্যু হ'ল। তথাপি সকলোৰে আত্মীয়-পৰিয়ালৰ মনত যেন কিবা এটা চমৎকাৰ হোৱাৰ অপেক্ষা। যদি কিবা কাৰণত তেওঁলোকৰ প্ৰিয় মানুহজন বাচি গৈছে বা জীয়াই আছে। DNA পৰীক্ষাত যাত্ৰীসকল মৃত্যু হোৱা » ৬ পৃষ্ঠাত



## ঘোষণা হ'ল মেট্ৰিকৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল

অসম বাৰ্তা, গুৱাহাটী, ১৬ জুন ঃ সোমবাৰে দিনৰ ১১ বজাত ঘোষণা কৰা হৈছে মেট্ৰিকৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল। এই ফলাফল ঘোষণা কৰে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে। ফলাফল প্ৰকাশ পোৱা অনুসৰি, অসম ৰাজ্যিক বিদ্যালয় » ৬ পৃষ্ঠাত

## হিমন্ত বিশ্ব শৰ্মা কেৱল ফ্লাইঅভাৰৰ চিএম! কংগ্ৰেছৰ অভিযোগ

অসম বাৰ্তা, ডিব্ৰুগড়, ১৭ জুন ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগ সঠিকভাৱে পৰিচালনা কৰাত ব্যৰ্থ হৈছে বুলি অভিযোগ কৰিলে অসম প্ৰদেশ কংগ্ৰেছ কমিটি (এপিচিচি)ৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। আজি এক সংবাদমেলত তেওঁ » ৬ পৃষ্ঠাত

লোকপিয়ল ২০২৭; দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব জনসংখ্যা লোকপিয়ল

# দেশৰ ১৬ সংখ্যক লোকপিয়লৰ অধিসূচনা জাৰি

■ ২০১১ চনত অন্তিমবাৰৰ বাবে দেশত অনুষ্ঠিত হৈছিল লোকপিয়ল ■ ৩৪ লাখ গণনাকাৰী, তত্ত্বাৱধায়ক সাজু




নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ এপ্ৰিল ঃ সোমবাৰে ২০২৭ চনৰ লোকপিয়লৰ বাবে এক অধিসূচনা জাৰি কৰিছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ঘোষণা কৰে যে, ২০১১ চনৰ পিছত ভাৰতৰ প্ৰথম জনসংখ্যা গণনা ক্ৰমে ২০২৬ চনৰ ১ অক্টোবৰ আৰু ২০২৭ চনৰ ১ মাৰ্চত দুটা পৰ্যায়ত কৰা হ'ব। প্ৰথম পৰ্যায়ত, যাক হাউছলিষ্টিং অপাৰেচন (HLO) বুলিও কোৱা হয়। য'ত সম্পত্তি, পৰিয়ালৰ আয়, গৃহৰ অৱস্থা আৰু সুবিধাসমূহৰ সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰা হ'ব। » ৬ পৃষ্ঠাত

## ৰাজ্যিক মৰ্যাদাৰে বিজয় ৰূপানীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জুন ঃ ১২ জুনত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত নিহত গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীক সোমবাৰে ৰাজকোটত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। ৰাজকোটৰ ৰামনাথপাৰা শ্মশানত শেষকৃত্য সম্পন্ন কৰাৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বহু » ৬ পৃষ্ঠাত



সাময়িকী ৩

## ৰূপান্তৰৰ অভিযাত্ৰীঃ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ

ড° আৰ কে বেজবৰুৱা

"ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।" -ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ উক্তি এয়া। ৰূপান্তৰ অকল পৃথিৱীৰ নহয়। ৰূপান্তৰ - মনৰ। ৰূপান্তৰ - ধ্যানৰ আৰু জ্ঞানৰ! ৰূপান্তৰে সকলোকে সামৰি লয়। সাহিত্য, সংস্কৃতি আৰু মানুহৰ সামূহিক সৃষ্টিশীলতা » ৬ পৃষ্ঠাত

## ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাক পাঁচ ঘণ্টা ধৰি জেৰা চি.এম.ভিজিলেন্সৰ



অসম বাৰ্তা, গুৱাহাটী, ১৬ জুন ঃ ৰাজ্যৰ সাংসদ পুঁজিৰ ধনৰ অনিয়মৰ অভিযোগত ৰুজু হোৱা এক গোচৰৰ সন্দৰ্ভত সোমবাৰে চি.এম.ভিজিলেন্সৰ কাৰ্যালয়ত উপস্থিত হয় ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞা। এই গোচৰত সোধা-পোছাৰ বাবে সাংসদ অজিত ভূঞাক কাৰ্যালয়ত হাজিৰ হ'বলৈ কৈছিল চি.এম. » ৬ পৃষ্ঠাত

### সাংসদ পুঁজি ধনৰ অনিয়মৰ গোচৰ

সামাজিক মাধ্যমযোগে অগপৰ পাৰিষদৰ পদত্যাগ

## হাচিলাবিলত প্ৰশাসনৰ বুলড'জাৰ, ১৬০০ বিঘা ভূমিৰ ৭০০ পৰিয়ালক উচ্ছেদ

অসমবাৰ্তা,গুৱালপাৰা, দুধনৈ, ১৬ জুন ঃ ৰাজ্যত বৰ্তমানেও অব্যাহত আছে চৰকাৰী ভূমিত উচ্ছেদ অভিযান। সোমবাৰে পুনৰ গোৱালপাৰা জিলাৰ হাচিলা বিল গাঁৱৰ চৰকাৰী ভূমি উচ্ছেদ অভিযানত নামি পৰিল জিলা প্ৰশাসন। হাচিলা বিলৰ শ-শ বিঘা চৰকাৰী মাটি দখল কৰি থকা পৰিয়ালক বেদখল মুক্ত কৰিব বুলি উচ্ছেদৰ দুদিনৰ পূৰ্বে জাননী জাৰি কৰিছিল প্ৰশাসনে,আনকি বেনাৰ আৰু মাইক্ৰফোনৰ » ৬ পৃষ্ঠাত



## গৌৰৱ গগৈৰ যুঁজ হ'ব ভূপেন বৰা আৰুপ্ৰদ্যুৎ বৰদলৈৰ লগত ঃ দিপ্লুৰঞ্জন

### জিলা বিজেপিৰ কাৰ্যালয়ত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ সংবাদমেল

অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুন ঃ ভাৰতীয় জনতা পাৰ্টিৰ কলিয়াবৰ জিলা সমিতিয়ে আজি পুৰণিগুদামস্থিত কাৰ্যালয়ত বিকশিত ভাৰতৰ অমৃত কাল ১১ বছৰীয়া সুশাসন, সেৱা আৰু গৰীৱ কল্যাণ সন্দৰ্ভত এখন সংবাদমেল অনুষ্ঠিত কৰে। চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, » ৬ পৃষ্ঠাত



২৬ কোটি টকা ব্যয়সাপেক্ষে ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন

## লখিমপুৰত মুখ্যমন্ত্ৰীৰ ১১০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন

ষ্টাফ ৰিপৰ্টাৰ, উত্তৰ লখিমপুৰ, ১৬ জুন ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বেবেজীয়াৰ » ৬ পৃষ্ঠাত



যিমানেই আৰ এছ এছক অপব্যৱহাৰ কৰিব সিমানেই জাতীয়তাবাদী শক্তি আৰু শক্তিশালী হ'ব: দিলীপ শইকীয়া

## গৌৰৱ গগৈয়ে নামাজ পঢ়িব জানে! কিন্তু শুদ্ধকৈ গুৰুজনাৰ কীৰ্তন ঘোষাখনো এবাৰ পঢ়ক

নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুন ঃ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আৰএছএছক যদি সমালোচনা কৰে তেন্তে ৰাষ্ট্ৰীয়তাবাদৰ শক্তি আৰু অধিক শক্তিশালী হ'ব। এই মন্তব্য ৰাজ্যিক » ৬ পৃষ্ঠাত

## ধুবুৰীত সংঘটিত ঘটনাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰিব লাগে ঃ সমীৰণ ফুকন



ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৬ জুন ঃ ধুবুৰীত সংঘটিত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে আছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সমীৰণ ফুকনে। সোমবাৰে » ৬ পৃষ্ঠাত



# নগাঁৱৰ মোলাপট্টি, শেনচোৱা আৰু চিভিলৰ ৰে'লগেটত তীব্ৰ যানজঁট ঃ উৰণ সেঁতু নিৰ্মাণৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ১৫ জুন ঃ** নগাঁও চহৰৰ মোলাপট্টি, চিভিলগেটত আৰু শেনচোৱা ৰে'ল গেটত এতিয়া সৃষ্টি হয় তীব্ৰ যানযঁট। ৰে'ল অহাৰ সময়ত নগাঁৱৰ এই তিনিটাকৈ স্থানত আৱদ্ধ হৈ পৰে শ শ যান-বাহন। ৰে'লৰ গমনা-গমনৰ সময়ত পোন্ধৰ মিনিটৰ পৰা আধাঘণ্টা পৰ্যন্ত এই ৰে'লগেটত কেইটা বন্ধ কৰি দিয়ে ৰে'ল কৰ্তৃপক্ষই । যাৰ পৰিপ্ৰেক্ষিতত এক দীঘলীয়া যানযঁটৰ সৃষ্টি হয় সদাব্যস্ত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ঘাইপথ কেইটাত। পথচাৰীৰ বাবে মুৰৰ কামোণী হৈ পৰা এই ৰে'লগেট তিনিটাৰ প্ৰথমটো ৰে'লগেট হৈছে নগাঁও অসামৰিক চিকিৎসালয়ৰ সমীপৰ 'চিভিল ৰে'লগেট' । ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত স্থাপিত এই ৰে'লগেটটোত নগাঁও চহৰৰ এটা বৃহৎ ব্যস্ততাপূৰ্ণ অংশক সামৰি আছে । যাৰবাবে এই ৰে'লগেটত ভীষণ যানযঁটৰ সৃষ্টি হয়। একেদৰে দ্বিতীয়টো ৰে'লগেট হৈছে 'শেনচোৱা ৰে'লগেট'। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ তথা অতীতৰ আহ্যাম ট্ৰাংক ৰোডত স্থাপিত এই ৰে'লগেটটোও যানযঁটৰ আন এক কাৰণ। ৰে'ল অহা-যোৱাৰ সময়ত এই অঞ্চলটোতো সৃষ্টি হয় অভাৱনীয় যানযঁট। আনহাতে, নগাঁওবাসীৰ যাতায়াতৰ সমস্যাৰ আন এক নাম হৈছে 'মোলাপট্টি ৰে'লগেট' । নগাঁও চহৰৰ প্ৰধান বাণিজ্যিক কেন্দ্ৰ হয়বৰগাঁও অঞ্চলক স্পৰ্শ কৰা এই ৰে'লগেটটো স্থাপিত হৈ আছে গুৱাহাটীৰ নাৰেংগী আৰু কলিয়াবৰৰ নলতলী সংযোগী ৩ নং ৰাজ্যিক ঘাইপথত। এই অঞ্চলটোতো ৰে'ল অহা-যোৱাৰ সময়ত ব্যাপক যানযঁটৰ সৃষ্টি হয়। নগাঁৱৰ মোলাপট্টি আৰু শেনচোৱাৰ ৰে'লগেটত ঐতিহমণ্ডিত হয়বৰগাঁও ৰে'ল ষ্টেচনক সংযোগ কৰাৰ বিপৰীতে চিভিলৰ ৰে'লগেটে সংযোগ কৰিছে নগাঁও (মৰিকলং) ৰে'ল ষ্টেচনক। দুই পৃথক ৰে'লপথৰ এই গেট তিনিটা এতিয়া পথচাৰী বা অন্য যান-বাহনৰ যাত্ৰাৰ প্ৰধান অন্তৰায় ৰূপে বিবেচিত হৈছে। ৰে'ল অহাৰ সময়ত এম্বুলেন্স পৰ্যন্ত আবদ্ধ হৈ পৰে এই ৰে'লগেট তিনিটাত। নগাঁও চহৰৰ গাতে লাগি থকাৰ বাবে কিছু আগতীয়াকৈয়ে ৰে'লগেট তিনিটা অন্য যান-বাহনৰ বাবে বন্ধ কৰি দিয়া হয়। সদাব্যস্ত পথ কেইটাৰ যাতায়াত বন্ধ কৰি দিয়াৰ বাবে লগে লগে হাহাকাৰ সদৃশ পৰিস্থিতি উদ্ভৱ এই স্থান তিনিটাত। যান-বাহনৰ লানি নিছিগা শাৰীয়ে এক বিশৃংখল পৰিবেশৰ সূচনা কৰে নগাঁও চহৰত । সেয়ে এই তিনিটাকৈ ৰে'লগেটত উৰণ সেঁতু নিৰ্মাণৰ সজোৰ দাবী উত্থাপন হৈছে। নগাঁৱৰ অতিষ্ঠ জনসাধাৰণে এতিয়া এই যানযঁটৰ পৰা বিচাৰিছে পৰিত্ৰাণ। বিভাগীয় কৰ্তৃপক্ষক এইক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি শীঘ্ৰে উৰণ সেঁতু নিৰ্মাণৰ জৰিয়তে এই সমস্যাৰ স্থায়ী সমাধান বিচাৰিছে নগাঁওবাসীয়ে। উল্লেখ্য যে, শেহতীয়াকৈ অমৃত ভাৰত ষ্টেচন আঁচনিৰ অন্তৰ্ভুক্ত হৈ এক নতুন আৰু বিকশিত ৰূপ লাভ কৰিছে নগাঁৱৰ হয়বৰগাঁও ৰে'ল ষ্টেচনে। ১৮৮৭ চনতেই স্থাপিত হয়বৰগাঁও ৰে'ল ষ্টেচন এতিয়া পৰ্যটকৰো অন্যতম আকৰ্ষণ হৈ পৰিছে। দৈনিক প্ৰায় ১২০০ যাত্ৰীয়ে গমনা-গমন কৰা এই ঐতিহ্যমণ্ডিত ৰে'ল ষ্টেচনৰ কাষৰেই ৰে'লগেটৰ যানযঁট এতিয়া পথচাৰীৰ বাবে হৈ পৰিছে এক বৃহৎ প্ৰত্যাহ্বান।



## কলিয়াবৰত বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তৰ উদ্যোগত অভিনন্দন অনুষ্ঠান সম্পন্ন

# 'শিক্ষাৰ্থী সকলৰ বাবে অভিভাৱক আৰু শিক্ষক সকলেই হৈছে পথ প্ৰদৰ্শক' ড° বিনয় কুমাৰ শইকীয়া

**অসম বাৰ্তা, কলিয়াবৰ, ১৫ জুন ঃ** 'শিক্ষাৰ্থী সকলৰ বাবে অভিভাৱক আৰু শিক্ষক সকলেই হৈছে জীৱনৰ পথ প্ৰদৰ্শক' - কলিয়াবৰত এদল শিক্ষাৰ্থীৰ সন্মুখত আজি এই মন্তব্য কৰে বিশিষ্ট বিজ্ঞানী তথা অসম গৌৰৱ বঁটা প্ৰাপক ড০ বিনয় কুমাৰ শইকীয়াই। কলিয়াবৰ বিধান সভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তৰ উদ্যোগত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিশেষ সফলতাৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ- ছাত্ৰী সকলক অভিনন্দন জনাবলৈ আয়োজন কৰা বিশেষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ দি ড° শইকীয়াই ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যীক এই মন্তব্য কৰে । কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উত্তম কুমাৰ বৰুৱাৰ সঞ্চালনা অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তই । ভাষণ প্ৰসংগত মন্ত্ৰী কেশৱ মহন্তই ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি কয় যে কৃতকাৰ্যতাক ধৰি ৰাখিবলৈ হ'লে পূৰ্বতকৈ অধিক পৰিশ্ৰম কৰিব লাগিব। ভৱিষ্যতে পাঠ্যক্ৰমৰ বিষয়বস্তু পঢ়াৰ লগতে বিভিন্ন প্ৰৱেশ পৰীক্ষাৰ বাবেও প্ৰস্তুতি চলাই যাবলৈ তেওঁ আহ্বান জনায়। নিজস্ব প্ৰতিভাৰে ছাত্ৰ ছাত্ৰী সকলক নক্ষত্ৰৰ দৰে জিলিকি থাকিবলৈ মন্ত্ৰী কেশৱ মহন্তই আহ্বান জনোৱাৰ লগতে সমাজ, জাতি আৰু দেশৰ ভাস্কৰ হ'বলৈ আশা প্ৰকাশ কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অংশ লোৱা কলিয়াবৰৰ মুঠ শিক্ষানুষ্ঠান হৈছে ৩৭ খন, উত্তীৰ্ণ হোৱা মুঠ ছাত্ৰ-ছাত্ৰী (প্ৰথম বিভাগ)৪৭৯ গৰাকী। ডিষ্টিংচন মাৰ্কসহ প্ৰথম বিভাগ লাভ কৰা ছাত্ৰ ছাত্ৰীৰ সংখ্যা ৪১ গৰাকী, ষ্টাৰ মাৰ্কসহ প্ৰথম বিভাগত ১০২ গৰাকী, লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত ২৩৪গৰাকী, প্ৰথম বিভাগ (সাধাৰণ) পোৱা ১০২ গৰাকী। সেইদৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ১৯ খন শিক্ষানুষ্ঠানে অংশ লয়। ইয়াৰে মুঠ ৩৭৩ গৰাকী ছাত্ৰ-ছাত্ৰী (প্ৰথম বিভাগ)ত উত্তীৰ্ণ হয়। ষ্টাৰ মাৰ্কসহ প্ৰথম বিভাগ পোৱা ছাত্ৰ ছাত্ৰীৰ সংখ্যা ৩৭ গৰাকী, লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত ১৮৯ গৰাকীয়ে। প্ৰথম বিভাগ (সাধাৰণ) ১৪৭ গৰাকী ছাত্ৰ- ছাত্ৰী উত্তীৰ্ণ হোৱা বুলিও মন্ত্ৰী কেশৱ মহন্তই ভাষণত উল্লেখ কৰে । উল্লেখ্য যে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ লগতে কলিয়াবৰৰ বাহিৰৰ শিক্ষানুষ্ঠানত অধ্যয়ণ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কলিয়াবৰৰ ১৩৭গৰাকীসহ সৰ্বমুঠ ৮৫২ গৰাকী ছাত্ৰ-ছাত্ৰীকো এই অনুষ্ঠানতে অভিনন্দন জনোৱা হয়। উক্ত সভাতে জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ খগেন্দ্ৰ নাথ শৰ্মাক গামোচা চেলেং আৰু প্ৰসস্তি পত্ৰৰে বিধায়ক কেশৱ মহন্তই সম্বৰ্দ্ধনা জনায়। সমাজকৰ্মী মণিমাধৱ মহন্ত, পুষ্কৰজ্যোতি মহন্ত আৰু সমীৰ ভূঞাই আঁত ধৰা অনুষ্ঠানটোত বিশেষ অতিথি হিচাপে অংশ গ্ৰহণ কৰে ক্ৰমে কলিয়াবৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বৰ্ষীয়ান নাগৰিক খগেন্দ্ৰ নাথ শৰ্মা, কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নবীন বৰঠাকুৰ, শিক্ষাবিদ প্ৰভাত চন্দ্ৰ গোস্বামী, কলিয়াবৰ শাখা সাহিত্য সভাৰ সভাপতি দিলীপ কুমাৰ হাজৰিকা। নগাঁও জিলা সাহিত্য সভাৰ উপ- সভাপতি মৃনাল কুমাৰ হাজৰিকা, কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ হাজৰিকা আদিয়ে অংশ লয়। কুঁৱৰীটোলস্থিত মুক্তিযুঁজাৰু স্মৃতি ভৱন প্ৰাংগনত অনুষ্ঠিত সভাখনত সমষ্টিটোৰ ছাত্ৰ শিক্ষক অভিভাৱক আৰু স্থানীয় ৰাইজ সহ দুই সহস্ৰাধিক লোকে অংশ গ্ৰহণ কৰে।

# বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ দ্বাৰা বৰপেটা জিলাৰ শিল্পী আৰু অংগনবাড়ী কৰ্মীক সন্মানিত

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৫ জুন ঃ** বৰপেটা জিলা পুথিভঁৰালত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে ২০২৪—২৫ বিত্তীয় বৰ্ষৰ বাবে শিল্পী পেঞ্চন আৰু বাৰ্ষিক শিল্পী সন্মান প্ৰাপকসকলক আনুষ্ঠানিকভাৱে প্ৰমাণ পত্ৰ প্ৰদান কৰে। এইবাৰ বৰপেটা জিলাৰ ১৫ গৰাকী বিশিষ্ট শিল্পীক সম্বৰ্ধনা জনোৱা হয় ইয়াৰে ৬ গৰাকী শিল্পীক শিল্পী পেঞ্চন (মাহে ৮,০০০ টকা) প্ৰদান কৰা হয়, আৰু ৯ গৰাকী শিল্পীয়ে লাভ কৰে বাৰ্ষিক শিল্পীৰ সন্মান (এককালীন অনুদান ৫০,০০০ টকা)। এই স্বীকৃতিসমূহ অসমৰ শিল্প-সংস্কৃতিৰ প্ৰতি এই ব্যক্তিসকলৰ আজীৱন আগবঢ়োৱা অবদানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে ।অনুষ্ঠানত ভাষণ দি মন্ত্ৰী পাটোৱাৰীয়ে অৰ্থপূৰ্ণ কাৰ্য্যৰে কলাত্মক নিষ্ঠাক সন্মান জনোৱাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে ।লগতে তৃণমূল পৰ্যায়ৰ কল্যাণৰ ওপৰত ৰাজ্যৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি তেওঁ কয়, "আজি বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এক কাৰ্যসূচীত জিলাখনৰ অন্তৰ্গত অংগনবাড়ী কৰ্মীসকলক মোবাইল ফোন বিতৰণ কৰা হয়।" সমাজ কল্যাণ বিভাগৰ অধীনত সেৱা প্ৰদান শক্তিশালী আৰু যোগাযোগ বৃদ্ধিৰ বাবে ৯টা আইচিডিএছ প্ৰকল্পৰ মুঠ ২২১২টা স্মাৰ্টফোন অংগনবাড়ী কৰ্মীসকলৰ হাতত অৰ্পণ কৰা হয় ।উক্ত অনুষ্ঠানত বৰপেটাৰ জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত (সমাজ কল্যাণ), জিলা সমাজ কল্যাণ বিষয়া, আৰু বিশিষ্ট সমাজকৰ্মী মহেন দাস উপস্থিত থাকে। অসম চৰকাৰে এনে পদক্ষেপৰ জৰিয়তে ৰাজ্যৰ সাংস্কৃতিক আৰু সামাজিক পৰিৱেশৰ প্ৰতি সেৱা আগবঢ়োৱাসকলক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা অব্যাহত ৰাখিছে।

## টংলাৰ চেলুটাৰী মাল্টি স্পেচিয়েলিটি ক্লিনিকৰ প্ৰশংসনীয় পদক্ষেপ

# ১১ যক্ষ্মা ৰোগীলৈ পুষ্টিকৰ খাদ্য প্ৰদান

## প্ৰতিমাহে যক্ষ্মা ৰোগীৰ স্বাস্থ্য পৰীক্ষা বিনামূলীয়া

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৫ জুন ঃ** বিশ্বৰ ভিতৰতে আটাইতকৈ বেছি যক্ষ্মা ৰোগীৰে ঠাহ খাই থকা ভাৰতবৰ্ষৰ পৰা এই ৰোগ নিৰ্মূল কৰাটো এক প্ৰত্যাহবান হৈ পৰিছে। অকল চৰকাৰ, চিকিৎসক আৰু স্বাস্থ্য কৰ্মীয়ে এই ৰোগ নিৰ্মূল কৰিব নোৱাৰিব। এই ক্ষেত্ৰত সমাজ সচেতন ৰাইজ আগুৱাই আহিব লাগিব। ৰাইজৰ সজাগতা আৰু সহযোগত মাৰাত্মক সোঁচৰা ৰোগ হিচাপে পৰিচিত যক্ষ্মাৰ পৰা আমাৰ দেশ এদিন মুক্ত হ'ব'- এই ভাষ্য টংলাৰ চেলুটাৰী মাল্টি স্পেচিয়েলিটি ক্লিনিকৰ পৰিচালন সঞ্চালক মাধৱ ভাদুৰীৰ। টংলা যক্ষ্মা গোটৰ অন্তৰ্গত টংলা, ভেৰগাঁও, শুক্লাই, গৰিয়াঝাৰ, পানেৰী অঞ্চলৰ মুঠ ১১ জন যক্ষ্মা ৰোগীক আজি পুষ্টিকৰ খাদ্য, ভিটামিন টেবলেট, অ' আৰ এচ এল প্ৰদান কৰি তেওঁ এইদৰে কয়। চেলুটাৰী মাল্টি স্পেচিয়েলিটি ক্লিনিকত ওদালগুৰি যক্ষ্মা গোটৰ জ্যেষ্ঠ চিকিৎসা পৰ্যবেক্ষক গণেশ দত্তৰ সঞ্চালনাত আজি হোৱা সভাত পৰিচালন সঞ্চালক মাধৱ ভাদুৰীয়ে লগতে কয় যে, খগেন ডেকা, কনকনমণি ৰাভা, উজ্জ্বল পাণিকা, উৎপল বাগ, বিষ্ণু বড়ো, তুলসী বিশ্বকৰ্মা, আকাশ গৌড়, দুৰ্গেশ্বৰ গোৱালা, উৰ্মিলা শ্বাহ, চবিন বড়ো, পাষাণ খান- এই ১১ জন যক্ষ্মা ৰোগীক প্ৰতিমাহে প্ৰতিজনক কমেও পাঁচশ টকাৰ পুষ্টিকৰ খাদ্য ৬ মাহলৈ আমাৰ প্ৰতিষ্ঠানৰ পৰা প্ৰদান কৰাৰ লগতে প্ৰতিমাহে এওঁলোকৰ স্বাস্থ্য পৰীক্ষা বিনামূলীয়াকৈ কৰা হ'ব। সভাত ওদালগুৰি জিলা যক্ষ্মা বিভাগৰ পি পি এম সমন্বয়ক বিলাত বসুমতাৰীয়ে কয় যে, চৰকাৰে যক্ষ্মা ৰোগীৰ চিকিৎসা সম্পূৰ্ণ বিনামূলীয়াকৈ আগবঢ়োৱাৰ লগতে মাহে এহেজাৰ টকাকৈ ৰোগীৰ একাউণ্টত সোমাই দিয়ে। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আহ্বান মৰ্মে টংলাৰ মাধৱ ভাদুৰী আৰু কেইবাজনো মানৱতাবাদী ব্যক্তি যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্য যোগান ধৰি এক অনন্য নিদৰ্শন দাঙি ধৰিছে। সভাত টংলা যক্ষ্মা গোটৰ জ্যেষ্ঠ চিকিৎসা পৰ্যবেক্ষক সুদৰ্শন কুৰ্মীয়ে 'যক্ষ্মা ৰোগক ঘিন কৰক, কিন্তু ৰোগীক কেতিয়াও ঘিন তথা অৱহেলা নকৰিব'লৈ সকলোকে আহ্বান জনায়।

# বাক্সাৰ জাৰতালুকত পত্নীক হত্যা কৰি ৰঙাঘৰত স্বামী

**অসম বাৰ্তা, বাগানপাৰা, ১৫ জুন ঃ** বাক্সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত জাৰতালুক গাঁৱত এগৰাকী বোৱাৰীক অমানুষিক অত্যাচাৰ চলাই হত্যা কৰা ঘটনা পোহৰলৈ আহিছে ।প্ৰাপ্ত তথ্য অনুসৰি বা'ৱা জিলাৰ জাৰতালুক গাঁৱৰ মুকুন্দ দাসে পত্নী সুভদ্ৰা দাসক (৪৫) নিৰ্মমভাৱছ হত্যা কৰাৰ পিছত অতি চতুৰালিৰে আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা কৰে । যোৱা ১২ জুনত আবেলি প্ৰায় চাৰি বজাত সামান্য কথাক লৈ পত্নীক নিৰ্মমভাৱে প্ৰহাৰ কৰি শেষত পৰিকল্পিতভাৱে হত্যা কৰিছিল স্বামী মুকুন্দ দাসে । পিছত সন্ধিয়া প্ৰায় ৬- ৪৫ বজাত পত্নীয়ে চিপ লৈ আত্মহত্যা কৰা বুলি ওচৰ চুবুৰীয়াক অৱগত কৰে । স্থানীয় লোকে আহি সুভদ্ৰা দাসক বিছনাত শুৱাই থোৱা অৱস্থাত দেখি উক্ত ঘটনাক আত্মহত্যাৰ বিপৰীতে হত্যা কাণ্ড বুলি সন্দেহ প্ৰকাশ কৰে আৰু লগে লগে চুবুৰীয়াই পিতৃ গৃহত খবৰ দিয়াত পিতৃ গৃহৰ লোকে বৰমা আৰক্ষী থানাত খবৰ দিয়ে ।বৰমা আৰক্ষীয়ে নিশা মুকুন্দ দাসক গ্ৰেপ্তাৰ কৰি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰৰ ডা:ৰবিৰাম বড়ো অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে ।পিতৃ গৃহৰ পৰিয়ালে অভিযোগ কৰা অনুসৰি জাৰতালুক গাঁৱৰ মুকুন্দ দাসে পত্নী সুভদ্ৰা দাসক প্ৰায়ে শাৰীৰিক নিৰ্যাতন চলাই আহিছিল । আনকি বিভিন্ন সময়ত পত্নী গৃহৰ পৰা বয়-বস্তু বিচাৰি মুকুন্দ দাসে পত্নীক শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰিছিল । মুকুন্দ দাসৰ মাতৃ চণ্ডিপ্ৰিয়া দাস ,পুত্ৰ শান্তনু দাসৰ সহযোগত পৰিকল্পিতভাৱে হত্যা কৰি আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা কৰে। আনকি সিদিনা ঘৰত কোনো নথকা অৱস্থাত ৰছী কাটি নমাই বিছনাত ৰাখে সুভদ্ৰা দাসৰ মৃতদেহ। অভিযুক্ত মুকুন্দ দাসে পত্নীক প্ৰহাৰ কৰা কথা স্বীকাৰ কৰে যদিও আৰক্ষীৰ আগত এতিয়াও মুখ খোলা নাই। আনহাতে, মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ সময়ত আঘাতৰ চিন স্পষ্ট হৈ আছিল। স্থানীয় ৰাইজে মুকুন্দ দাসক, মাতৃ চণ্ডিপ্ৰিয়া দাস আৰু পুত্ৰ শান্তনু দাসক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। এগৰাকী অমায়িক,পৰিশ্ৰমী বোৱাকীক এনেদৰে হত্যা কৰাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# এছিয়ান মিছন ইনষ্টিটিউট অৱ নাৰ্চিঙত কেপিং আৰু শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তা সেৱা, ভক্তৰডোবা, ১৫ জুন ঃ** এছিয়ান মিছন ইনষ্টিটিউট অৱ নাৰ্চিং-ত জি এন এম পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষৰ ৫০ জন শিক্ষাৰ্থীৰ কেপিং আৰু শপত গ্ৰহণ অনুষ্ঠান অতি সুন্দৰভাৱে সম্পন্ন হয়। প্ৰতিষ্ঠানৰ অডিটৰিয়ামত পুৱা ১১ বজাত পৰিচালক ডাঃ এ কে শিকদাৰৰ পৌৰহিত্যত অনুষ্ঠিত সভাত কাৰ্যসূচীৰ আৰম্ভণিতে বৰপেটা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভাৰতী বৰকটকীয়ে বন্তি প্ৰজ্বলন কৰে। এছিয়ান মিছন ইনষ্টিটিউট অৱ নাৰ্চিঙৰ ফেকাল্টি বনস্মিতা ৰায় আৰু শ্বাহাৰিনা আহমেদৰ আদৰণি ভাষণৰ পিছত সঞ্চালক ডাঃ আব্দুল কদ্দুছ শিকদাৰে ফ্লৰেঞ্চ নাইটেংগেলৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে। জি এন এম দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত সমবেত সংগীতৰ পিছত আজিৰ এই পৱিত্ৰ অনুষ্ঠানত প্ৰথম বৰ্ষৰ জি এন এম শিক্ষাৰ্থীসকলে পৰম্পৰাগত বগা নাৰ্চিং কেপ পৰিধান কৰি হাতত মমবাতি জ্বলাই সেৱাৰ শপত গ্ৰহণ কৰে। শপত বাক্য পাঠ কৰোৱায় যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভাৰতী বৰকটকীয়ে। সভাত ডাঃ ভাস্কৰাচাৰ্য বেজ, কেন্দ্ৰীয় সীমা শুল্ক বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক হজৰত আলী আহমেদ, দৰঙৰ জি এন এম ট্ৰেনিং স্কুলৰ অধ্যক্ষা অনিতা ডেকা, সাংবাদিক ছাহেদ আলী আহমেদ আদি কৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি নিজৰ শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। মুখ্য অতিথি ডাঃ ভাৰতী বৰকটকীয়ে বক্তব্যত কয় যে নাৰ্চিং পেছাটো কেৱল এটা চাকৰি নহয়, বৰং মানৱ সেৱাৰ এক মহান ব্ৰত। তেখেতে শিক্ষাৰ্থীসকলক আধুনিক চিকিৎসা বিজ্ঞানৰ লগে লগে মানৱীয় মূল্যবোধ ৰক্ষা কৰিবলৈ আহ্বান জনায়। সঞ্চালকৰ বক্তব্যত ডাঃ শিকদাৰে কয় যে শিক্ষাৰ্থীসকলে ফ্লৰেঞ্চ নাইটিংগেলৰ আদৰ্শ অনুসৰণ কৰি ৰোগীৰ সেৱাত নিঃস্বাৰ্থভাৱে নিয়োজিত হ'ব লাগিব। লগতে সমাজৰ প্ৰতিটো স্তৰৰ মানুহৰ প্ৰয়োজনত সহায়ৰ হাত আগবঢ়ায় চিকিৎসা নৈতিকতা আৰু গোপনীয়তা ৰক্ষা কৰাটো বাঞ্ছনীয়। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানটো নাৰ্চিং শিক্ষাৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হয়, যিয়ে শিক্ষাৰ্থীসকলৰ একাডেমিক জীৱনৰ পৰা পেছাদাৰী জীৱনলৈ প্ৰৱেশৰ প্ৰতীক ৰূপে গণ্য কৰা হয়। সংখ্যালঘু অধ্যুষিত এলেকাত এনে ধৰণৰ স্বাস্থ্য সম্পৰ্কীয় শিক্ষা প্ৰতিষ্ঠান গঢ়ি উঠাত ৰাইজে ভূয়সী প্ৰশংসা কৰা পৰিলক্ষিত হয়।

# লীলাবাৰীৰ বিদ্যালয়সমূহত নাৱা বিহান সমাজৰ শৈক্ষিক সজাগতা সভা

**অসম বাৰ্তা, লীলাবাৰী, ১৫ জুন ঃ** উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি থকা নৱম, দশম, একাদশ আৰু দ্বাদশ মানৰ আদিবাসী ছাত্ৰ-ছাত্ৰীৰ বহুতেই অসম চৰকাৰৰ চাহ জনজাতি আৰু আদিবাসী কল্যাণ সঞ্চালকালয়ে প্ৰতিবছৰে প্ৰদান কৰা 'প্ৰাক-প্ৰৱেশিকা আৰু অন্তঃপ্ৰৱেশিকা জলপানি' সন্দৰ্ভত অৱগত নহয়। জলপানি আবেদন কৰাৰ ক্ষেত্ৰটো পিছপৰি ৰোৱাৰ লগতে প্ৰ-পত্ৰ পূৰণ সম্পৰ্কেও সচেতন নহয়।"- আজি লীলাবাৰী অঞ্চলৰ কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ত অসম চৰকাৰৰ চাহ জনজাতি আৰু আদিবাসী কল্যাণ সঞ্চালকালয়ে প্ৰতিবছৰে প্ৰদান কৰা 'প্ৰাক-প্ৰৱেশিকা আৰু অন্তঃপ্ৰৱেশিকা জলপানি' (Pre and Post Metric Scholership) সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক লৈ অনুষ্ঠিত সজাগতা সভাৰ অন্তত বেচৰকাৰী সংস্থা নাৱা বিহান সমাজৰ সঞ্চালক গডফ্ৰী হেড়েই এনেদৰে কয়। উল্লেখ্য যে, নাৱা বিহান সমাজৰ উদ্যোগত উজ্জ্বলপুৰ উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়, কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়, আদিবাসী জুনুবস্তি উচ্চ মাধ্যমিক বিদ্যালয়ত জলপানিটিৰ বাবে যাৱতীয় নথিপত্ৰ, আবেদন প্ৰক্ৰিয়া আৰু শেষ সময়সীমা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে। জলপানি সন্দৰ্ভত অনুষ্ঠিত সজাগতা সভাত উজ্জ্বলপুৰ উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পুণ্যেশ্বৰ বৰুৱাই কয়, নাৱা বিহান সমাজৰ উদ্যোগ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱন উন্নতি বাবে উল্লেখনীয় পদক্ষেপ। বিদ্যালয়ৰ শিক্ষকসকলে এই উদোগক একেমুখে শলাগ লৈছোঁ। নাৱা বিহান সমাজৰ লগতে আদিবাসী ছাত্ৰ সন্থাই শৈক্ষিক উন্নতি হেতু নতুন কাম কৰি যাওক। আনহাতে সজাগতা সভাত অংশগ্ৰহণ কৰি লীলাবাৰী শাখা সাহিত্য সভাৰ সম্পাদক বিতোপন শৰ্ম্মাই উচ্চ আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ লগতে শৈক্ষিক জীৱনৰ বাবে উচিত পদক্ষেপ বুলি উল্লেখ কৰে। সজাগতা সভাটিত তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকবৃন্দই অংশগ্ৰহণ কৰে।

## সুদীৰ্ঘ ৫০ বছৰৰো অধিক কাল শিল্প কৰ্মৰে জীৱন চৰ্যা অব্যাহত ৰখা এলেঙি নৰসিংহ সত্ৰৰ অধিকাৰ

# কমল চন্দ্ৰ মহন্তই আজিও লাভ নকৰিলে শিল্পী পেঞ্চন

**অসম বাৰ্তা, উজনী মাজুলী, ১৫ জুন ঃ** আহোম ৰজা প্ৰমত্ত সিংহৰ পৃষ্ঠপোষকতাত উজনি মাজুলীত প্ৰায় ২৮০ বছৰৰ পূৰ্বতেই প্ৰতিষ্ঠা লাভ কৰিছিল এলেঙি নৰসিংহ সত্ৰই। মানৰ আক্ৰমণৰ সময়ত এই সত্ৰই বহু আপুৰুগীয়া সমল হেৰুৱাইছিল যদিও বৰ্তমানেও সত্ৰত বহু আহোম যুগৰ সমল দেখিবলৈ পোৱা যায়। ইফালে সত্ৰৰ প্ৰতিষ্ঠা কালৰে পৰা উক্ত সত্ৰ খনে মুখা শিল্পক আগুৱাই নিবলৈ সক্ষম হৈছে। এই সত্ৰৰে বৰ্তমানৰ অধিকাৰ তথা শিল্পী কমল চন্দ্ৰ মহন্তই প্ৰস্তুত কৰা মুখা আৰু গুৰু আসন অসমৰ বিভিন্ন ঠাইলৈ ইতিমধ্যে পঠাবলৈ সক্ষম হৈছে।



ইয়াৰ উপৰিও কমল চন্দ্ৰ মহন্তই অসমৰ ভিন্ন প্ৰান্তত অংকীয়া ভাওনা বৰগীত, গায়ন-বায়নৰ লগতে সত্ৰৰ বিভিন্ন কৃষ্টি-সংস্কৃতিৰ প্ৰশিক্ষন প্ৰদান কৰি আহিছে। সুদীৰ্ঘ ৫০ বছৰৰো অধিক কাল এক শিল্প কৰ্মত নিমগ্ন হৈ জীৱন চৰ্যা কৰা ৮০ উৰ্ধৰ কমল চন্দ্ৰ মহন্তই আজিও অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত প্ৰদান কৰা শিল্পী পেঞ্চন লাভ কৰা নাই। উজনি মাজুলীৰ উন্নয়ন খণ্ডৰ শ্ৰীৰাম গাঁও পঞ্চায়তৰ অন্তৰ্গত ২ নং ৱাৰ্ডৰ এলেঙি নৰসিংহ সত্ৰৰ নিবাসী কমল চন্দ্ৰ মহন্তই এই শিল্প কৰ্মৰ মাজতো অব্যাহত ৰাখিছে অসমীয়া সংস্কৃতিৰ প্ৰাণ-প্ৰতিষ্ঠাতা গুৰুজনাৰ অমিয়া সৃষ্টি সত্ৰীয়া সংগীতৰ চৰ্চাৰ সমান্তৰালভাৱে সত্ৰ খনৰ বৰ্তমানৰ সত্ৰাধিকাৰ হিচাপে দায়িত্ব পালন কৰি আছে। উল্লেখযোগ্য যে, নানান দুৰ্যোগৰ মাজতো শিল্পী গৰাকীয়ে অসমীয়া থলুৱা শিল্প এটি নান্দনিকতাৰ মাজেৰে জীয়াই ৰখাৰ চেষ্টাত ব্ৰতী হৈ আহিছে যদিও বৰ্তমানলৈকে কোনো ধৰণৰ চৰকাৰী অনুদান অথবা স্বীকৃতি লাভ নকৰাত শিল্পী গৰাকীৰ জীৱন প্ৰণালীত কিছু অসুবিধাৰ সৃষ্টি হৈছে। সেয়ে সত্ৰৰ সত্ৰাধিকাৰ হিচাপে পৰিচিত শিল্পী কমল চন্দ্ৰ মহন্তই অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত প্ৰদান কৰা শিল্পী পেঞ্চন প্ৰদান কৰিবলৈ চৰকাৰৰ ওচৰত বিনম্ৰ আহ্বান জনাইছে।

# বাঘবৰত বৃদ্ধ মানসিক বিকাৰগ্ৰস্থ অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ ঃ অঞ্চলজুৰি চাঞ্চল্য

**অসম বাৰ্তা, বাঘবৰ, ১৫ জুন ঃ** বৰপেটা জিলাৰ বাঘবৰ আৰক্ষী থানাৰ অন্তৰ্গত বাঘবৰ বজাৰত যোৱা কালি সন্ধিয়া এগৰাকী অচিনাক্ত মানসিক বিকাৰগ্ৰস্থ প্ৰায় ৬৫ বছৰীয়া বৃদ্ধ লোকৰ মৃত্যু হয় । জানিব পৰা মতে, বজাৰখনৰ জামে মছজিদৰ সমীপতঞ্জ মৃতদেহটো প্ৰত্যক্ষ কৰি একাংশ লোকে বাঘবৰ আৰক্ষী থানাত খৱৰ দিয়ে। স্থানীয় লোকৰ খবৰৰ ভিত্তিত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ ঘটনা পৰ্যবেক্ষণ কৰি মৃতদেহটো উদ্ধাৰ কৰি থানালৈ লৈ যায়। লোকজনৰ মৃতদেহটো আৰক্ষীয়ে উদ্ধাৰ কৰি ৭/২০২৫ নম্বৰৰ এটি গোচৰ পঞ্জীয়ণ কৰি বাঘবৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উজ্জ্বল পেগুৰ নেতৃত্বত মৃতদেহটো উদ্ধাৰ কৰি মৰনোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰে । মৃত লোকজনৰ পৰিচয় এতিয়ালৈকে আৰক্ষীয়ে জানিব পৰা নাই বুলি জানিবলৈ দিয়ে। মৰনোত্তৰ পৰীক্ষা কৰি মৃতদেহটো বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত আছে বুলি বাঘবৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই সংবাদ মাধ্যমৰ ওচৰত সদৰি কৰে । অজ্ঞাত মৃতদেহৰ খবৰ পাই বৈধ অভিভাৱকক বাঘবৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। এই ঘটনাই বাঘবৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# চুতীয়া জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ জুন ঃ** সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত,অসম চৰকাৰৰ চুতীয়া উন্নয়ন পৰিষদৰ দ্বাৰা বিগত কেইবাবৰ্ষৰ দৰে এইবাৰো সমগ্ৰ অসমৰ চুতীয়া জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক অসম লোকসেৱা আয়োগ আৰু ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ এবছৰীয়া বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়াই জানিবলৈ দিছে। অসমৰ চুতীয়া জনগোষ্ঠীৰ আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ বাবে এটা বাচনি পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। অসমৰ চাৰিখন জিলাৰ যিকোনো এটা স্থান নিৰ্বাচন কৰি পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব । অহা ইংৰাজী ৬ জুলাইত ডিব্ৰুগড়,লখিমপুৰ,গোলাঘাট আৰু গুৱাহাটীত বাচনি পৰীক্ষা অনুষ্ঠিত হ'ব। তিনিচুকীয়া জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি নয়নজ্যোতি বৰশইকীয়া (ফোন-৮০১১৪৬৪০৭৩), শিক্ষা সম্পাদক সত্যব্ৰত চুতীয়া (ফোন-৬৯০০৫৩৮৭৮৩) আৰু সাধাৰণ সম্পাদক গংগাধৰ শইকীয়া (ফোন-৯১০১০০৯৯৬৮)ৰ লগত যোগাযোগ কৰি প্ৰ-পত্ৰ সংগ্ৰহ কৰি জমা দিব পাৰিব। অনলাইন যোগেও www.csap.co.in এই ৱেবছাইটত প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব বুলি সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ শিক্ষা সম্পাদক সত্যব্ৰত চুতীয়াই জানিবলৈ দিছে।

## বকোত উদ্ধাৰ অজগৰ সাপ , আতংকিত জনতা

**অসম বাৰ্তা, বকো, ১৫ জুন ঃ** কামৰূপ জিলাৰ বকোৰ ১ নং মাকেলিত উদ্ধাৰ এডাল অজগৰ সাপ । প্ৰায় ৩ ফুট দিঘল, ৪ কেলো ওজনৰ অজগৰ সাপটো। বকোৰ ১ নং মাকেলিৰ গিয়াছউদ্দিন আহমেদ নামৰ লোকজনৰ বাসগৃহৰ সমীপতে থকা এখনি খেতিপথাৰৰ পৰা উদ্ধাৰ কৰা হয় সাপডাল। খেতিপথাৰত ধান কাতিবলৈ গৈ থকাত পথাৰত সাপডাল প্ৰত্যক্ষ কৰে। পিছতে লগে লগেই আতংকিত হৈ পৰে লোকসকল। নগৰবেৰা বনাঞ্চলিক কাৰ্যালয় এলেকাৰ মাকেলিৰ ৰাইজে খবৰ দিয়াত নগৰবেৰা বনাঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া নুৰুল হুচেইন শইকীয়াই লগে লগে সৰ্প উদ্ধাৰকাৰী বিকাশ বড়োক খবৰ দিয়ে। ইফালে সৰ্প উদ্ধাৰকাৰী বিকাশ বড়োই তাৎক্ষণিকভাৱে গৈ উদ্ধাৰ কৰে অজগৰ সাপডাল। ইফালে সাপডাল উদ্ধাৰ কৰি পিছলৈ মুক্ত বিচৰণৰ বাবে বনাঞ্চল এলেকাৰ জংঘলত এৰি দিয়া হয়। উল্লেখ্য যে, গ্ৰীষ্মকালীন সময়ত সাপৰ মুক্ত বিচৰণ কৰা প্ৰায়েই দেখিবলৈ পোৱা যায়।

# ছিপাঝাৰৰ সানোৱাত বজ্ৰপাতত আহত চাৰিজন লোক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ছিপাঝাৰ, ১৫ জুন ঃ** ছিপাঝাৰৰ সানোৱাত শনিবাৰে দুপৰীয়া হোৱা বজ্ৰপাতত গুৰুতৰভাৱে আহত হৈছে চাৰিজনকৈ লোক ।পথাৰত ধান কাটি থকা অৱস্থাত বিজুলী-ঢেৰেকণিৰে অহা বৰষুণৰ মাজতে হঠাতে হয় বজ্ৰপাত ।বৰষুণৰ পৰা ৰক্ষা পাবলৈ লোককেইজনে এখন চালিয়াৰ তলত আশ্ৰয় লৈছিল যদিও গুৰুতৰভাৱে আহত হ'বলগীয়া হয় বজ্ৰপাতত। পথাৰলৈ যোৱা অন্যলোকে মৃত্যুঞ্জয়ৰ জড়িয়তে ছিপাঝাৰ প্ৰাথমিক আৰু সামুহিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ আহে আহত তাজিবুল হক, তাইজুদ্দিন আহমেদ, নেকিবুৰ ৰহমান আৰু আনোৱাৰ আলি নামৰ লোককেইজনক ।স্বাস্থ্য কেন্দ্ৰটোত প্ৰাথমিক চিকিৎসা প্ৰদানৰ পাছতে চাৰিওজনকে উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয় গুৱাহাটীলৈ।

# অসম গোৰ্খা সন্মিলনৰ ঢেকীয়াজুলি জংঘলবস্তি শাখাৰ প্ৰাক্তন সভাপতি তথা সমাজকৰ্মী লাল বাহাদুৰ চুব্বাৰ বিয়োগ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৫ জুন ঃ** শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি নগৰৰ নিকটৱৰ্তী ঢেকীয়াজুলি জংঘলবস্তি গাওঁৰ সৰবৰহী ব্যক্তি তথা স্থানীয় সমাজকৰ্মী লাল বাহাদুৰ চুব্বাৰ (৫৬) কালি সন্ধিয়া ৮মান বজাত নিজ বাসগৃহত আকস্মিক মৃত্যু হয় । তেওঁৰ মৃত্যুত অণ্‌চলটোত শোকৰ ছাঁ পৰিছে ।উল্লেখ্য যে, এক জটিল ৰোগত আক্ৰান্ত হোৱা লাল বাহাদুৰ চুব্বাক পৰিয়ালৰ লোকে বিভিন্ন চিকিৎসালয়ত বহদিন ধৰি চিকিৎসা প্ৰদান কৰি আহিছিল যদিও তেওঁ আৰোগ্য লাভ নকৰিলে । শেহতীয়াকৈ তেওঁৰ স্বাস্থ্যৰ যথেষ্ট অৱনতি ঘটে ।কালি সন্ধিয়া তেওঁৰ আকস্মিক মৃত্যু হয় । তেওঁৰ মৃত্যুত বৰছলাৰ বিধায়ক গণেশ লিম্বু, অসম গোৰ্খা সন্মিলনৰ কাৰ্যকৰী সভাপতি প্ৰেম শৰ্মা, সাধাৰণ সম্পাদক লক্ষ্মী ছেড়াই,জগদীশ খনাল, গোৰ্খা সন্মিলনৰ শোণিতপুৰ জিলাৰ সভাপতি গোকুল বস্নেত,সাধাৰণ সম্পাদক ভূৱন শৰ্মা, শিঙৰী প'লষ্টাৰ একাডেমীৰ অধ্যক্ষ স্বৰূপ শৰ্মা, গোৰ্খা ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ সভাপতি দীপক চুব্বা,সাধাৰণ সম্পাদক হিতেশ পৰাজুলিৰ লগতে অণ্‌চলটোৰ ৰাইজে শোক প্ৰকাশ কৰিছে। প্ৰয়াত লাল বাহাদুৰ চুব্বা অসম গোৰ্খা সন্মিলনৰ ঢেকীয়াজুলি জংঘলবস্তি শাখাৰ প্ৰাক্তন সভাপতি আছিল। তেওঁৰ মৃত্যুত ঢেকীয়াজুলি জংঘলবস্তি গাওঁৰ ৰাইজে গভীৰ শোক প্ৰকাশ কৰিছে। অসম গোৰ্খা সন্মিলনৰ শোণিতপুৰ জিলা সমিতি, গোৰ্খা ছাত্ৰ সন্থাৰ ঢেকীয়াজুলি আঞ্চলিক সমিতিয়ে তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনায়।

# নগাঁৱত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱা বাহিনীৰ উদ্যোগত ৰক্তদাতা শিবিৰ সম্পন্ন, অৰ্ধ্ব শতাধিকৰ ৰক্তদান

**অসম বাৰ্তা, নগাঁও, ১৫ জুন ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ উদ্যোগত,সংঘৰ নগাঁও জিলা সমিতিৰ আতিথ্যত আজি সংঘৰ নগাঁও জিলা শাখাৰ কাৰ্যালয়ত বিশ্ব ৰক্তদাতা দিৱস উদযাপন কৰা হয় ।সংঘৰ নগাঁও জিলা শাখাৰ ১৯ খন আঞ্চলিক শাখাৰ বাপ-বান্ধৱ, আই-মাতৃ আৰু সেৱক-সেৱিকাৰ লগতে নগাঁও মণ্ডলৰ কলিয়াবৰ, কামপুৰ, মৰিগাঁও, হোজাই,কাৰ্বি আংলং আৰু মাইবং জিলা শাখাৰ সেৱক-সেৱিকা সকলে উক্ত কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি পুৱা পৰিৱেশ নিকাকৰন,নাম- প্ৰসংগ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পিছত ৰক্তদান সম্পৰ্কীয় সজাগতা মূলক এক শুভাযাত্ৰা উলিওৱা হয়। দিনৰ ১১ বজাৰ পৰা সজাগতা সভা আৰু ৰক্তদান শিবিৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। ৰক্তদান শিবিৰত গুৱাহাটী মেডিকেল কলেজৰ কেইবা গৰাকীও চিকিৎসক, কৰ্মচাৰী আৰু নগাঁও স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰী সকলে অংশ গ্ৰহণ কৰে। এই ৰক্তদান শিবিৰত জিলা শাখাৰ বহুকেইগৰাকী সেৱক-সেৱিকাই ৰক্তদান কৰে। এই অনুষ্ঠানৰ আদৰনি সমিতিৰ সভাপতি মহেশ্বৰ কাকতি আৰু সম্পাদক দিপঙ্ক বৰদলৈয়ে সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ মুখ্য অধিনায়ক সঞ্জীৱ বৰা, সচিৱ চন্দন বৰা, ৰক্তদান কোষৰ সমন্বয়ক ৰবীন দাস আৰু নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ভেকা, সম্পাদক বিপুল শইকীয়াই ৰক্তদাতা শিবিৰৰ সকলো কাৰ্যসূচী সফল কৰি তোলাত উপস্থিত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# যোগেন্দ্ৰ নাৰায়ণ সোঁৱৰণী ছোৱালী উচ্চ বিদ্যালয়ত এনিমিয়া ৰোগৰ পৰীক্ষা শিবিৰ

**অসম বাৰ্তা, বঙাইগাঁও, ১৫ জুন ঃ** বঙাইগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালয়কৰ সহযোগত ভাৰত বিকাশ পৰিষদৰ অভয়াপুৰী শাখাৰ উদ্যোগত আজি যোগেন্দ্ৰ নাৰায়ণ সোঁৱৰণী ছোৱালী উচ্চ বিদ্যালয়, অভয়াপুৰীত এনিমিয়া ৰোগৰ পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰে। উক্ত পৰীক্ষা শিবিৰৰ দ্বাৰ মুকলি কৰে বঙাইগাঁও জিলা স্বাস্থ্য নিৰীক্ষণ বিষয়া ডাঃবাদল সৰকাৰে। ভাৰত মাতা আৰু স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয় খনৰ প্ৰধান শিক্ষয়িত্ৰী জোনা দাসে আৰু পুষ্পাঞ্জলি প্ৰদান কৰে ভাৰত বিকাশ পৰিষদৰ সভাপতি শ্যাম সুন্দৰ পাল, উপ সভানেত্ৰী মীনা কুমাৰী মণ্ডলৰ লগতে অন্যান্য সদস্য-সদস্যা সকলে। ভাৰত বিকাশ পৰিষদৰ অভয়াপুৰী শাখাৰ সভাপতি পালৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত ডাঃ বাদল সৰকাৰে এনিমিয়া সম্পৰ্কে বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কৰ্মচাৰী সকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। উক্ত শিবিৰটোত ডাঃ জে পি ৰায় ( Project Officer) ৰ নেতৃত্বত আৰু ডাঃ এম পাঠকৰ সহযোগত চিকিৎসা কৰ্মী সকলে বিদ্যালয় খনৰ ছাত্ৰী সকলৰ তেজ পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি ঔষধ দিয়াৰ ব্যৱস্থা কৰে।

# মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতিৰাখি বকুলবনত অনুষ্ঠিত হ'ল 'বড়াৰ পো'

**অসম বাৰ্তা, বাদুলিপাৰ, ১৫ জুন ঃ** উত্তৰ পূব ভাৰতৰ বৃহৎ ধৰ্ম সাহিত্য সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত বিভিন্ন জাতি উপজাতিৰ সমন্বয়েৰে গঢ়ি উঠা এটি সামাজিক অনুষ্ঠান ব্ৰহ্মপুত্ৰ আঞ্চলিক শাখা। এই অনুষ্ঠানটিয়ে ২০০১ চনত জন্ম লাভ কৰে। জন্মলগ্নৰে পৰা গুৰুধৰ্ম আৰু সাহিত্য সংস্কৃতি প্ৰচাৰ প্ৰসাৰৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। এই উদ্দেশ্যৰে আঞ্চলিক শাখাটিয়ে বিভিন্ন সময়ত জিলা অধিবেশন, আঞ্চলিক অধিবেশন, গুৰুজয়ন্তী ,মাধৱ জয়ন্তী, শিশু যুৱ আইমাতৃ সমাৰোহ উদযাপন কৰি আহিছে। এই বৰ্ষত জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অভিন্য আত্মা 'বড়াৰ পো' মহাপুৰুষ মাধৱদেৱৰ ৫৩৭ তম অভিৰ্ভাৱ মহোৎসৱ ভাগি উদযাপন কৰা হয়। এই অনুষ্ঠান ভাগিৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হয়। উল্লেখ যে পুৱা ৭ বজাত গছপুলি ৰোপণ, ৯ মাজত ধৰ্মধজ্জা উত্তোলন, ১১ বজাত নাম প্ৰসংগ , বিয়লি ১বজাৰ প্ৰাথমিক শাখা সমূহৰ পৰা নিৰ্বাচিত হৈ অহা প্ৰতিযোগী সকলকলৈ গুৰুভটিমা,দেৱভটিমা,চপয় ইত্যাদিৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ সমান্তৰালকৈ দিহানাম, বৰগীত পৰিবেশ কৰে। কণকণ শিশু সকলে আধ্যাত্মিক চিন্তা, গুৰুজনাৰ অনবদ্য সৃষ্টিৰাজিক চৰ্চা,অনুশীল কৰাৰ ক্ষেত্ৰত পিতৃ মাতৃ সকলৰ সহযোগিতা অৰ্থাৎ আধ্যাত্মিক চিন্তা চেতনাৰ জৰিয়তে নতুন প্ৰজন্মক সুস্থ সমাজ গঢ় দিয়াৰ লক্ষ্য আগতৰাখি আঞ্চলিক শাখাৰ সভাপতি বলীন চন্দ্ৰ বৰা, সম্পাদক গুণন্দ্ৰ চন্দ্ৰ ভঁৰালী, অধিনায়ক প্ৰণৱ বৰাৰ লগতে সমূহ বিষয়ববীয়াই সমূহ ৰাইজলৈ শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটি সামৰিমাৰে।

## মৰিগাঁৱত সদৌ অসম আৰক্ষী সন্থাৰ ৪২ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৫ জুন ঃ** সদৌ অসম আৰক্ষী সন্থাৰ ৪২ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনখন আজিৰেপৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে মৰিগাঁও চহৰত আৰম্ভ হৈছে। মৰিগাঁও জিলা আৰক্ষী চাউনিৰ বহুমূখী সভাগৃহত অনুষ্ঠিত এই অধিৱেশনৰ আজি পুৱা ৮.৩০ বজাত সদৌ অসম আৰক্ষী সন্থাৰ পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি শুক্ল কাকতিয়ে। পুৱাৰ ভাগতে 'নৱ প্ৰজন্মৰ উশৃংখলতা, অভিভাৱক দায়িত্ব আৰু আৰক্ষীৰ ভূমিকা' শীৰ্ষক এখন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰখনত মুখ্য আলোচক হিচাপে উপস্থিত থাকি ND24 ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাই ধাৰ্য বিষয়াৰ ওপৰত ভাষণ প্ৰদান কৰি নৱ প্ৰজন্মৰ মাজত গা কৰি উঠা উশৃংখলতাৰ ওপৰত আলোকপাত কৰি ইয়াক মযিমূৰ ক্ষেত্ৰত অভিভাৱক সকলৰ গুৰুত্ব অপৰিসীম বুলি মন্তব্য কৰে। অনুষ্ঠানত মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱশীষ শৰ্মা, মৰিগাঁৱৰ জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অসম আৰক্ষীৰ সহকাৰী মহাপৰিদৰ্শক (প্ৰশাসনিক) প্ৰণৱ জ্যোতি গোস্বামী, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লীলাকান্ত বৰঠাকুৰ প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি আমন্ত্ৰণ অতিথি হিচাপে উপস্থিত থাকি একোটাকৈ ভাষণ প্ৰদান কৰ। অধিৱেশনৰ কাইলৈ পুৱা ১১.৩০ বজাত অনুষ্ঠিত কৰা হ'ব এখন মুকলি সভাত এই সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰিব অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিত সিং, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (বিশেষ শাখা) হীৰেন চন্দ্ৰ নাথ, সপ্তম ৰাজ্যিক বিত্ত আয়োগৰ অধ্যক্ষ ৰাণা প্ৰতাপ কলিতা, মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি সদৌ অসম আৰক্ষী সন্থাৰ সাধাৰণ সম্পাদক উপেন্দ্ৰ সিঙে জানিবলৈ দিছে।



### মৰিগাঁৱত উৎকট গৰমত বিদ্যুতৰ লুকাভাকু

# গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ বিদ্যুৎ মন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ

**অসম বাৰ্তা ভূৰাগাঁও, ১৫ জুন ঃ** বিদ্যুতৰ অনিয়মীয়া যোগানৰ প্ৰতিবাদত আজি মৰিগাঁও জিলা ছাত্ৰ সন্হাই আঞ্চলিকে আঞ্চলিকে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। মৰিগাঁও সমষ্টিৰ অন্তৰ্গত গেৰুৱা আঞ্চলিক ছাত্ৰ সন্হাৰ উদ্যোগতো গেৰুৱা চাৰিআলিত বিদ্যুত বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনৰ প্ৰতিকৃতি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত মৰিগাঁও জিলা ছাত্ৰ সন্হাৰ উপদেষ্টা অংকুৰ ডেকা আৰু গেৰুৱা আঞ্চলিক ছাত্ৰ সন্হাৰ সভাপতি সম্পাদককে প্ৰমোখ্য কৰি সদস্য সকলে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰী সকলে মন্ত্ৰী গৰাকীৰ প্ৰতিকৃতি দাহ কৰি প্ৰশান্ত ফুকন হাই হাই, বিদ্যুত বিভাগ লেই লেই চেই চেই, বিদ্যুতৰ যোগান নিয়মীয়া কৰক, অসম চৰকাৰৰ বিদ্যুত বিভাগ হাই হাই আদি শ'গানেৰে উত্তাল পৰিবেশৰ সৃষ্টি কৰে। উল্লেখ্য যে উৎকট গৰমত ৰাজ্যবাসীৰ লগতে মৰিগাঁৱৰ জনসাধাৰণেও ত্ৰাহি মধুসুধন সোঁৱৰাৰ সময়ত সম্প্ৰতি মৰিগাঁও জিলা বিদ্যুত বিভাগ আৰু লাহৰীঘাট বিদ্যুত উপসংমণ্ডলৰ বিষয়া কৰ্মচাৰী সকলে কৰ্তব্যৰ প্ৰতি অৱহেলা কৰি বিদ্যুতৰ অনিয়মীয়া যোগানেৰে সাধাৰণ ৰাইজক জলা কলা খুৱাই আহিছে। গেৰুৱা অঞ্চল টোত আজি তিনি চাৰি দিন ধৰি তেনেই অনিয়মীয়া বিদ্যুত যোগানত ত্ৰাহিমধুসুদন সোঁৱৰিছে গ্ৰাহক সকলে। সেয়ে আজি জিলা খনৰ আঞ্চলিকে আঞ্চলিকে ছাত্ৰ সন্হাই লোৱা প্ৰতিবাদী কাৰ্য্যসূচীৰ অংশ হিছাবে গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থায়ো প্ৰতিবাদ সাব্যস্ত কৰে।

### শক্তি বিভাগৰ বিৰুদ্ধে অব্যাহত প্ৰতিবাদ

## অনিয়মীয়া বিদ্যুৎ ঃ গুৰুত্ব নিদিয়াৰ অভিযোগ ধূপধৰাৰ এছডিঅ' ঋতুৰাজ শৰ্মাৰ বিৰুদ্ধে

**অসম বাৰ্তা, শিমলীতোলা, ১৫ জুন ঃ** পুৰণা বাঘবৰ আৰু বৰ্তমানৰ চেঙা সমষ্টিৰ চৰ অঞ্চলৰ প্ৰায় ১.৫০ লাখ জনসংখ্যা সামৰি ৰংজুলিৰ ৫ এম ভি এ পি টি আৰৰ পৰা বিদ্যুৎ যোগান ধৰি আহিছে যদিও উক্ত পি টি আৰ য়ে ৭ জুন ২০২৫ তাৰিখৰ পৰা কাম কৰা নাই এই তীব্ৰ গৰমত ৰাতিৰ সময়ত বিদ্যুৎ যোগান একেবাৰেই বন্ধ আৰু দিনৰ সময়ত ভল্টেজ ইমানেই কম যে এটাও ফেন কাম নকৰাক লৈ আৰু বাঘমাৰা চৰত ৩৩ ১১ কেভি চাব-ষ্টেচন নিৰ্মাণৰ কাম লেহেমীয়া গতিৰে চলা বিষয় সন্দৰ্ভত বাঘমাৰা চৰ, ভাতনাপাইতি, আলোপতি মাজৰ চৰকে ধৰি সমগ্ৰ চৰাঞ্চলত ধাৰাষাৰ প্ৰতিবাদ চলি থকাৰ মাজতে বিধায়ক শ্বেৰমান আলী আহমেদে বিষয়টো গুৰুত্বসহকাৰে এ.পি.ডি.চি.এল অসমৰ এম.ডি, বঙাইগাঁও আৰু বৰপেটা চি.ই.অ লৈ পত্ৰ প্ৰৰণ কৰাৰ পিছত আজি আঠদিন পাৰ হ'ল যদিও বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষৰ লগতে ধূপধাৰা বিদ্যুৎ উপ- সংমণ্ডলৰ এছ.ডি.অ ঋতুৰাজ শৰ্মাই বিধায়ক শ্বেৰমান আলী আহমেদৰ লগতে ৰাইজৰ সমস্যাৰ প্ৰতি তিলমানো গুৰুত্ব নিদি কাৰ্যত বুঢ়া আঙুলি দেখুৱাইছে। বিদ্যুৎৰ বিল লৈ বিভিন্ন প্ৰকাৰে শোষণ চলাই অহাৰ গুৰুতৰ অভিযোগ কৰি চৰাঞ্চলৰ বিদ্যুৎৰ সমস্যা লৈ তিল মানো গুৰুত্ব নিদিয়া ধূপধাৰা বিদ্যুৎ উপ- সংমণ্ডলৰ এছ.ডি.অ ঋতুৰাজ শৰ্মাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে প্ৰতিবাদী ৰাইজে। অনাগত দিনত বিল উঠাবলৈ এছ ডি অই নিজে নাহিলে বিল আদায় নিদিয়াৰ হুংকাৰ প্ৰদান কৰে ভূক্তভোগী ৰাইজে। বিদ্যুৎৰ সমস্যা শীঘ্ৰে সমাধান কৰিবলৈ বিধায়ক শ্বেৰমান আলী আহমেদৰ লগতে বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে ৰাইজে অন্যথা তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি হুংকাৰ প্ৰদান কৰে ভূক্তভোগী ৰাইজে।

## দৰঙৰ টেঙেৰাত এনকেফেলাইটিছত আক্ৰান্ত মহিলা

**অসম বাৰ্তা, পাথৰিঘাট, ১৫ জুন ঃ** পশ্চিম দৰঙৰ দুনী টেঙেৰাত জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত মহিলা এগৰাকীক আইচিইউত ভৰ্তি কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত টেঙেৰা গাৱৰ নাজিমা বেগম নামৰ মহিলা গৰাকীক জাপানীজ এনকেফেলাইটিছত ৰোগত আক্ৰান্ত হৈ সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। উলেখ্য যে ৫ দিন পূৰ্বৰে পৰা জ্বৰ আৰু মুৰৰ বিষত ভুগি থকা মহিলা গৰাকীক প্ৰথমে সৰ্বভাৰতীয় আয়ুৰবিজ্ঞান প্ৰতিষ্ঠান (AIMS) ত ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসালয়ত কিছু শাৰীৰিক পৰীক্ষা নথকাৰ বাবে পৰিয়ালে এক ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰে। মহিলা গৰাকীক জাপানীজ এনকেফেলাইটিছত ৰোগত আক্ৰান্ত হোৱা বুলি নিশ্চিত হোৱাত ৰাতি প্ৰায় ১১ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত সংকটজনক অৱস্থাত ভৰ্তি কৰে। সম্প্ৰতি মহিলা গৰাকীক আইচিইউত ভৰ্তি কৰোৱা হৈছে।

## জালাহত বিষ্ণুৰাভা দিৱস উদযাপনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, জালাহ, ১৫ জুন ঃ** অসম সাহিত্য সভাৰ অন্যতম স্বৰ্ণ শাখা জালাহ শাখা সাহিত্য সভাৰ উদ্যোগত আৰু অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ সহযোগত অহা ২০ জুনত বিষ্ণুৰাভা দিৱস উদযাপনৰ প্ৰস্তুতি চলাইছে । এই উদ্দেশ্যে মনজিৎ কুমাৰ দাসক সভাপতি, নিতুল দাসক সম্পাদক আৰু পুলিন বৰা ,অৰুণ নাথ আৰু গিৰীশ দাসক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি উক্ত দিনৰ পুৱা দহ বজাত সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব শাখা সাহিত্য সভাৰ সভাপতি মনজিৎ কুমাৰ দাসে । তাৰ পাছত কলাগুৰু লৈ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ন কৰিব জালাহ শাখা সাহিত যে সভাৰ প্ৰাক্তন সম্পাদক পুলিন বৰাই । পত্ৰিকা সম্পাদিকা টুটুমণি শৰ্মাৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া প্ৰাচীৰ পত্ৰিকা " জ্ঞনালোক" খন উন্মোচন কৰিব জালাহ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক, ধনঞ্জয় বড়োৱে । ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিষ্ণু ৰাভাৰ গীত , গীতৰ নৃত্য আৰু বিষ্ণু ৰাভাৰ কবিতাৰ অনুষ্ঠান " বিশ্বৰ ছন্দে ছন্দে উদ্বোধন কৰিব স্হানীয় বি বি কিষাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডঃ জয়দ্বীপ মজুমদাৰে। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব ভবানীপুৰ সমষ্টিৰ বিধায়ক তথা স্হানীয় ৪১ নম্বৰ মানাহ সমষ্টিৰ তত্বাৱধায়ক ফনীধৰ তালুকদাৰ,জালাহ আঞ্চলিক কাৰ্যালয়ৰ ভূমি দাতা,ডাঃ অচ্যুত চন্দ্ৰ মেধি, অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক নয়নমণি চৌধুৰী, বা'ী জিলা সাহিত্য সভাৰ সভাপতি আৰু উপ-সভাপতি ক্ৰমে যামিনী দাস তালুকদাৰ আৰু মানসী নাথ , জালাহ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে হোমেশ্বৰ দাস,নৃপেন্দ্ৰ নাথ শৰ্মা,ভাস্কৰ দিব দাস আৰু উপ-সভাপতি লোহিত দাস , আজীৱন সদস্যদ্বয় ক্ৰমে সোনেশ্বৰ বসুমতাৰী আৰু অজিত ঠাকুৰীয়া ই ।দিৱসৰ সকলো কাৰ্যসূচীতে ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী ৰাইজৰ উপস্থিতি সম্পাদক নিতুল দাসে কামনা কৰিছে।

## জাঁজী নদীত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, আমগুৰি, ১৫ জুন ঃ** শিৱসাগৰ জিলাৰ আমগুৰি নগৰৰ কাষৰ জাঁজী নদীত আজি দুপৰীয়া এক মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই স্থানীয় লোকৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নগা পাহাৰৰ পৰা বৈ অহা জাঁজী নদীৰ দলংঘাট অঞ্চলত মাছ ধৰাৰ বাবে পতা এখন জালৰ বাঁহত মৃতদেহটো তলমূৰাকৈ লাগি থকা অৱস্থাত স্থানীয় লোকেপ্ৰত্যক্ষ কৰি আৰক্ষীক অৱগত কৰে। পাছত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। পিন্ধনত ধুতী আৰু পাঞ্জাবী পৰিহিত লোকজন চামগুৰিৰ ৰজাবাম কৈৱৰ্ত গাঁৱৰ ৭৭ বছৰীয়া থমাই দাস বুলি চিনাক্ত কৰা হয়। থমাই দাস ১২ জুনৰ পৰা নিখোঁজ আছিল বুলি তেওঁৰ পৰিয়ালৰ লোকৰ পৰা জানিব পৰা গৈছে। মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়ালৈকে নিশ্চিত নহয় বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্য আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিছে।

## বাইক চোৰক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ১৫ জুন ঃ** মৰিগাঁও চহৰৰ শনিবৰীয়া বজাৰৰ সন্মুখত আজি ৰাইজে হাতে লোতে কৰায়ত্ত কৰে এজন কুখ্যাত বাইক চোৰ। ধৃত চোৰটো নগাঁও জিলাৰ চিলঙনীৰ মানিক আলী বুলি জানিব পৰা হৈছে। এই চোৰটোৱে মৰিগাঁৱৰ ৰঘু দাস নামৰ ব্যৱসায়ী জনৰ মটৰ চাইকেলখনৰ লক ভাঙি চুৰি কৰি নিবলৈ লওঁতে ৰাইজে হাতে লোতে কৰায়ত্ত কৰে। ইয়াৰ পাছতে ৰাইজে চোৰটোক উত্তম মাধ্যম সোধাই আৰক্ষীক গতাই দিয়ে।

### তামুলপুৰত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা

## বিটিআৰত খিলঞ্জীয়াৰ আধিপত্য আছে

**অসম বাৰ্তা, তামুলপুৰ, ১৫ জুন ঃ** তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই তামুলপুৰ জিলা বিজেপিৰ কাৰ্যলায়ত এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলখন সম্বোধন কৰি মন্ত্ৰী বৰুৱাই কয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এঘাৰ বছৰীয়া কাৰ্যকালত ৮১ কৌটি লোকক অন্ন সুৰক্ষা আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে। ৪ কৌটি লোকক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ঘৰ দিয়া হৈছে। ১৫ কৌটি লোকক জল জীৱন মিছন আঁচনিত অন্তৰ্ভুক্ত কৰি খোৱা পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ অধীনত বছৰি ছয় হাজাৰ টকাকৈ ৩.৭ লাখ কৌটি টকা দিয়া হৈছে। ৭ কৌটি কৃষকক কীশান ক্ৰেডিট কাৰ্ড দিয়াৰ ব্যৱস্থা কৰা হৈছে। তেওঁ আকৌ কয় অসমত ১৪ খন নতুনকৈ এইমছ স্থাপন কৰাৰ কাম চলি আছে। ৫৫ কৌটি লোকক আয়ুষ্মান কাৰ্ড প্ৰদান কৰা হৈছে। কোভিদৰ সময়ত ২২০ কৌটি লোকক কোভিড ভেকচিন দিয়া হৈছে। তামুলপুৰত মেডিকেল কলেজ , জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কাম চলি আছে। মাটি আৰু শিশুৰ স্বাস্থ্যৰ বাবে এইখন চৰকাৰে কাম কৰি আছে। সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় জল জীৱন মিছনৰ কাম ২০২৮ চনলৈ বৃদ্ধি কৰা হৈছে যদিও ২০২৬ বা ২০২৭ চনৰ ভিতৰতে জল জীৱন মিছনৰ অসম্পূৰ্ণ কামবোৰ সম্পূৰ্ণ কৰাৰ চিন্তা চৰ্চা কৰা হৈছে । গৌৰৱ গগৈৰ সম্পৰ্কত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় গৌৰৱ গগৈৰ ৰাষ্টা ভুল হোৱাৰ বাবে আজি তামুলপুৰলৈ আহিছে। তেওঁ আচলতে ধুবুৰীলৈ হে যাব লাগিছিল। গৌৰৱ গগৈৰ যুঁজ ধুবুৰীত হ'ব। বিটিআৰত নহয়। বিটিআৰত পাকিস্তানী নাই। বিটিআৰত খিলঞ্জীয়া লোকৰ আধিপত্য আছে। সাংবাদিকৰ আন এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় হাগ্ৰামা মহিলাৰীৰ লগত মোৰ ব্যক্তিগতভাৱে ভাল। সেইকাৰণে মই সিদিনা কোকৰাঝাৰলৈ যাওতে তেওঁক লগ কৰিছোঁ । আজিৰ এই সংবাদ মেলখনত তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্তৰ কুমাৰ দাস , বিটিআৰৰ কাৰ্যবাহী সদস্য ডঃ ধৰ্ম নাৰায়ণ দাস , ৰনেন্দ্ৰ নাৰ্জাৰী , পাৰিষদ বিজিৎ গৌৰা নাৰ্জাৰী , হেমন্ত কুমাৰ ৰাভা , তামুলপুৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক ৰাজেশ বড়ো , সম্পাদক লক্ষী দাস , যুৱ নেতা কৰণ ছেত্ৰী আদিকে ধৰি কেইবাজনো নেতা কৰ্মী উপস্থিত থাকে।

## প্ৰবাহন বৰা সোঁৱৰণী পৰীক্ষাগাৰৰ উদ্বোধন পিতৃ জয়ানন্দ বৰাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ আগশাৰীৰ শিক্ষানুষ্ঠান পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনত আজি দুপৰীয়া ১ বজাৰ পৰা অনুষ্ঠিত হয় মাতৃ আৰু অভিভাৱকসকলৰ এখন বিশেষ সন্মিলন । বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পূৰ্ণানন্দ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সন্মিলনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লেখিকা আভা বৰা ।ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শৈক্ষিক দিশৰ ওপৰত বক্তব্য আগবঢ়োৱা আভা বৰাই ছাত্ৰ-ছাত্ৰীসকল আগুৱাই যোৱাৰ ক্ষেত্ৰত মাতৃ আৰু অভিভাৱকসকলৰ কৰ্তব্যৰ ওপৰত বক্তব্য আগবঢ়ায়। বিদ্যালয়খনৰ প্ৰধান আচাৰ্য্যা কবিতা বৰা কলিতাই আঁট ধৰা সভাত অভিভাৱক-অভিভাৱিকাসকলে বক্তব্য আগবঢ়োৱাৰ লগতে কেইবাগৰাকী আচাৰ্য-আচাৰ্য্যাই বক্তব্য আগবঢ়ায়। সন্মিলনৰ পূৰ্বে বিদ্যালয়খনত প্ৰবাহন বৰা সোঁৱৰণী পৰীক্ষাগাৰ এটিৰ শুভ উদ্বোধন কৰে প্ৰবাহনৰ পিতৃ জয়ানন্দ বৰাই ।বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদক জয়ানন্দ বৰাৰ পুত্ৰ প্ৰবাহন বৰা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ হোৱাৰ উপৰিও এজন মেধাবী ছাত্ৰ আছিল। বি টেক আৰু এম বি এ ডিগ্ৰী লাভ কৰি নিজকে সংস্থাপিত কৰিবলৈ সক্ষম হোৱা প্ৰবাহনৰ ২০২৩ চনৰ ৩ ডিচেম্বৰত আকস্মিকভাৱে মৃত্যু হয় ।প্ৰবাহনৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ পিতৃ জয়ানন্দ বৰাই প্ৰায় পোন্ধৰ লাখ টকা খৰচ কৰি পৰীক্ষাগাৰটো নিৰ্মাণ কৰি আজি ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰি দিয়ে ।পিতৃয়ে নিজৰ পুত্ৰৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ যি মহানুভৱতাৰ পৰিচয় দিলে তাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব ।বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা সমূহ উপলব্ধ পৰীক্ষাগাৰটোৰ সকলো খৰচ জয়ানন্দ বৰাই ব্যয় কৰি ছাত্ৰ-ছাত্ৰীলৈ উৎসৰ্গা কৰি আবেগিক হৈ পৰা দেখা যায় ।উল্লেখযোগ্য যে, ১৯৯৬ চনত প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খনে প্ৰতিষ্ঠাৰ দিন ধৰি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক,সাংস্কৃতিক আৰু ক্ৰীড়াৰ দিশৰ উত্তৰণৰত বলিষ্ঠ ভূমিকা পালন কৰি আহিছে।২০০৭ চনৰ পৰা বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীসকল হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ আহিছে আৰু সেইচনৰ পৰা এই বৰ্ষলৈকে বিদ্যালয়খনৰ ছাত্ৰীসকলে এশ শতাংশ উত্তীৰ্ণৰ সফলতাৰ ধাৰাবাহিতা অক্ষুন্ন ৰাখিবলৈ সক্ষম হোৱাৰ উপৰিও ২০১৯ চনত বিদ্যালয়খনৰ দুজন ছাত্ৰই অসমৰ ভিতৰতে স্থান দখল কৰিবলৈ সক্ষম হৈছে ।আজি বিদ্যালয়খনত পৰীক্ষাগাৰটোৰ শুভ উদ্বোধনে বিদ্যালয়খনৰ শৈক্ষিক দিশটোত আৰু আগুৱাই নিব বুলি উপস্থিত অভিভাৱক-অভিভাৱিকাসকলে মন্তব্য কৰে।



## মৰিগাঁৱত শক্তি মন্ত্ৰী আৰু বিদ্যুৎ বিভাগৰ প্ৰতিকৃতি দাহ ছাত্ৰ সন্থাৰ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৫ জুন ঃ** মৰিগাঁৱত অনিয়মীয়া বিদ্যুত সেৱাত অতিষ্ঠ হৈ বিদ্যুৎ বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি আজি মৰিগাঁও সদৰ ছাত্ৰ সন্থাই চহৰখনত এক প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ বৰা আৰু সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মনৰ নেতৃত্বত চহৰখনৰ মাজমজিয়াত বিদ্যুৎ বিভাগৰ প্ৰতিকৃতি দাহ কৰি এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিদ্যুৎ বিভাগক তীব্ৰ সমালোচনা কৰি সদৰ আছুৰ সভাপতি ঘনেন্দ্ৰ বৰাই অসম চৰকাৰে ২৪ ঘণ্টাই ৰাইজক বিজুলী যোগান ধৰাৰ আশ্বাস প্ৰদান কৰাৰ বিপৰীতে বিদ্যুৎ বিভাগে মৰিগাঁৱৰ ৰাইজক জ্বলা ক'লা খুৱাইছে বুলি মন্তব্য কৰে। উৎকট গৰম আৰু ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ মাজতে দিনে-নিশাই অনিয়মীয়া বিদ্যুৎ যোগানত ৰাইজ অতিষ্ঠ হৈ পৰিছে। তেঁও ৰাজ্যৰ বহুবল্কী বিদ্যুৎ মন্ত্ৰী প্ৰশান্ত ফুকনক শীঘ্ৰেই পদত্যাগ কৰিবলৈ দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী, সাধাৰণ সম্পাদক শিৱ দাস, সদৰ ছাত্ৰ সন্থাৰ উপদেষ্টা দীপাংকৰ নাথ, সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মনৰ লগতে শতাধিক আছু কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# মাখিবাহাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ চতুৰ্থ দ্বিবাৰ্ষিক অধিৱেশন সম্পন্ন

### ব্ৰজেন তালুকদাৰ সভাপতি আৰু ৰূপ কুমাৰ শৰ্মা সম্পাদক নিৰ্বাচিত

**অসম বাৰ্তা, টিহু, ১৫ জুন ঃ** অসম বাৰ্তাজীৱী সংঘৰ অন্তৰ্গত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনখন কালি টিহুৰ মাখিবাহা সভাৰ খলাত দিনযোৰা বিস্তৃত কাৰ্যসূচীৰে সম্পন্ন হয়। এই উপলক্ষে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছত অসম বাৰ্তাজীৱী সংঘই গৌৰৱোজ্জ্বল পঞ্চাশ বৰ্ষ পূৰ্ণ কৰা উপলক্ষে সাংবাদিক, শিল্পী, সাহিত্যিক,শিক্ষাবিদ, সমাজকৰ্মী আদিকে ধৰি সমাজৰ ভিন্ন স্তৰৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা পঞ্চাশ খন পতাকা উত্তোলন কৰা হয়। শ্বহীদ তৰ্পণ কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নগেন শালৈ আৰু গছপুলি ৰোপণ কৰে ক্ৰমে পৰিৱেশ কৰ্মী মনোজ বড়ো, প্ৰাক্তন আছু নেতা বিশ্বজিত শৰ্মা আৰু প্ৰাণজিৎ ঠাকুৰীয়াই। ইয়াৰ পিছতে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাৰ সভাপতিত্বত মুকলি সভা আৰম্ভ হয় যদিও তেওঁৰ শাৰীৰিক অসুস্থতাৰ বাবে সভাখন পৰিচালনা কৰে উপদেষ্টা অজিত কুমাৰ শৰ্মাই। মুকলি সভাত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসুধন মেধি আৰু সম্পাদক মুকুট ৰাজ শৰ্মা, বিশিষ্ট অৰ্থনীতিবিদ-স্তম্ভ লেখক ড০ দেৱজিৎ মহন্ত, আছু নেতা গুণজ্যোতি পাঠক, নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ প্ৰতিষ্ঠাপক সভাপতি পংকজ বেজবৰুৱা, মাখিবাহা গ্ৰামোন্নয়ন সমিতিৰ সভাপতি হৰিশচন্দ্ৰ ভট্টাচাৰ্য্য আদিয়ে বক্তব্য আগবঢ়ায় । সাংবাদিক ভাস্কৰজ্যোতি কলিতাই সমগ্ৰ অনুষ্ঠানটো আঁতধৰা আৰু নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত ভাৰত বাৰ্তাজীৱী মহাসংঘৰ সদস্য কিশোৰজ্যোতি শৰ্মা, অসম বাৰ্তাজীৱী সংঘৰ কাৰ্যালয় সম্পাদক হেমন্ত বৰ্মন, অসম বাৰ্তাজীৱী সংঘৰ সদস্য সোনাধৰ ডেকা, ভাস্কৰ শৰ্মা আৰু ৰাতুল ৰাজবংশী আদি উপস্থিত থাকে । সভাৰ পূৰ্বে কন্ঠশিল্পী ঘন শৰ্মাৰ নেতৃত্বত সাংবাদিক সংক্ৰান্তীয় বিষয়ে উপস্থাপন কৰা সমবেত সংগীত পৰিৱেশন কৰে। বিয়লি প্ৰতিনিধি আৰু বিষয় বাচনি সভাত সভাপতিত্ব কৰে অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসুধন মেধিয়ে। অসম বাৰ্তাজীৱী সংঘৰ সম্পাদক মুকুটৰাজ শৰ্মা আৰু কাৰ্যালয় সম্পাদক হেমন্ত বৰ্মন পৰ্যৱেক্ষক হিচাপে উপস্থিত থকা প্ৰতিনিধি সভাত সংঘৰ সাংগঠনিক আৰু সাংবিধানিক দিশৰ আলোচনা হয়। উক্ত সভাতে আগন্তুক কাৰ্যকালৰ বাবে পংকজ বেজবৰুৱাক উপদেষ্টা, ব্ৰজেন তালুকদাৰক সভাপতি, অজিত কুমাৰ শৰ্মা, চন্দন শৰ্মা আৰু ৰাতুল চন্দ্ৰ ডেকাক উপ-সভাপতি, ৰূপ কুমাৰ শৰ্মাক সম্পাদক, কুমুদ বৰ্মন, শৈলেন বৰ্মন ,আজিজ আলী আৰু ত্ৰিদীপ কলিতাক সহকাৰী সম্পাদক, ভাস্কৰজ্যোতি কলিতা আৰু গুণজিৎ কলিতাক প্ৰচাৰ সম্পাদক, পংকজ লহকৰক সাংগঠনিক সম্পাদক, অজিত বৰ্মনক পত্ৰিকা সম্পাদক হিচাপে লৈ নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ নতুন সমিতিখন গঠন কৰা হয়।

# ডিব্ৰুগড়ত উত্তৰ-পূব উদ্যোগী নাৰী সন্থাৰ ৩১সংখ্যক প্ৰতিষ্ঠা দিৱস

### পদ্মশ্ৰী হেমপ্ৰভা চুতীয়া আৰু গান্ধীবাদী নেত্ৰী কুসুম মুকাৰ্জীক বিশেষ সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ জুন ঃ** নাৰী সবলীকৰণৰ অন্যতম সংগঠন "উত্তৰ-পূব উদ্যোগী নাৰী সন্থা "(NEWEA) ডিব্ৰুগড় জিলাই ৩১ সংখক প্ৰতিষ্ঠা দিৱস পালন কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি তাঁতৰ শালত ধৰ্মগ্ৰন্থক বৰ্ণবস্ত্ৰ ৰূপ দি একপ্ৰকাৰৰ অসাধ্যকো সাধ্য কৰি তোলা অসম গৌৰৱ, পদ্মশ্ৰী বঁটাৰে সন্মানিত মৰাণৰ কাজী শিপিনী হেমপ্ৰভা চুতীয়া আৰু প্ৰবীণ গান্ধীবাদী নেত্ৰী বিশিষ্ট সমাজকৰ্মী কুসুম মুকাৰ্জীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ডিব্ৰুগড়ৰ জাগৃতি গৃহত অনুষ্ঠিত ডিব্ৰুগড় জিলাৰ সম্পাদিকা জুলি দিহিঙ্গীয়াই আঁত ধৰা তথা কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী কিৰণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত সম্বৰ্ধনা গ্ৰহণ কৰি হেমপ্ৰভা চুতীয়াই বস্ত্ৰশিল্পৰ জৰিয়তে কি দৰে অসমীয়া শিপিনী স্বাৱলম্বী হব পাৰে আৰু অসম চৰকাৰে মহিলা শিপিনী সকলক প্ৰশিক্ষণৰ জৰিয়তে কেনেদৰে দক্ষ কৰি তুলিব পাৰে সেই সন্দৰ্ভত বক্তৃতা প্ৰদান কৰাৰ লগতে তেওঁ নিজাববীয়াকৈ আগ্ৰহী সকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে থকা আগ্ৰহৰ কথা ব্যক্ত কৰে। এই অনুষ্ঠানতে ত্ৰিবেণী মহিলা সংঘৰ সভানেত্ৰী প্ৰগতি শইকীয়া, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। ডিব্ৰুগড় তথা অসমৰ উদ্যোগী নাৰী সকলক লৈ ৩০ বছৰ পূৰ্বে গঠন কৰা 'উত্তৰ -পূৰ্ব উদ্যোগী নাৰী সন্থা'ই অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল আৰু দেশৰ বিভিন্ন ৰাজ্যৰ মহিলা সকলক স্বাৱলম্বনৰ এক মঞ্চ তৈয়াৰ কৰি দিয়া ক্ষেত্ৰত অন্যতম হিচাপে পৰিগণিত হোৱা বুলি কৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে নাৰী সকলৰ মহান উদ্দেশ্যৰ শলাগ লয় ।যি নাৰীয়ে এসময়ত দেশৰ কাৰণে ওলাই যোৱা নিজ স্বামীৰ মংগলৰ কাৰণে নিশাৰ ভিতৰতে কবচ বৈ দিছিল। সেই নাৰীৰ একাংশৰ এতিয়া বস্ত্ৰ শিল্পনো কি বা তাঁত শালৰ সন্দৰ্ভত বিশেষ জ্ঞান নাই। তদুপৰি থলুৱা শিপিনীৰ অভাৱত থলুৱা তাঁতশাল সমূহ বন্ধ হোৱাৰ লগতে আমদানিকৃত বস্ত্ৰই বজাৰ দখল কৰিছে। কিন্তু তাৰ বিপৰীতে গৈ পদ্মশ্ৰী হেমপ্ৰভা চুতীয়াৰ দৰে মহিলাই নিজৰ একাগ্ৰতা আৰু আন্তৰিকতাৰে তাঁত শালৰ জৰিয়তে সপোন ৰচি 'পদ্মশ্ৰী'দৰে সন্মান বুলিবলৈ সক্ষম হোৱা বুলি কৈ হেমপ্ৰভা চুতীয়া সমগ্ৰ অসমীয়া মহিলাৰ বাবে সদায় আদৰ্শ হৈ থাকিব বুলি কয়। অনুষ্ঠানত সংগঠনটোৰ কোষাধ্যক্ষ ৰূপা গগৈ, মিডিয়া চেলৰ পাতাঞ্জলী মেধি শৰ্মাকে আদি কৰি বিষয়ববীয়া সকল উপস্থিত থাকে। আনহাতে অনুষ্ঠানতে জুলি দিহিঙ্গীয়াই এটি বৰগীত, নীলাক্ষী দেউৰী আৰু পপী গগৈয়ে সৃষ্টি মূলক নৃত্য, পিতাঞ্জলী মেধি শৰ্মাই গীত, গীতাঞ্জলি গগৈয়ে পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত আদি পৰিৱেশন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## সম্পাদকীয়

|| মঙ্গলবাৰ ১৭ জুন, ২০২৫ চন ||

# জাতি-ভিত্তিক জনগণনাৰ প্ৰভাৱ

ভাৰতত জাতি-ভিত্তিক জনগণনাৰ বিষয়টো দীৰ্ঘদিন ধৰি ৰাজনৈতিক আৰু সামাজিক বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ আহিছে। ১৯৩১ চনৰ পিছত ভাৰতত ব্যাপকভাৱে জাতি জনগণনা হোৱা নাই। ২০১১ চনৰ জনগণনাত সামাজিক-অৰ্থনৈতিক আৰু জাতি নিৰীক্ষণ (SECC) কৰা হৈছিল, কিন্তু ইয়াৰ তথ্য সম্পূৰ্ণৰূপে ৰাজহুৱা কৰা হোৱা নাই। অতি সম্প্ৰতি, কেন্দ্ৰীয় চৰকাৰে ২০২৫ চনত হ'বলগীয়া জনগণনাত জাতি-ভিত্তিক গণনা অন্তৰ্ভুক্ত কৰাৰ ঘোষণা কৰিছে। এই সিদ্ধান্ত সামাজিক ন্যায় আৰু নীতি-নিৰ্ধাৰণক অধিক ফলপ্ৰসূ কৰিবলৈ লোৱা হৈছে।

জাতি জনগণনাৰ মুখ্য উদ্দেশ্য হ'ল প্ৰতিটো জাতিৰ জনসংখ্যা, সামাজিক-অৰ্থনৈতিক অৱস্থা আৰু শিক্ষাৰ স্তৰৰ সঠিক তথ্য সংগ্ৰহ কৰা। ইয়াৰ জৰিয়তে এইটো বুজিবলৈ সহায় হ'ব যে কোনকেইটা জাতি প্ৰকৃততে পিছপৰা আৰু কোনবোৰে সংৰক্ষণৰ সুবিধা পোৱা উচিত।

ক্ৰিমী লেয়াৰ আৰু জাতি জনগণনাৰ যুটীয়া প্ৰভাৱে ভাৰতৰ OBC সংৰক্ষণ নীতিক নতুন ৰূপ দিব পাৰে। এই প্ৰক্ৰিয়াই কিছুমান প্ৰভাৱশালী অন্যান্য পিছপৰা শ্ৰেণী (OBC) জাতিৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব, যিবোৰক OBC ৰ তালিকাৰ পৰা বাদ দিয়া বা ক্ৰিমী লেয়াৰৰ সুবিধাৰ পৰা বঞ্চিত কৰা হ'ব পাৰে। আনহাতে, অতি পিছপৰা জাতিৰ বাবে সুযোগৰ সৃষ্টি কৰিব পাৰে যিবোৰে এতিয়ালৈকে সংৰক্ষণৰ সুবিধা পোৱা নাই।

অৱশ্যে, এই প্ৰক্ৰিয়াত বহুতো প্ৰত্যাহ্বান আছে, য'ত তথ্যৰ বিশ্বাসযোগ্যতা, ৰাজনৈতিক অপব্যৱহাৰ, আৰু সামাজিক উত্তেজনা আদি অন্তৰ্ভুক্ত। চৰকাৰে এই প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হ'বলৈ স্বচ্ছ আৰু সামৰিক নীতি গ্ৰহণ কৰিব লাগিব।

*গেছ, পেট্ৰল, ডিজেল, কয়লা আদিৰ অত্যধিক ব্যৱহাৰ মানে বনাঞ্চল ধ্বংস, প্ৰাকৃতিক সম্পদ বিনষ্ট জলবায়ুৰ ভয়াবহ কালৰূপ ধাৰণ যিটো বৰ্তমান সময়ত আমি ভুক্তভোগী। যদি আমি নিজা জীৱনশৈলী সলনি নকৰোঁ তেতিয়াহে তাৰ পৰিণাম ভুগিবলৈ আমি প্ৰস্তুত হৈ থাকিব লাগিব। কিন্তু আমি কি কৰি আছোঁ?*

# জলবায়ু পৰিৱৰ্তনৰ ভয়াবহ ৰূপ

## আহমেদাবাদৰ বিমান দুৰ্ঘটনা আৰম্ভণিহে

**শৈলেন কুমাৰ**

এটা সময় আছিল যেতিয়া পৃথিৱীৰ জলবায়ু বিশুদ্ধ, নিৰ্মল জীৱনযাপনৰ বাবে উপযুক্ত আছিল। যেতিয়া উদ্যোগিকৰণ প্ৰভাৱ পৃথিৱীত নাছিল তেতিয়া পৃথিৱীৰ জলবায়ু, আবহাৱা সুচল আছিল। এতিয়া আপুনি বাহিৰত ওলাবলৈ চিন্তা কৰিব লগা হৈছে বৰ্ধিত তাপমান উষ্ণতাৰ বাবে যিটো তাপমান পৃথিৱীত জীৱনযাপনৰ বাবে ১৪ ডিগ্ৰী ছেলচিয়াছ বিজ্ঞানীসকলে নিৰ্ধাৰিত কৰিছিল, বৰ্তমান সেয়া তাপমাত্ৰা গৈ ১৫.৪ ডিগ্ৰী ছেলচিয়াছলৈ বৃদ্ধি হ'ল। দেখিবলৈ ১.৪ ডিগ্ৰী ছেলচিয়াছ সামান্য যেন লাগিলেও সেয়াই মানৱজাতি পৃথিৱীৰ পৰা অস্তিত্ব নহোৱা কৰিবলৈ যথেষ্ট। আমি বৰ্তমান নিশ্চিত মৃত্যুৰ দুৱাৰদলিত অৱস্থান কৰিছোঁ। এই ১.৪ ডিগ্ৰী ছেলচিয়াছ যেতিয়া ২ ডিগ্ৰী ছেলচিয়াছলৈ বৃদ্ধি হ'ব তেতিয়া পৃথিৱীৰ জলবায়ু ব্ৰেকফেইল হোৱা গাড়ীৰ দৰে গতি কৰিব। তেতিয়া মানৱজাতিৰ নিশ্চিত মৃত্যুৰ নীৰৱ সাক্ষীহৈ অপেক্ষা কৰাৰ বাহিৰে অন্য কোন পন্থা হাতত নাথাকিব। ত্ৰাহিমাম কৰি কেওফালে জীৱনৰ ভিক্ষা মাগিলেও সঁহাৰি নাপাব। সম্প্ৰতি আহমেদাবাদত সংঘটিত হোৱা বিমান দুৰ্ঘটনাৰ পৰা আমি শিক্ষা লব পাৰোঁ, আহমেদাবাদত বিমান দুৰ্ঘটনাৰ সময়ত আহমেদাবাদত উষ্ণতা আছিল ৩৭ ডিগ্ৰী ছেলচিয়াছ বিমানখন যেতিয়া আকাশমাৰ্গত উৰণ লৈছিল তেতিয়া ১ লাখ ২৫ হাজাৰ লিটাৰ তেল আছিল যাৰবাবে অতিমাত্ৰা উষ্ণতা আৰু বিমানখনত মজুত ইন্ধনৰ বাবে বিমানখন অগ্নিদগ্ধ হয়। এখন বিমান আকাশত উৰিলে কেইবাশ লাখ ইন্ধন পুৰা যায় যাৰফলত বায়ুমণ্ডলত কাৰ্বণ নিৰ্গত হয়। অত্যধিক কাৰ্বন নিৰ্গত হোৱা মানে জলবায়ু পৰিৱৰ্তনৰ ভয়াবহ ৰূপ। লগতে বৰ্তমানৰ মানুহৰ জীৱনশৈলীও জলবায়ু পৰিৱৰ্তনৰ মুখ্য কাৰণ। গেছ, পেট্ৰল, ডিজেল, কয়লা আদিৰ অত্যধিক ব্যৱহাৰ মানে বনাঞ্চল ধ্বংস, প্ৰাকৃতিক সম্পদ বিনষ্ট জলবায়ুৰ ভয়াবহ কালৰূপ ধাৰণ যিটো বৰ্তমান সময়ত আমি ভুক্তভোগী। যদি আমি নিজা জীৱনশৈলী সলনি নকৰোঁ তেতিয়াহে তাৰ পৰিণাম ভুগিবলৈ আমি প্ৰস্তুত হৈ থাকিব লাগিব। কিন্তু আমি কি কৰি আছোঁ? অযথা কথাত বাক্য বৰ্ণনা, আমি ভাতসাঁজ খাওঁতে অথবা মটৰচাইকেলখন চলাওঁতে কেতিয়াবা



ভাবিছোঁ নে কোনদিশে আমাৰ ভৱিষ্যত? আমাৰ আদৰ্শ পুজিপতি, অভিনেতা, ৰাজনেতাসকল কিন্তু এটা বছৰত সিহঁতবোৰে এজন সাধাৰণ নাগৰিকৰ তুলনাত ৪গুণ অধিক হাৰত ইন্ধন ধ্বংস কৰিছে। পুঁজিপতিৰ কৰাল গ্ৰাসত আজি ভুক্তভোগী সাধাৰণ নিৰীহ জনগণ। এটা বছৰত পুঁজিপতিসকলে যিমান ইন্ধন খৰচ কৰে সেইখিনি ইন্ধনৰে সাধাৰণ জনতাই অধিক সময় জীৱনযাপনৰ কৰিবৰ বাবে সম্ভৱপৰ হ'লহেঁতেন। এতিয়া প্ৰশ্ন হয় পুঁজিপতিসকলে বাৰু ধনবলেৰে অন্য গ্ৰহত জীৱনযাপন কৰিব কিন্তু সাধাৰণ জনতাই বানপানীত ডুবি মৰিব নে? উৎকট গৰমত দহি মৰিব নে খাদ্যৰ অভাৱত তিলতিলকৈ নিশ্চিত মৃত্যুক আদিৰ ল'ব সৰ্বসাধাৰণলৈ পোনপটীয়া প্ৰশ্ন?

ফোন ঃ ৭০০২৮১৬১৪৬

# মৃত্যু ইমান সুলভ নে?

**প্ৰাণ প্ৰতিমা বড়া**

বৰ্তমান সময়বোৰ বৰ জটিল হৈ পৰিছে। ধৰিত্ৰী আইৰ বুকুৰ চটফটনিত সমাজখন অসুখী হৈ পৰিছে। চৌদিশে সমাজখন অৰাজকতাৰে ভৰি পৰিছে। পৰিয়ালৰ আপোন মানুহবোৰৰ মাজত মৰম-চেনেহ-আদৰৰ ঠাইত দিনকদিনে বাঢ়ি আহিছে হিংসা, হত্যা, লুণ্ঠন, অবিশ্বাসবোৰ। মানুহৰ মনবোৰ এতিয়া সুস্থিৰ হৈ থকা নাই। দিনকদিনে বেছিভাগ মানুহ মানসিক ৰোগীলৈ পৰিণত হৈছে। মানুহবোৰে জীৱন জিয়াবৰ বাবে ভাৰ্চুৱেল পৃথিৱীৰ গইনা ল'বলৈ লৈছে। 'মৃত্যু এতিয়া তেনেই সুলভ।' কিয়নো বাতৰি-কাকত নাইবা ডিজিটেল মাধ্যমতেই হওক দেখা পোৱা ঘটনাসমূহে এতিয়া সুস্থিৰ সমাজ গঢ়াৰ বিপৰীতে এক অসুস্থিৰ পৰিবেশৰ সৃষ্টি কৰিবলৈ লৈছে। বৰ্তমান সময়বোৰ জটিলৰ পৰা জটিলতালৈ গতি কৰিছে। মানুহৰ মনবোৰ দিনকদিনে অসুস্থ হৈ পৰিছে।

এবাৰ ভাবকচোন দেশৰ সীমান্তত থকা যুদ্ধাসকললৈ —? যিসকল পুৰুষ অথবা মহিলাই নিজৰ জীৱনটোক তুচ্ছ জ্ঞান কৰিও দেশ ৰক্ষাৰ স্বাৰ্থত আত্মবলিদান দিবলৈও কুণ্ঠাবোধ কৰা নাই নিজৰ পৰিয়াল অথবা ঘৰ-সংসাৰৰ লগতে আপোনজনৰ পৰা আঁতৰি দেশৰ স্বাৰ্থত, জনসাধাৰণৰ স্বাৰ্থত নিজৰ জীৱনটোকো তুচ্ছ কৰিছে আৰু আমি মানুহবোৰে ঘৰতে থাকি ইজনে-সিজনক হত্যা-হিংসা, পৰচৰ্চা, লুণ্ঠন, ধৰ্ষণ আদি অপৰাধসমূহ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। কিমান বিবেকশূন্য হৈ পৰিছোঁ আমিবোৰ সৌদিনা বাতৰিৰ শিৰোনাম দখল কৰা এটা খবৰে হৃদয়খন কঁপাই তুলিলে। বৃদ্ধ দাম্পত্যিক ঘৰৰে সহায়ক হিচাপে থকা এজন ল'ৰাই হত্যা কৰিছে। কেইটামান টকাৰ কাৰণে যদি ঘৰৰ গৃহস্থৰ এনে দশা হয়, তেনেদৰে বিশ্বাস নামৰ শব্দটোৰ মূল্যই বা থাকিল ক'ত?

বৰ্তমান সময়বোৰ কোনদিশে গতি কৰিছে তাৰ কোনো লেখ-জোখেই নোহোৱা হৈছে। বৰ্তমান সময়ত জীৱ-জন্তুক বিশ্বাস কৰিব পাৰিলেও এই মানুহ নামৰ প্ৰাণীবোৰক বিশ্বাসত ল'ব নোৱাৰা এক পৰ্যায় আহি পাইছে। কোনে-ক'ত-কেতিয়া-কাৰ হাতত প্ৰাণ দিবলগীয়া হয় তাৰ কোনো পাৰাপাৰ নোহোৱা হৈছে।

সমাজৰ প্ৰতিজন মানুহলৈ আহ্বান জনাও যে সজাগ হওক, সচেতন হওক লগতে মানুহক বিশ্বাস কৰোঁতে দহবাৰ চিন্তা কৰক। নহলে আমাৰ নিজৰ লগতে উত্তৰ প্ৰজন্মৰে কি ভুগিবলগীয়া হ'ব সেইটোহে বৰ ডাঙৰ চিন্তাৰ বিষয় হৈ পৰিছে।

ঠিকনা ঃ গুৱাহাটী

# বৌদ্ধ, জৈন আৰু হিন্দু ধৰ্ম ঃ সমন্বয়ৰ সুৰ

**চন্দন কুমাৰ নাথ**

ভাৰতবৰ্ষৰ ধৰ্মীয় ইতিহাস এখন বিশাল আৰু ৰঙীন তাঁতশালৰ দৰে, য'ত বিভিন্ন ধৰ্মৰ সূতা একেলগে জড়িত হৈ এক অপূৰ্ব ছবিৰ সৃষ্টি কৰিছে। এই তাঁতশালৰ অন্যতম গুৰুত্বপূৰ্ণ সূতা হৈছে হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্ম। এই তিনিওটা ধৰ্মৰ উৎপত্তি ভাৰতবৰ্ষৰ মাটিত, আৰু ইয়াৰ মাজৰ সম্পৰ্ক এটা জটিল তথাপি মধুৰ সহাৱস্থানৰ কাহিনী। হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ উৎপত্তি খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ আশে-পাশে ভাৰতবৰ্ষৰ পুৰণি ধৰ্মীয় আৰু সামাজিক পৰিৱেশত। হিন্দু ধৰ্মৰ শিপা বৈদিক যুগৰ পৰা আৰম্ভ হৈছিল, যেতিয়া ঋগ্বঞ্জদ, যজুৰ্বেদ আদি গ্ৰন্থৰ মাধ্যমত ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ ভিত্তি গঢ় লৈছিল। কিন্তু এই বৈদিক ধৰ্মৰ জটিল যজ্ঞ-অনুষ্ঠান আৰু ব্ৰাহ্মণ্যবাদৰ প্ৰভাৱৰ ফলত সমাজৰ কিছু অংশত অসন্তোষৰ সৃষ্টি হৈছিল। এই সময়তেই গৌতম বুদ্ধ আৰু মহাবীৰৰ দৰে মহান দাৰ্শনিকৰ আৱিৰ্ভাৱ ঘটে, যিয়ে সমাজৰ সৰলীকৰণ আৰু সংস্কাৰৰ পথ দেখুৱাইছিল।

বৌদ্ধ ধৰ্মৰ প্ৰতিষ্ঠাপক গৌতম বুদ্ধৰ জন্ম খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত লুম্বিনীত। তেওঁৰ শিক্ষাৰ কেন্দ্ৰবিন্দু আছিল চাৰি আৰ্য সত্য আৰু অষ্টাংগিক পথ, যিয়ে মানুহক দুখৰ পৰা মুক্তিৰ পথ দেখুৱাইছিল। তেওঁ বৈদিক যজ্ঞ-অনুষ্ঠান আৰু জাতিবাদৰ বিৰোধিতা কৰিছিল, যাৰ ফলত তেওঁৰ ধৰ্মই সাধাৰণ মানুহৰ মাজত বিপুল জনপ্ৰিয়তা লাভ কৰিছিল। একেদৰে, জৈন ধৰ্মৰ প্ৰতিষ্ঠাপক মহাবীৰ (বৰ্ধমান)ই অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য আৰু অপৰিগ্ৰহৰ ওপৰত গুৰুত্ব দিছিল। জৈন ধৰ্মই আত্মাৰ মুক্তিৰ পথ হিচাপে কঠোৰ তপস্যা আৰু নৈতিক জীৱনৰ ওপৰত জোৰ দিছিল। বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মক প্ৰায়ে হিন্দু ধৰ্মৰ সংস্কাৰমূলক শাখা হিচাপে দেখা যায়, কাৰণ এই তিনিওটা ধৰ্মই কৰ্ম, পুনৰ্জন্ম আৰু মোক্ষৰ ধাৰণাক গুৰুত্ব দিয়ে। হিন্দু ধৰ্মত বেদ, উপনিষদ আৰু ভগৱদ্গীতাৰ দৰে গ্ৰন্থই আত্মাৰ অমৰত্ব আৰু ঈশ্বৰৰ সৈতে একত্বৰ কথা কয়। বৌদ্ধ ধৰ্মই আত্মাৰ ধাৰণাক অস্বীকাৰ কৰে আৰু নিৰ্বাণক জীৱনৰ চূড়ান্ত লক্ষ্য হিচাপে গণ্য কৰে কিন্তু জৈন ধৰ্মই আকৌ আত্মাৰ অস্তিত্বত বিশ্বাস কৰে আৰু তাক কৰ্মৰ বন্ধনৰ পৰা মুক্ত কৰাৰ কথা কয়। এই দাৰ্শনিক পাৰ্থক্যৰ মাজতো তিনিওটা ধৰ্মৰ মাজত সাধাৰণ নৈতিক মূল্যবোধৰ উপস্থিতি লক্ষণীয়। উদাহৰণস্বৰূপে, অহিংসাৰ ধাৰণা জৈন ধৰ্মৰ মূল ভিত্তি হ'লেও, বৌদ্ধ ধৰ্ম আৰু হিন্দু ধৰ্মতো ইয়াৰ গুৰুত্ব আছে। হিন্দু ধৰ্মৰ যোগ আৰু সাংখ্য দৰ্শনত অহিংসাৰ কথা উল্লেখ আছে, আৰু বৌদ্ধ ধৰ্মতো পঞ্চশীলৰ প্ৰথম নীতি হৈছে প্ৰাণীহিংসাৰ পৰা বিৰত থকাৰ কথা কয়। এইদৰে, তিনিওটা ধৰ্মই জীৱনৰ প্ৰতি সন্মান আৰু নৈতিকতাৰ ওপৰত গুৰুত্ব দিয়ে।

*ইতিহাসৰ পাতত চালে দেখা যায় যে হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মই পৰস্পৰৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। বৌদ্ধ ধৰ্মৰ জনপ্ৰিয়তা বৃদ্ধিৰ ফলত হিন্দু ধৰ্মতো কিছু সংস্কাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল। উদাহৰণস্বৰূপে, বৈদিক যজ্ঞৰ জটিলতাৰ পৰিৱৰ্তে ভক্তি মাৰ্গৰ উত্থান ঘটিছিল, য'ত বিষ্ণু, শিৱ আৰু অন্যান্য দেৱ-দেৱীৰ প্ৰতি ভক্তিৰ মাধ্যমেৰে মোক্ষৰ পথ বিচাৰি উলিওৱা হৈছিল। এই ভক্তি মাৰ্গৰ সৰলতাৰ পিছত বৌদ্ধ ধৰ্মৰ প্ৰভাৱৰ ছাপ স্পষ্ট। একেদৰে, জৈন ধৰ্মৰ অহিংসাৰ ধাৰণাই হিন্দু ধৰ্মৰ বিভিন্ন সম্প্ৰদায়ৰ ওপৰত প্ৰভাৱ পেলাইছিল।*

ইতিহাসৰ পাতত চালে দেখা যায় যে হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মই পৰস্পৰৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। বৌদ্ধ ধৰ্মৰ জনপ্ৰিয়তা বৃদ্ধিৰ ফলত হিন্দু ধৰ্মতো কিছু সংস্কাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল। উদাহৰণস্বৰূপে, বৈদিক যজ্ঞৰ জটিলতাৰ পৰিৱৰ্তে ভক্তি মাৰ্গৰ উত্থান ঘটিছিল, য'ত বিষ্ণু, শিৱ আৰু অন্যান্য দেৱ-দেৱীৰ প্ৰতি ভক্তিৰ মাধ্যমেৰে মোক্ষৰ পথ বিচাৰি উলিওৱা হৈছিল। এই ভক্তি মাৰ্গৰ সৰলতাৰ পিছত বৌদ্ধ ধৰ্মৰ প্ৰভাৱৰ ছাপ স্পষ্ট। একেদৰে, জৈন ধৰ্মৰ অহিংসাৰ ধাৰণাই হিন্দু ধৰ্মৰ বিভিন্ন সম্প্ৰদায়ৰ ওপৰত প্ৰভাৱ পেলাইছিল। বিশেষকৈ বৈষ্ণৱ সম্প্ৰদায়ত নিৰামিষ ভোজনৰ প্ৰতি গুৰুত্ব আৰু প্ৰাণীৰ প্ৰতি দয়াৰ ভাৱ জৈন ধৰ্মৰ পৰা প্ৰভাৱিত। আনহাতে, হিন্দু ধৰ্মৰ বৈচিত্ৰ্য আৰু গ্ৰন্থৰ সমৃদ্ধিয়ে বৌদ্ধ আৰু জৈন ধৰ্মকো সমৃদ্ধ কৰিছিল। বৌদ্ধ ধৰ্মৰ মহাযান শাখাত দেৱ-দেৱীৰ ধাৰণা আৰু মন্দিৰ পূজাৰ প্ৰচলনত হিন্দু ধৰ্মৰ প্ৰভাৱ দেখা যায়। ইতিহাসত এনে কিছু সময়ো আহিছিল যেতিয়া এই ধৰ্মসমূহৰ মাজত সংঘাতৰ কথা শুনা যায়। বিশেষকৈ মধ্যযুগত কিছু হিন্দু ৰজাৰ শাসনকালত বৌদ্ধ ধৰ্মৰ পতনৰ কথা উল্লেখ পোৱা যায়। কিন্তু এই সংঘাতৰ কাহিনীতকৈ সহাৱস্থানৰ কাহিনী বেছি প্ৰকট। মৌৰ্য সম্ৰাট অশোকৰ সময়ত বৌদ্ধ ধৰ্মই ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা লাভ কৰিছিল, কিন্তু তেওঁ হিন্দু আৰু জৈন ধৰ্মকো সমান সন্মান জনাইছিল। একেদৰে, গুপ্ত যুগত হিন্দু ধৰ্মৰ পুনৰুত্থানৰ সময়তো বৌদ্ধ আৰু জৈন বিহাৰসমূহে সমৃদ্ধি লাভ কৰিছিল।

আচলতে, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মই ভাৰতীয় সমাজত পূৰ্বৰে পৰাই গভীৰ প্ৰভাৱ পেলাই আহিছে। বৌদ্ধ ধৰ্মই জাতিবাদৰ বিৰোধিতা কৰি সকলো শ্ৰেণীৰ মানুহক একত্ৰিত কৰাৰ প্ৰয়াস কৰিছিল আৰু বৌদ্ধ বিহাৰসমূহ শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি উঠিছিল, য'ত নালন্দা আৰু তক্ষশীলাৰ দৰে বিশ্ববিদ্যালয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিছিলে। জৈন ধৰ্মই আকৌ ব্যৱসায়ী সম্প্ৰদায়ৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰিছিল, আৰু তেওঁলোকৰ অহিংসাৰ নীতিয়ে ব্যৱসায়ৰ নৈতিকতাত প্ৰভাৱ পেলাইছিল। হিন্দু ধৰ্মই এই দুয়োটা ধৰ্মৰ সৈতে মিলি ভাৰতীয় সংস্কৃতিৰ বিভিন্ন দিশত যোগদান কৰিছিল। শিল্প, স্থাপত্য আৰু সাহিত্যত এই তিনিওটা ধৰ্মৰ অৱদান অমৰ। অজন্তা-ইলোৰাৰ গুহা, সাঁচীৰ স্তূপ আৰু জৈন মন্দিৰৰ জটিল কাৰুকাৰ্যই এই ধৰ্মসমূহৰ শৈল্পিক সমন্বয়ৰ পৰিচয় দিয়ে। সাহিত্যতো বৌদ্ধ জাতক কথা, জৈন আগম গ্ৰন্থ আৰু হিন্দু পুৰাণৰ মাজত সাধাৰণ নৈতিক কাহিনীৰ প্ৰভাৱ দেখা যায়। আধুনিক ভাৰতত এই তিনিওটা ধৰ্মই নিজৰ পৰিচয় বজাই ৰাখিছে, কিন্তু ইয়াৰ মাজৰ সহাৱস্থানৰ চেতনা এতিয়াও জীয়াই আছে। মহাত্মা গান্ধীৰ দৰে নেতাসকলে জৈন ধৰ্মৰ অহিংসাৰ নীতিৰ পৰা প্ৰেৰণা লাভ কৰিছিল, যিয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বৌদ্ধ ধৰ্মই ডং ভীমৰাও আম্বেদকাৰৰ নেতৃত্বত নৱোদয় লাভ কৰে, যেতিয়া তেওঁ লাখ লাখ দলিত লোকক বৌদ্ধ ধৰ্ম গ্ৰহণৰ পথ দেখুৱাইছিল। হিন্দু ধৰ্মই নিজৰ বৈচিত্ৰ্যৰ মাজত বৌদ্ধ আৰু জৈন ধৰ্মৰ কিছু দিশক গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে, বহু হিন্দু মন্দিৰত বুদ্ধক বিষ্ণুৰ অৱতাৰ হিচাপে গণ্য কৰা হয়। জৈন ধৰ্মৰ তীৰ্থংকৰসকলৰ প্ৰতি হিন্দু সম্প্ৰদায়ৰ মাজতো সন্মান প্ৰকাশ কৰা হয়। এই সমন্বয়ৰ মনোভাৱে ভাৰতীয় সমাজৰ ধৰ্মীয় সহিষ্ণুতাৰ পৰিচয় দিয়ে।

হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ সম্পৰ্ক এটা সুমধুৰ সহযোগিতাৰ কাহিনী। এই ধৰ্মসমূহে পৰস্পৰৰ পৰা শিকিছে, একে আনৰ ওপৰত প্ৰভাৱ পেলাইছে আৰু ভাৰতীয় সংস্কৃতিৰ সমৃদ্ধিৰ ক্ষেত্ৰত অৱদান আগবঢ়াইছে। তিনিওটা ধৰ্মৰ মাজত থকা দাৰ্শনিক আৰু সামাজিক পাৰ্থক্যই ইয়াৰ বৈচিত্ৰ্যক হ্ৰাস কৰা নাই, বৰঞ্চ ইয়াক অধিক গভীৰ আৰু সমৃদ্ধ কৰিছে। আজিৰ দিনতো এই ধৰ্মসমূহৰ সহাৱস্থান ভাৰতৰ ধৰ্মীয় সমন্বয়ৰ প্ৰতীক হৈ আছে। এই তিনিওটা ধৰ্মই আমাক শান্তি, অহিংসা আৰু নৈতিক জীৱনৰ পথ দেখুৱাইছে, যিটো আমাৰ সমাজৰ বাবে আজিও প্ৰাসংগিক।

ফোন ঃ ৯১৩২৮-৪৯৭২৬

# ক্ৰমবৰ্ধমান উৎসৱ প্ৰৱণতাৰ কৱলত অসমীয়া সমাজ ব্যৱস্থা

**ৰশ্মি ৰাণী বৈশ্য**

অতি প্ৰাচীন কালৰে পৰা আমাৰ সমাজত বিভিন্ন পৰম্পৰা তথা উৎসৱ পাৰ্বনৰ প্ৰচলন হৈ আহিছে। উৎসৱ পাৰ্বনবোৰে সমাজত একতাৰ বান্ধোন সুদৃঢ়কৰাত সহায় কৰে। সেয়ে এইবোৰ সমাজৰ সকলো শ্ৰেণীৰ মানুহে সুন্দৰকৈ নিজৰ সামৰ্থ্য অনুসৰি পালন কৰি আহিছে। শান্তিপূৰ্ণভাৱে, একাগ্ৰচিত্তে মানুহে উৎসৱ পাৰ্বনবোৰ পালন কৰিছিল, নাছিল তাত কোনো বাহ্যিকতাৰ পয়োভৰ। সেয়েহে উৎসৱ পাৰ্বন তথা পৰম্পৰাবোৰ পালন কৰোঁতে সমাজৰ ধনী দুখীয়া কোনোৱে আৰ্থিক সংকটৰ সন্মুখীন হোৱা নাছিল। কিন্তু বৰ্তমান এখন বিপৰীত প্ৰতিচ্ছৱিয়ে ভৱিষ্যত প্ৰজন্মলৈ এক অশুভ ইংগিত বহন কৰিছে। স্বীকাৰ কৰিব লাগিব যে উৎসৱ পাৰ্বনৰ যোগেদি সমাজত মিলাপ্ৰীতি আৰু একতাৰ ভাব গঢ়ি উঠে। ই সমাজত চলি থকা সংস্কৃতিও ৰক্ষা কৰে। কিন্তু অত্যধিক উৎসৱপ্ৰৱন মানসিকতাই আমাৰ উঠি অহা প্ৰজন্মক ক্ৰমাৎ যেন অধ্যয়নবিমুখ, আমোদপ্ৰিয় আৰু কৰ্মবিমুখ কৰি তুলিছে। অসমীয়া মানুহৰ উৎসৱ প্ৰৱন মানসিকতা এনে হাৰত বৃদ্ধি পাইছে যে এতিয়া এদিনীয়া উৎসৱবোৰো তিনিদিনীয়া হ'ল। মুঠতে আমি যেন উৎসৱৰ আনন্দতে মচগুল হৈ থাকিব বিচৰা হ'লো। জাতিটোৰ বাবে এয়া খুবেই পৰিতাপৰ কথা। যাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত। শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ ফলস্বৰূপে তেওঁলোক যেন ক্ৰমাৎ অধ্যয়ন বিমুখ হৈ পৰিছে। গাওঁ অঞ্চলত ইয়াৰ কুপ্ৰভাৱ অলপ বেছিকৈয়ে পৰিছে। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ কোনো যেন চিন্তিত নহয়। এফালে মুদ্ৰাস্ফীতি আনফালে অসমীয়া মানুহৰ উৎসৱপ্ৰৱণ মানসিকতা যিয়ে মধ্যবিত্ত তথা দুখীয়া মানুহখিনিক আৰ্থিকভাৱে কোঙা কৰাৰ উপক্ৰম হৈছে। আজিকালি বিয়াবোৰো উৎসৱমুখী হ'ল। বিয়া সবাহৰ আকাশলঙঘী জাকজমকতা তথা আঢ্যৱন্ত লোকৰ বিয়াৰ বাজেট, খৰচৰ উৰ্ধমুখী ব্যয়ে সমাজৰ মধ্যবিত্ত আৰু দুখীয়া লোকৰ ওপৰত বেয়াকৈ প্ৰভাৱ পেলাইছে। ময়ূৰক দেখি শালিকাই পেখন ধৰাৰ দৰে আৰ্থিকভাৱে দুৰ্বল খিনিয়েও ধনীক শ্ৰেণীৰ লগত ফেৰ মাৰিবলৈ গৈ ঋণগ্ৰস্ততাৰ কবলত পৰিবলগীয়া হৈছে। ঋণগ্ৰস্ততাৰে ককবকাই একাংশই কিছুমান অনৈতিক কামতো লিপ্ত হোৱা দেখা গৈছে। আনফালে একাংশই পৰিত্ৰাণৰ উপায় নেদেখি আত্মহত্যাৰ পথো বাছি লৈছে। আজিকালি বিয়াবোৰত ৰীতি-নীতি, পৰম্পৰাক একাশৰীয়াকৈ থৈ ব্যয়বহুল অলংকাৰ, ৰভাতলী, বহিৰাগত খাদ্য তালিকাৰ যেন অঘোষিত প্ৰতিযোগিতা। দেখি শুনি এনে লাগে যেন সন্তানৰ বিয়াখন ধুমধামেৰে পতাৰ বাবেহে মাক বাপেকে গোটেই জীৱনটো সঞ্চয় কৰে। নিজা নীতি-নিয়ম, পৰম্পৰা সকলো জলাঞ্জলি দি আনৰ সংস্কৃতিক আঁকোৱালি লৈ নিজকে বহুত বেছি আধুনিক সজাবলৈ যোৱাটো যেন তেনেই সাধাৰণ কথা হৈ পৰিছে। ফলস্বৰূপে আমি অসমীয়াই আজি নিজৰ ঠাইতে নিজেই পৰিচয় হেৰুৱাৰ উপক্ৰম হৈছো। সমাজত এটা সময় আছিল যি সময়ত পৰিয়ালত নিজ কন্যা সন্তানক শৈশৱৰে পৰা ঘৰুৱা কামকাজৰ সমান্তৰালকৈ বোৱাকটা সকলো কামতে পাৰ্গত কৰিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু বৰ্তমান সেইবোৰ কথালৈ গুৰুত্ব নিদি কেৱল বাহ্যিকতাকহে প্ৰাধান্য দিয়াৰ ফলস্বৰূপে সমাজত কিছুমান নিত্য নতুন ঘটনা ঘটিবলৈ লৈছে। বিবাহ-বিচ্ছেদৰ ঘটনাও ক্ৰমান্বয়ে সমাজত বৃদ্ধি পাবলৈ লৈছে। গতিকে ভৱিষ্যৎ প্ৰজন্মলৈ এখন সুন্দৰ, সুস্থ-সমাজ এৰি যাবলৈ হ'লে আমি অভিভাৱকসকল সজাগ হোৱাৰ সময় সমাগত। পৰিকল্পিত বাজেট প্ৰস্তুত কৰি অৰ্থাৎ নিজৰ সামৰ্থ্য অনুসৰি সন্তানক লালন-পালন কৰাত গুৰুত্ব দিব লাগিব। সৰুৰে পৰা সঞ্চয়ৰ প্ৰৱণতা বৃদ্ধি তথা স্বাৱলম্বিতাৰ শিক্ষা প্ৰদান কৰিব লাগিব। অযথা বাহ্যিকতা পৰিহাৰ কৰি বিয়াসবাহ বা অন্য উৎসৱাদি অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰিও আমি আমাৰ পৰম্পৰা সমূহ ৰক্ষা কৰিব পাৰো। অভিভাৱক সকলৰ লক্ষ্য হোৱা উচিত নিজ সন্তানক প্ৰকৃত মানব সম্পদ হিচাপে গঢ়ি তুলি সমাজ বা দেশলৈ উপহাৰ হিচাপে দিয়া। কিয়নো পৰিয়াল, সমাজ অৰ্থনৈতিকভাৱে টনকিয়াল হ'লেহে আমাৰ দেশখন টনকিয়াল হ'ব।

*শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ ফলস্বৰূপে তেওঁলোক যেন ক্ৰমাৎ অধ্যয়ন বিমুখ হৈ পৰিছে। গাওঁ অঞ্চলত ইয়াৰ কুপ্ৰভাৱ অলপ বেছিকৈয়ে পৰিছে। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ কোনো যেন চিন্তিত নহয়। এফালে মুদ্ৰাস্ফীতি আনফালে অসমীয়া মানুহৰ উৎসৱপ্ৰৱণ মানসিকতা যিয়ে মধ্যবিত্ত তথা দুখীয়া মানুহখিনিক আৰ্থিকভাৱে কোঙা কৰাৰ উপক্ৰম হৈছে। আজিকালি বিয়াবোৰো উৎসৱমুখী হ'ল।*

ঠিকনা ঃ শুৱালকুছি

# মানৱতা আৰু আধুনিক সমাজত ইয়াৰ প্ৰয়োজনীয়তা

**ডাঃ মৃণাল দাস**

মানৱতা হৈছে ঈশ্বৰৰ প্ৰতি আটাইতকৈ পবিত্ৰ প্ৰাৰ্থনা। কেৱল শাৰীৰিক উপাসনা আৰু আচাৰ-অনুষ্ঠানেৰে নহয় দয়া, মৰম, আৰু সহানুভূতিৰ কাৰ্যই ঈশ্বৰৰ লগত সংযোগ স্থাপন কৰে। যেতিয়া আমি এগৰাকী দুখীয়া লোকক সহায় কৰোঁ, বিপদত পৰা ব্যক্তিৰ কাষত থিয় দিওঁ, বা ন্যায়ৰ বাবে যুঁজ কৰোঁ, তেতিয়া আমি মানৱতাৰ আচল ৰূপ প্ৰকাশ কৰোঁ। এই নিৰ্লোভ কৰ্মবোৰেই পবিত্ৰ প্ৰাৰ্থনাৰ ৰূপ লয়, যি ঈশ্বৰৰ ইচ্ছাৰ সৈতে একাত্ম হয়। সেয়েহে, মানৱতাৰ জৰিয়তে আমি ঈশ্বৰৰ আটাইতকৈ ওচৰত উপনীত হ'ব পাৰোঁ।

''মানৱতা'' - আমাৰ সকলোতকৈ মূল্যবান গুণ, যাৰ মূল আধাৰ হৈছে দয়া, সহানুভূতি আৰু অন্যৰ অনুভৱ বুজি সেই অনুসাৰে আচৰণ কৰাৰ ক্ষমতা। এতিয়া বিশ্ব যিহেতু প্ৰযুক্তি, প্ৰতিযোগিতা আৰু ভৌতিক সুখৰ দ্বাৰা প্ৰভাৱিত হৈছে, তেনে সময়ত সমাজৰ স্থিতিশীলতা আৰু সমৃদ্ধিৰ বাবে মানৱতাৰ প্ৰয়োজন অধিক বৃদ্ধি পাইছে। মানৱতাই আমাৰ মাজত সম্প্ৰীতি গঢ়ি তোলে, একে অনুভূতিৰ সৃষ্টি কৰে আৰু একতাবদ্ধ সমাজৰ নিৰ্মাণত সহায় কৰে।

যিহেতুকে আধুনিক সমাজত মানৱতাৰ গুৰুত্ব অপৰিসীম। সহানুভূতি আৰু একে অনুভৱৰ সৃষ্টি মানৱতাই আমাৰ মাজত থকা ধৰ্ম, জাতি, ভাষা আৰু সাম্প্ৰদায়িক ভিন্নতাক উপেক্ষা কৰি সকলোৰে প্ৰতি একে অনুভৱ আৰু সন্মানৰ সৃষ্টি কৰে বা কৰিব পাৰে। ই আমাক দয়া, সন্মানৰ সৈতে আচৰণ কৰিবলৈ অনুপ্ৰেৰণা দিয়ে আৰু সহানুভূতিয়ে সমাজত বিভাজনসমূহ কমাই দিয়ে ফলত অনুভৱৰ ভেটি মজবুত হয়।

বিশ্বৰ নানা প্ৰান্তত সংঘাত আৰু বিভাজনৰ মাজত, মানৱতাই এক বৃহৎ শক্তি ৰূপে কাম কৰে। দয়াই উত্তেজনাক হ্ৰাস কৰি সংঘাতৰ পৰিৱৰ্তে শান্তি স্থাপন কৰিব পাৰে। সেয়ে মানৱতা আগত ৰাখি সমাজৰ সমস্যাসমূহ আলোচনাৰ মাধ্যমৰে সমাধান কৰা হয়, যিয়ে শান্তি আৰু সম্প্ৰীতিৰ পথ সুগম কৰে।

মানৱতাৰ প্ৰভাৱ সংকটৰ সময়ত সৰ্বাধিক পৰিলক্ষিত হয়। প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী বা অন্য বিপদৰ সময়ত, একেলগে সহায় আগবঢ়োৱাৰ বাবে মানুহৰ সক্ৰিয় অংশগ্ৰহণ মানৱতাৰ উৎকৃষ্ট উদাহৰণ। দান, স্বেচ্ছাসেৱা বা মাথোঁ এক উৎসাহজনক বাক্যই ও বিপদগ্ৰস্ত লোকসকলক উৎসাহিত কৰে।

মানৱতাই ন্যায়সংগত সমাজৰ গঠন কৰে। মানৱতাৰ জৰিয়তে আমি একোটা সমাজ গঢ়িব পাৰো, য'ত সকলোৰে সমঅধিকাৰ থাকে।

বস্তুগত সম্পত্তিৰ প্ৰতি অতিমাত্ৰা লিপ্সাই মানুহৰ মাজৰ নৈতিকতা আৰু দয়াৰ গুণাবলী হ্ৰাস কৰিছে। ব্যক্তিগত সফলতাৰ বাবে মানুহে বহু সময়ত সামাজিক কল্যাণ উপেক্ষা কৰে।

প্ৰযুক্তিয়ে আমাক বহু ক্ষেত্ৰত সংযোগ স্থাপন কৰাৰ সুযোগ দিলেও, ই মানুহৰ মাজৰ অনুভৱী সংযোগ হ্ৰাস কৰিছে। ছচিয়েল মিডিয়াৰ প্ৰভাৱত বহু সময়ত সম্পৰ্কসমূহ মাত্ৰ আৱৰণত সীমাবদ্ধ হৈ পৰিছে। আজিৰ সমাজত সংস্কৃতি, ধৰ্ম আৰু ৰাজনৈতিক মতভেদৰ বাবে মানুহৰ মাজত বিভাজন বৃদ্ধি পাইছে। এই বিভাজনে একতা আৰু মানৱতাৰ মূলতত্ত্বক হ্ৰাস কৰে আৰু উদাসীনতা সৃষ্টি কৰে।

আধুনিক জীৱনধাৰাৰ ব্যস্ততা আৰু ব্যক্তিস্বাৰ্থকেন্দ্ৰিক মনোভাৱৰ বাবে আজিৰ সমাজত বহু মানুহে আনৰ কষ্টৰ প্ৰতি উদাসীন হৈ পৰা দেখা যায়। মানৱতাৰ পুনৰুজ্জীৱনৰ বাবে আমি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দয়া আৰু সহানুভূতিৰ গুণাবলী শিক্ষাৰ প্ৰচাৰ কৰিব লাগিব। পৰিয়াল আৰু শিক্ষা ব্যৱস্থাই এই মূল্যবোধসমূহ গঢ়িবলৈ গুৰুত্ব দিব লাগে। স্বেচ্ছাসেৱা আৰু সমাজ সেৱাৰ যোগেদি মানুহে আনৰ জীৱনৰ লগত সংযোগ স্থাপন কৰিব পাৰে। সেয়েহে দান, সুৰক্ষা বা পোনপটীয়াকৈ সহায় আগবঢ়োৱাই মানৱতাৰ গুৰুত্ব প্ৰমাণ কৰিব লাগে।

মানৱতাৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে উদাৰ মনোভাৱৰ সৈতে জীৱন যাপন। আনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি আৰু সহায় আগবঢ়াই মানৱতাৰ আচল অৰ্থ উপলব্ধি কৰিব পাৰি। মানৱতা সমাজৰ মজবুত কৰাৰ ভেটি। ই আমাৰ একতাক মজবুত কৰি আনন্দময় আৰু ন্যায়সঙ্গত সমাজ গঠন কৰাত সহায় কৰে। আজিৰ এই ব্যস্ত আৰু বিভাজিত পৃথিৱীত মানৱতাৰ অনুশীলন মাত্ৰ এক প্ৰয়োজন নহয়, ই এক নৈতিক দায়িত্ব। দয়া, সহানুভূতি আৰু মৰমৰ জৰিয়তে আমি আমাৰ সমাজক এক সুন্দৰ স্থানলৈ পৰিণত কৰিব পাৰোঁ। সেয়ে, আমি মানৱতাৰ মূলমন্ত্ৰৰ সৈতে আগবাঢ়ি পৃথিৱীক মঙ্গলময় কৰি তুলিব পাৰো।

*মানৱতাৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে উদাৰ মনোভাৱৰ সৈতে জীৱন যাপন। আনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি আৰু সহায় আগবঢ়াই মানৱতাৰ আচল অৰ্থ উপলব্ধি কৰিব পাৰি। মানৱতা সমাজৰ মজবুত কৰাৰ ভেটি। ই আমাৰ একতাক মজবুত কৰি আনন্দময় আৰু ন্যায়সঙ্গত সমাজ গঠন কৰাত সহায় কৰে। আজিৰ এই ব্যস্ত আৰু বিভাজিত পৃথিৱীত মানৱতাৰ অনুশীলন মাত্ৰ এক প্ৰয়োজন নহয়, ই এক নৈতিক দায়িত্ব। দয়া, সহানুভূতি আৰু মৰমৰ জৰিয়তে আমি আমাৰ সমাজক এক সুন্দৰ স্থানলৈ পৰিণত কৰিব পাৰোঁ।*

ঠিকনা ঃ পাঠশালা

# জ্যোতিপ্ৰসাদৰ নাট্যসৃষ্টিৰ বৈশিষ্ট্য

✍ হিমাংশু ৰঞ্জন ভূঞা

> জ্যোতিপ্ৰসাদৰ নাট্যসৃষ্টিৰ ক্ষেত্ৰত মন কৰিবলগীয়া এটা দিশ হ'ল বিষয়বস্তু। একমাত্ৰ 'লভিতা'খনৰ বাহিৰে আন প্ৰতিখন নাটকৰে বিষয়বস্তু 'কাল্পনিক' অথবা 'পৌৰাণিক'। 'কাল্পনিক' অথবা 'পৌৰাণিক' মানেই অবাস্তৱ নহয়। সমকালীন অসমীয়া সাহিত্যধাৰাত যি ধৰণৰ কাহিনী বা বিষয়বস্তুৰ আধাৰত নাটক ৰচনা কৰা হৈছিল, জ্যোতিপ্ৰসাদৰ নাটক সেই ধাৰাৰ পৰা পৃথক। শোণিত কুঁৱৰীৰ বিষয়বস্তু যদিও তেজপুৰকেন্দ্ৰিক এটা বহুল প্ৰচলিত পৌৰাণিক আখ্যানৰ ভিত্তিত গঢ় দিয়া হৈছে, তথাপি ইয়াৰ মাজত সমকালীন নাট্যধাৰাৰ ৰোমাণ্টিকধৰ্মী ভাবাবেগ দেখা নাযায়। নাটকখনত হৰি-হৰৰ যুদ্ধৰ কথা আছে, কিন্তু হৰি-হৰৰ যুদ্ধ (বীৰ ৰসাত্মক, বহু সময়ত ধৰ্মীয় মতাদৰ্শগত) ইয়াত প্ৰধান বিষয় নহয়; নাট্যবস্তুত গুৰুত্ব পাইছে উষা-অনিৰুদ্ধৰ প্ৰণয় কাহিনীয়েহে।

**এ**ক কথাত ক'ব পাৰি, জ্যোতিপ্ৰসাদৰ আটাইকেইখন নাটকেই সামগ্ৰিকভাৱে অসমীয়া সাংস্কৃতিক জগতত অভিনৱ সৃষ্টি। এই অভিনৱত্বৰ আধাৰ হ'ল- জ্যোতিপ্ৰসাদৰ মৌলিকতা আৰু শিল্পভাৱনা। বিষয়বস্তু নিৰ্বাচন, উপস্থাপন, ভাষা, পৰিকল্পনা, সঙ্গীত, মঞ্চ নিৰ্দেশনা আৰু এই সামগ্ৰিকতাৰ মাজত উজলি থকা জ্যোতিদৰ্শনৰ পৰিচ্ছন্ন প্ৰকাশৰ মাজত অসমীয়া নাট্য সাহিত্যৰ ধাৰাত জ্যোতিপ্ৰসাদে নাটকৰ যি নতুন আদৰ্শ দাঙি ধৰিলে তাৰ মাজেদিয়েই জ্যোতিপ্ৰসাদৰ অবিসংবাদী নাট্য প্ৰতিভা বিচাৰ কৰিব পাৰি। 'শোণিত কুঁৱৰী' ৰ পৰা আৰম্ভ কৰি 'নিমাতী কইনা' লৈকে জ্যোতিপ্ৰসাদে তেওঁৰ কোনোখন নাটকতে পূৰ্বৱৰ্তী নাটকক কোনো প্ৰকাৰে অনুসৰণ কৰা নাই। কিন্তু প্ৰতিখন নাটকতেই বিভিন্ন সম্পৰীক্ষাৰ মাজেদি গঢ় দিয়া জ্যোতিপ্ৰসাদৰ নিজস্ব চিন্তাৰ স্পষ্ট প্ৰকাশ বিদ্যমান। জ্যোতিপ্ৰসাদৰ ভাষণাৱলীত প্ৰকাশিত মৌলিক চিন্তাপ্ৰসূত দৃষ্টিভঙ্গীৰ আধাৰত এনেদৰেও আপুনি ভাবিব পাৰে যে প্ৰতিখন নাটকৰ মাজতে মানুহৰ চিৰন্তন প্ৰবৃত্তিগত দ্বন্দ্বৰ বিচিত্ৰ ৰূপৰ উপস্থাপনৰ মাজেৰে মানৱসত্তাৰ শিল্পী ৰূপটোৰ উত্তৰণ ঘটিছে; দুষ্কৃতিৰ পৰা বিশ্বজনীন চিৰন্তন মানৱসত্তাৰ সংস্কৃতিমুখী যাত্ৰাৰে নাট্যৰূপ এয়া।

জ্যোতিপ্ৰসাদৰ নাট্যসৃষ্টিৰ ক্ষেত্ৰত মন কৰিবলগীয়া এটা দিশ হ'ল বিষয়বস্তু। একমাত্ৰ 'লভিতা'খনৰ বাহিৰে আন প্ৰতিখন নাটকৰে বিষয়বস্তু 'কাল্পনিক' অথবা 'পৌৰাণিক'। 'কাল্পনিক' অথবা 'পৌৰাণিক' মানেই অবাস্তৱ নহয়। সমকালীন অসমীয়া সাহিত্যধাৰাত যি ধৰণৰ কাহিনী বা বিষয়বস্তুৰ আধাৰত নাটক ৰচনা কৰা হৈছিল, জ্যোতিপ্ৰসাদৰ নাটক সেই ধাৰাৰ পৰা পৃথক। শোণিত কুঁৱৰীৰ বিষয়বস্তু যদিও তেজপুৰকেন্দ্ৰিক এটা বহুল প্ৰচলিত পৌৰাণিক আখ্যানৰ ভিত্তিত গঢ় দিয়া হৈছে, তথাপি ইয়াৰ মাজত সমকালীন নাট্যধাৰাৰ ৰোমাণ্টিকধৰ্মী ভাবাবেগ দেখা নাযায়। নাটকখনত হৰি-হৰৰ যুদ্ধৰ কথা আছে, কিন্তু হৰি-হৰৰ যুদ্ধ (বীৰ ৰসাত্মক, বহু সময়ত ধৰ্মীয় মতাদৰ্শগত) ইয়াত প্ৰধান বিষয় নহয়; নাট্যবস্তুত গুৰুত্ব পাইছে উষা-অনিৰুদ্ধৰ প্ৰণয় কাহিনীয়েহে। পৌৰাণিক কাহিনীৰ এক ধৰণৰ নৱনিৰ্মাণৰ দ্বাৰা জ্যোতিপ্ৰসাদে তেওঁ সমকালীন সামাজিক বাস্তৱতাৰ আধাৰত নিজস্ব চিন্তা প্ৰকাশ কৰিছে। সেয়ে পৌৰাণিক আখ্যানত থকাৰ দৰে চিত্ৰলেখা মায়াবিনী নহয়; চিত্ৰলেখা এগৰাকী মানৱী, শিল্পী- সুন্দৰৰ ঠিকনা বিচাৰিব পৰা ৰূপান্তৰৰ শিল্পী। একেদৰে অনিৰুদ্ধক পাবলৈ উষাৰ ব্যাকুলতা- সুন্দৰী গাভৰুৰ প্ৰবৃত্তিগত বাসনা মাত্ৰ নহয়; ই হ'ল মানুহৰ 'অনন্ত অতৃপ্ত' 'চিৰ বিয়াকুল' মানৱ আত্মাৰ প্ৰকাশ। চিৰসুন্দৰৰ প্ৰতি মানৱাত্মাৰ হাবিয়াস- যি চিৰসুন্দৰৰ প্ৰতীক স্বৰূপ অনিৰুদ্ধক দেখি কঠোৰ, দাম্ভিক স্বয়ং বাণ ৰজাইও চমকিত হৈ কৈ উঠিল- 'কি সুন্দৰ!'



'কাৰেঙৰ লিগিৰী' সৰহভাগ সমালোচকৰ মতে জ্যোতিপ্ৰসাদৰ শ্ৰেষ্ঠ নাটক। উপৰুৱা দৃষ্টিত আহোমযুগীয় পৰিৱেশত ৰচনা কৰা এটা সম্পূৰ্ণ কাল্পনিক কাহিনীত এজন ৰাজকোঁৱৰৰ (সুন্দৰ কোঁৱৰ) ৰ প্ৰেমক লৈ সামাজিক সংঘাত তুলি ধৰাই নাটকখনৰ বিষয়বস্তু যেন লাগে। কিন্তু গভীৰভাৱে চালে আপুনি বুজিব পাৰিব ব্যক্তি চেতনাৰ লগত সামাজিক পৰম্পৰাবোধৰ সংঘাতৰ উপৰি 'ব্যক্তি-মানসৰ অন্তৰালত লুকাই থকা মগ্ন চৈতন্যৰ স্বৰূপ' উদঙাই ধৰাহে জ্যোতিপ্ৰসাদৰ উদ্দেশ্য। কাল্পনিক কাহিনীৰ এই নাটকখনক সেয়ে নাট্য সমালোচক পোনা মহন্তই "অসমীয়া মঞ্চ আৰু নাট্য সাহিত্যত সামাজিক সমস্যামূলক, বাস্তৱধৰ্মী আলোচনাত্মক নাটকৰ বাটকটীয়া" বুলি কৈছে। চৰিত্ৰসমূহৰ আদৰ্শগত দ্বন্দ্ব আৰু বৈপৰীত্য ফুটাই তোলাহে যেন নাট্যকাৰৰ উদ্দেশ্য। এই দ্বন্দ্ব আৰু বৈপৰীত্যৰ মাজত মানুহৰ সঙ্কীৰ্ণ সামাজিক পৰিচয়ৰ লগত চিৰন্তন মানৱাত্মাৰ দ্বন্দ্বৰ কথাও মনলৈ আহে। সামাজিক গোড়ামি আৰু প্ৰতিক্ৰিয়াশীলতাৰ বিৰুদ্ধে থিয় দি সুন্দৰ কোঁৱৰে 'লিগিৰী' শেৱালিক বিয়া কৰোৱাৰ সিদ্ধান্ত ঘোষণা কৰিছে। কিন্তু লগে লগে তেওঁ গোটেই সমাজখনক, ৰাইজক লিগিৰী সেই ৰাজৰাণীৰ ওচৰত আঁঠু লোৱাৰ কথা কৈ আত্মম্ভৰী অভিজাত ৰাজকোঁৱৰৰ সঙ্কীৰ্ণ জেদ প্ৰকাশ কৰিছে। প্ৰথমে সুন্দৰ কোঁৱৰে 'মই বিয়া নকৰাওঁ' বুলি যি জেদ কৰিছে তাৰ অৰ্থ বিয়াৰ প্ৰতি অনিচ্ছা নহয়। মাক ৰাজমাওৱে তেওঁৰ পছন্দৰ মতে পুতেকে বিয়া পাতিব লাগিব বোলা জেদ আৰু কোঁৱৰৰ লিগিৰী শেৱালিৰ প্ৰতি দুৰ্বাৰ প্ৰেম- এই দ্বন্দ্বত কোঁৱৰ অস্থিৰ। কোঁৱৰে জানে লিগিৰীৰ প্ৰতি আসক্তি এটা মাৰাত্মক কথা, অথচ সেই আসক্তিৰ পৰা নিজকে মুক্ত কৰিবলৈ অসমৰ্থ। এনে পটভূমিত শেৱালি লিগিৰী হোৱাৰ বাবেও অৱচেতন মনত কোঁৱৰ গভীৰভাৱে অসন্তুষ্ট। মাকৰ প্ৰতি ক্ষোভ আছেই। এই খং আৰু ক্ষোভেই প্ৰকাৰান্তৰে নাৰী বিদ্বেষলৈ ৰূপান্তৰ সৈতে। 'অৰ্থাৎ চমুকৈ ক'বলৈ গ'লে সুন্দৰ হ'ল অৱদমিত (Repressed) খং আৰু প্ৰেমানুভূতিৰ বলি।' এজনক ভাল পাই থাকি আনলৈ বিয়া হোৱাৰ অপৰাধত যি কোঁৱৰে কাঞ্চনমতীক পূৰ্ব প্ৰেমিক অনঙ্গৰামৰ সৈতে অৰণ্যত এৰি আহিছে, সেই কোঁৱৰ নিজে শেৱালিক ভাল পাই কাঞ্চনমতীক বিয়া কৰোৱাৰ একে অপৰাধতে অপৰাধী! এইখন নাটকতো জ্যোতিপ্ৰসাদৰ সংস্কৃতি দৰ্শনৰ প্ৰকাশ ঘটিছে। শেৱালিৰ আত্মবলিদানৰ মাজেদি কোঁৱৰৰ অন্তৰাত্মাৰ উপলব্ধি যিদৰে গভীৰ সঙ্কটে অনা মানৱাত্মাৰ চেতনা জাগৰণৰ ৰূপক একেদৰে কাঞ্চনমতীৰ বিবাহ-প্ৰেম সম্পৰ্কীয় যুক্তি আৰু শেৱালিৰ কোমল, সংযত অথচ আদৰ্শৰ দৃঢ়তাৰ মাজত অন্তৰ সংস্কৃতিৰ স্বৰূপ প্ৰতিভাত হৈছে।

'ৰূপালীম' নাটৰ কাহিনীও কাল্পনিক; সামন্ততান্ত্ৰিক পৰিৱেশত ৰূপায়ণ কৰা প্ৰেম আৰু ক্ষমতাৰ দম্ভৰ দ্বন্দ্বৰ আধাৰত নিৰ্মিত। নাট্যকাৰে পাতনিত উল্লেখ কৰিছে 'নাটকখনৰ উদ্দেশ্য আদৰ্শ চৰিত্ৰ দেখুওৱা নহয়, চৰিত্ৰৰ বৈশিষ্ট্য দেখুওৱাহে। 'ৰূপালীম, মণিমুগ্ধ, ৰুকমী ৰজা, মায়াব', জুনাফা, প্ৰতিটো চৰিত্ৰই মানৱীয় সৰলতা-দুৰ্বলতা, দোষ-গুণেৰে জীৱন্ত। ৰূপালীম-মায়াব'ৰ নিঃস্বাৰ্থ প্ৰেমক মণিমুগ্ধৰ ৰাজকীয় ক্ষমতা আৰু পাৰ্থিৱ শক্তিয়ে নিশ্চিহ্ন কৰিব পৰা নাই। প্ৰকৃত প্ৰেমেৰে উদ্ভাসিত ৰূপালীমৰ ব্যক্তিত্ব আৰু সতীত্ব ৰক্ষাৰ সঙ্কল্পৰ কৰুণ অথচ সবল প্ৰকাশে পাশৱিক শক্তিৰে বলীয়ান মণিমুগ্ধক নীৰস্ত্ৰ কৰি পেলাইছে। 'নিমাতী কইনা' তো দেখা পাওঁ শক্তি, সামৰ্থ্য, সম্পদ আৰু অপৰিশীলিত জীৱন প্ৰৱাহে নিমাতী কইনাৰ মাত উলিওৱাত হাৰ মনাৰ পাছত পাৰ্থিৱ ক্ষেত্ৰত নিঃস্বশিল্পী ৰূপকোঁৱৰৰ গীতে নিজৰ জয় সাব্যস্ত কৰিছে। পৰিশীলিত শিল্পচেতনাৰ কঠোৰ অনুশীলনেৰে সিদ্ধ ৰূপকোঁৱৰেই ৰূপান্তৰৰ মহামন্ত্ৰ। কলা প্ৰদৰ্শন নহয়, সাধনাতহে মানুহৰ উৎকৰ্ষৰ মন্ত্ৰ লুকাই থাকে- সেয়াও ইয়াত উপস্থাপন কৰা হৈছে। উপৰিউক্ত আলোচনাৰ মূল বক্তব্য হ'ল- জ্যোতিপ্ৰসাদৰ প্ৰতিখন নাটকেই জ্যোতিদৰ্শনৰ সচেতন প্ৰকাশ। আলোচ্য নাটককেইখনৰ মাজেদি জ্যোতিপ্ৰসাদে যি এক নাট্যৰীতিৰ সূচনা কৰিলে, লভিতাত তাৰ ব্যতিক্ৰম ঘটিছে। সমসাময়িক ঘটনাৱলীৰ পোনপটীয়া প্ৰতিফলনেৰে এইখনক বাস্তৱবাদী শৈলীৰ নাটক বুলিব পাৰি। নাটকখনৰ নামকৰণ এটি চৰিত্ৰৰ নামেৰে কৰা হ'লেও নাট্যকাৰৰ ভাষাৰেই অসমীয়া ৰাইজেই ইয়াৰ নায়ক। বিয়াল্লিশৰ গণ আন্দোলনত জনতাৰ মৰণপণ অংশগ্ৰহণে জ্যোতিপ্ৰসাদৰ মনত তেওঁৰ 'জনতা'ৰ প্ৰতি শ্ৰদ্ধা পূৰ্বতকৈ বঢ়াই তুলিছিল। সংগ্ৰামী জনতাৰ সম্মিলিত শক্তি আৰু ৰূপান্তৰকামী চেতনাৰ নাট্যৰূপৰ মাজতো জ্যোতিপ্ৰসাদৰ 'শিল্পীৰ পৃথিৱী'ৰ চিন্তাই প্ৰকাশিত হৈছে।

'লভিতা' নাটকখনৰ কেন্দ্ৰীয় চৰিত্ৰ 'লভিতা' তেওঁৰ আনকেইখন নাটকৰ সাহসী নাৰী চৰিত্ৰ কেইটাতকৈ বহুগুণে বেছি আত্মবিশ্বাসী, তেজস্বী আৰু সাহসী। যুগ চেতনাৰে প্ৰগতিশীল লভিতাই যিদৰে নিজৰ প্ৰেমৰ পাত্ৰ গোলাপক 'যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে' বুলি তিৰস্কাৰ কৰিছে, একেদৰে প্ৰথাগত নিয়ম-কানুন, জাত-পাতৰ বিৰুদ্ধেও গৰজি উঠিছে। ইলাহী বক্স চৰিত্ৰৰ মানৱিক ঔজ্জ্বল্যৰে জ্যোতিপ্ৰসাদে ধৰ্মীয় চেতনাৰ ঊৰ্ধ্বত চিৰন্তন মনুষ্যত্ববোধক স্থাপন কৰিছে। বিশিষ্ট সাহিত্যিক, সমালোচক মহেন্দ্ৰ বৰাই লভিতাৰ বিষয়ে কৈছে- "জ্যোতিপ্ৰসাদৰ সকলোবোৰ নাটকৰ ভিতৰত আধুনিকতম পৰীক্ষামূলক আঙ্গিকসমৃদ্ধ, শিল্প চেতনাৰ প্ৰতি অধিকতৰ মূল্য-আৰোপিত সৃষ্টি হিচাপে লভিতা জ্যোতিপ্ৰসাদৰ নাট্যকাৰ জীৱনৰ সাহসিকতম কৃতি। ... লভিতাৰ অন্য এটি বৈশিষ্ট্য হ'ল ইয়াত ৰমন্যাসিকতাৰ পৰিপূৰ্ণ পৰিত্যজন।"

জ্যোতিপ্ৰসাদৰ নাটকসমূহত মন কৰিবলগীয়া দিশ হ'ল নাৰী চৰিত্ৰৰ প্ৰাধান্য। শোণিত কুঁৱৰী, লভিতা, ৰূপালীম, কাৰেঙৰ লিগিৰী, নিমাতী কইনা - প্ৰতিখনৰ নাৰী চৰিত্ৰৰ নামেৰে নামকৰণ কৰা হৈছে। জ্যোতিপ্ৰসাদে সংস্কৃতি-দৰ্শন প্ৰকাশৰ বাবে নাৰী চৰিত্ৰসমূহ বেছি উপযোগী বিবেচনা কৰিছিল। কাৰণ সংস্কৃতিৰ সংৰক্ষণ-সংবৰ্ধন আৰু ৰূপান্তৰত নাৰীৰ তাৎপৰ্যপূৰ্ণ ভূমিকা থাকে। উপৰিউক্ত আলোচনাত আপুনি নিশ্চয় মন কৰিছে, নাটকীয় কথাবস্তু আৰু তাৰ অন্তৰ্নিহিত ভাববস্তু প্ৰকাশত প্ৰতিগৰাকী নাৰী চৰিত্ৰ এক অবিচ্ছেদ্য ৰূপত সংলগ্ন হৈ আছে। প্ৰেমৰ এক উজ্জ্বল আধাৰৰূপে, সামন্তবাদী, সাম্ৰাজ্যবাদী ব্যৱস্থাত সহজে অৱদমিত, লাঞ্ছিত হ'ব পৰা অথচ দেশমাতৃৰ ৰূপকৰূপে মাতৃত্বৰ অপৰিমেয় স্নেহ আৰু দায়বদ্ধতাৰ আধাৰৰূপে চৰিত্ৰবোৰৰ বিচিত্ৰ ৰূপ আৰু বিচৰণ লক্ষণীয়।



জ্যোতিপ্ৰসাদৰ নাটকৰ মাজেদিয়েই পাশ্চাত্য নাট্যচিন্তাৰ সমৃদ্ধ বিচিত্ৰ ধাৰাৰ সচেতন 'অভিযোজনা' অসমীয়া নাটকত পৰিলক্ষিত হ'ল। কিন্তু মনত ৰাখিব লাগিব যে, জ্যোতিপ্ৰসাদ কোনো নাট্যধাৰাৰে অন্ধ অনুকৰণকাৰী নহয়; প্ৰতিখন সৃষ্টিকৰ্মতে মৌলিক নাট্য-চিন্তাক সেই পাশ্চাত্য নাট্যধাৰাৰ সংশ্লেষণে সমৃদ্ধ কৰিছে যদিও কেৱল পাশ্চাত্য নাট্যচিন্তাৰে নিজৰ নাটকৰ ৰূপায়ণ কৰা নাই। কাৰেঙৰ লিগিৰী নাটকৰ প্ৰসঙ্গত মহেন্দ্ৰ বৰাই কৈছে-"... সেই বুলি, নাটকখন একান্তভাৱে ইবছেনৰ নাট্যাদৰ্শৰ অনুকৰণত ৰচিত নহয়। বৰং চৰিত্ৰ ৰূপায়ণ আৰু আখ্যানবস্তুৰ অভিযোজনাৰ ফালৰ পৰা ই শ্বেইক্সপীয়েৰীয় ট্ৰেজেদিৰহে সমগোত্ৰীয়।"

ৰূপালীমৰ সৃষ্টিত মেটাৰলিঙ্কৰ মেন্নাভেনা নাটকৰ ক্ষীণ প্ৰভাৱ পৰিছে বুলি নাট্যকাৰে পাতনিত উল্লেখ কৰিছে। কিন্তু মহেন্দ্ৰ বৰা আৰু সত্যেন্দ্ৰনাথ শৰ্মাই বিতংভাৱে আলোচনা কৰি দেখুৱাইছে এই প্ৰভাৱ পৃথিৱীৰ যিকোনো সাহিত্যৰ ক্ষেত্ৰতে হোৱা এক ধৰণৰ বৌদ্ধিক সংশ্লেষণৰ লেখীয়াহে। সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে- "এই লেখকৰ এখন চিঠিৰ উত্তৰত তেওঁ (জ্যোতিপ্ৰসাদে) লিখিছিল যে পাশ্চাত্য নাটৰ কোনো চৰিত্ৰ বা কাহিনীয়ে প্ৰত্যক্ষভাৱে তেওঁক প্ৰভাৱান্বিত কৰা নাছিল; কিন্তু পাশ্চাত্য নাটৰ কাৰিকৰীৰ সহায় নোলোৱাকৈ থকা নাছিল।"

জ্যোতিপ্ৰসাদৰ লভিতা সম্পৰ্কে মহেন্দ্ৰ বৰাই কৈছে- "জ্যোতিপ্ৰসাদ যেতিয়া য়ুৰোপৰ পৰা উভতি আহিছিল, ঠিক সেই মুহূৰ্ততে ব্ৰিটিছ ৰঙ্গমঞ্চত ভূমুকি মাৰি গৈছিলহি এবিধ নতুন নাটকে। এইবিধ নাটকক বহুতো সমালোচকে আখ্যা দিছে, মহাকাব্যিক নাটক।" -এই মন্তব্যৰ পিছত তেওঁ নোয়েল কাৱাৰ্ডৰ কেভালকে 'ড নামৰ মহাকাব্যিক নাটকখনৰ সৈতে সংক্ষিপ্ত তুলনামূলক আলোচনা জুৰি দি কৈছে- "দোষে-গুণে মণ্ডিত জ্যোতিপ্ৰসাদৰ এই নাটকখন আঙ্গিকৰ বহু পৰীক্ষা-নিৰীক্ষাৰে নাট্য সাহিত্যৰ সাহসিকতম সৃষ্টি।"



সুদীৰ্ঘ আৰু আনুপুঙ্খিক মঞ্চ নিৰ্দেশনা জ্যোতিপ্ৰসাদৰ নাটকৰ মন কৰিবলগীয়া বৈশিষ্ট্য। কাৰেঙৰ লিগিৰীৰ মাজতে এই দিশটো সবাতোকৈ সুন্দৰকৈ প্ৰতিভাত হৈছে। মহেন্দ্ৰ বৰাৰ ভাষাৰে- "... এই বৈশিষ্ট্যটোৰে শ্ব'ৰ নাটকসমূহৰ অনুৰূপ বৈশিষ্ট্যটোৰ কথা মনত পেলাই দিয়ে। কিন্তু, জ্যোতিপ্ৰসাদৰ নাটকৰ এই বৈশিষ্ট্য স্ফ-কল্পিত বুলিয়েই ক'ব পাৰি।" মহেন্দ্ৰ বৰাদেৱে বাৰ্ণাৰ্ড শ্ব' আৰু জ্যোতিপ্ৰসাদৰ নাটৰ মঞ্চ নিৰ্দেশনাৰ মৌলিক পাৰ্থক্য আলোচনা কৰিছে। শ্ব'ৰ নাটকৰ মঞ্চ নিৰ্দেশনা বহু সময়ত তেওঁৰ তত্ত্বকথা উপস্থাপনৰ উপকৰণ হৈ পৰিছে; আনহাতে, জ্যোতিপ্ৰসাদৰ আনুপুঙ্খিক মঞ্চ নিৰ্দেশনা সকলো সময়তে চৰিত্ৰসমূহৰ উজ্জ্বলিকৰণৰ বাবে উন্মুখ, সিবিলাকৰ কোনোটোৰে নাট্যকলাৰ পৰিসীমা চেৰাই যোৱা নাই। সুন্দৰ কোঁৱৰ নাইবা কাঞ্চনমতীৰ শোৱনি কোঠাৰ বৰ্ণনাখিনি মন দি পঢ়িলেই মঞ্চ নিৰ্দেশনাৰ শিল্পীসুলভ বৰ্ণনাৰ ভাৱৰ ব্যঞ্জনা আৰু তাৰ গুৰুত্ব উপলব্ধি কৰিব পাৰি।

জ্যোতিপ্ৰসাদৰ নাটকৰ এক অভিন্ন অংগ হৈছে ইয়াৰ সাঙ্গীতিক মাধুৰ্য। 'নিমাতী কইনা' এখন ৰূপকধৰ্মী সঙ্গীত-নাটক বুলিলেও অত্যুক্তি কৰা নহ'ব। শোণিত কুঁৱৰী নাটকখনে সমকালীন বিদ্বৎ সমাজৰ মাজত জোকাৰণি তোলাৰ অন্যতম প্ৰধান দিশ আছিল তাৰ অভিনৱ সঙ্গীত। পৌৰাণিক বিষয়বস্তুৰে ৰচিত নাটকখনৰ তেনেই আধুনিক উপমা-চিত্ৰকল্প সমৃদ্ধ আধুনিক কথাৰ গীতবোৰৰ স্বৰবিন্যাসৰ অভিনৱত্ব পোনতে চকুত লগা বৈশিষ্ট্য। সামগ্ৰিকভাৱে প্ৰতিখন নাটকতে সংযোগ কৰা গীতসমূহে নাটকীয় মুহূৰ্ত একোটাক ইন্দ্ৰিয়গ্ৰাহ্য কৰাত সন্দেহাতীতভাৱে সাহায্য কৰিছে। ৰূপালীম নাটকৰ 'জয় আলোকময়' গীতটো সম্পৰ্কে সমালোচক হীৰেন গোহাঁই-এ যথাৰ্থভাৱে কৈছে- "ৰূপালীমৰ অবিচল প্ৰেমৰ অনমনীয়তা আৰু চৰিত্ৰৰ দৃঢ়তাৰ সন্মুখত নতি স্বীকাৰ কৰিবলৈ বাধ্য হোৱা মণিমুগ্ধৰ গভীৰ হৃদয় পৰিৱৰ্তনৰ সম্ভেদ কোনো সংলাপে বা স্বতোক্তিয়ে দিব নোৱাৰিলেহেঁতেন। সেই সম্ভেদ দিয়ে 'জয় আলোকময়' গীতটোৱে।"

অসমীয়া নাট্য সাহিত্যৰ সুদীৰ্ঘ পৰম্পৰাত জ্যোতিপ্ৰসাদৰ নাটকৰ অপৰিমেয় গুৰুত্বৰ মূলতে অন্যান্য দিশবোৰৰ সমান্তৰালভাৱে তাৰ সাহিত্যিক গুণৰ কথাও সমালোচকসকলে একে আষাৰে বিচাৰ কৰে। কোনো কোনো সমালোচকে এই বুলিও ক'ব খোজে যে আধুনিক অসমীয়া নাটকৰ ভিতৰত কেৱল জ্যোতিপ্ৰসাদৰ নাটকসমূহকেই সাহিত্যৰ মৰ্যাদা দিব পাৰি। কথাষাৰ অত্যুক্তি হ'ব পাৰে; কিন্তু জ্যোতিপ্ৰসাদৰ মনোজ্ঞ, ব্যঞ্জনাময় ভাষাৰ মহত্বই এনেবোৰ মন্তব্যৰ মাজত প্ৰকাশিত হয়। কাৰেঙৰ লিগিৰীৰ সাহসী, শক্তিশালী আৰু সংবেদনশীল কাহিনীক সাৰ্থকভাৱে দাঙি ধৰিবলৈ ভাষাৰ যি ধৰণৰ সম্ভাৰৰ অধিকাৰী হ'ব লাগে জ্যোতিপ্ৰসাদৰ সেয়া আছিল। সমান্তৰালভাৱে নিমাতী কইনাৰ দৰে সাংস্কৃতিক দৰ্শন প্ৰকাশক মিঠা কাহিনী এটাৰ বাবে প্ৰয়োজনীয় কাব্যিক ব্যঞ্জনাময় ভাষাৰ অনবদ্য সৌন্দৰ্যও জ্যোতিপ্ৰসাদৰ দখলত আছিল।

নাটকৰ সৌষ্ঠৱ নিৰ্ভৰ কৰে সংলাপৰ নাটকীয় গুণৰ ওপৰত। এতিয়া মনত পেলাওক- কাৰেঙৰ লিগিৰীৰ সুন্দৰ কোঁৱৰ আৰু কাঞ্চনমতীৰ বিবাহ সম্পৰ্কীয় বুদ্ধিদীপ্ত যুক্তি-প্ৰতিযুক্তিৰ অংশটোলৈ। অথবা মনত পেলাওক মায়াব' ৰূপালীমৰ প্ৰথম অঙ্কৰ ৰোমাণ্টিক আৱেশসনা মনোৰম সংলাপকেইটালৈ। নিমাতী কইনাত কাব্যিক সুবাসভৰা বীণ-বৰাগীৰ সংলাপসমূহৰ কথাও এই প্ৰসঙ্গত স্বাভাৱিকতে মনলৈ আহে। নাটকসমূহৰ সচেতন পঠনে আপোনাৰ দৃষ্টিত বিষয়টো অনায়াসে পোহৰাই তুলিব।

মুঠৰ ওপৰত নাট্যকাৰ জ্যোতিপ্ৰসাদৰ অবিসংবাদী ব্যক্তিত্ব নিৰ্মাণত বিশ্ব নাট্যধাৰাৰ গভীৰ অধ্যয়ন আৰু অনুসন্ধিৎসাই নিশ্চিতভাৱে সহায় কৰিছিল। এই কথাৰ বাবেহে জ্যোতিপ্ৰসাদ আধুনিক অসমীয়া নাটকৰ বাটকটীয়া হ'ব পাৰিছিল। তেওঁৰ নাটকসমূহৰ মৌলিকত্ব তথা নৱতম নাট্যৰীতিৰ পৰা এই কথাটোৰ সাক্ষ্য অনুভৱ কৰিব পাৰি।

*লেখকৰ ঠিকনা -*
*জামুগুৰিহাট, শোণিতপুৰ*
*ম'বাইল - ৯৪৩৫৩৮৬০৪০*

# নাট্য জগতত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ অৱদান

> জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ নাটকসমূহে তেওঁৰ জাতীয়তাবোধ, আধুনিক প্ৰগতিশীল মানসিক পৰিজগতক প্ৰতিনিধিত্ব কৰাৰ উপৰিও প্ৰেমময় ভাৱজগতক প্ৰতিফলিত কৰে। চৰিত্ৰসমূহৰ জৰিয়তে দেশপ্ৰেম, বিপ্লৱী চেতনা, সুখ-দুখ, সাহিত্য - সংস্কৃতিৰ ধাৰণা তেওঁ দাঙি ধৰিবলৈ সক্ষম হৈছে। এনে এজন দূৰদৰ্শী, পৰিপাটি, স্বদেশপ্ৰেমী, সাহিত্য - সংস্কৃতিৰ আৰু ৰাজনীতিৰ বহুগুণ থকা মেধাসম্পন্ন ব্যক্তি অতিকৈ বিৰল। জ্যোতিৰ অমল জ্যোতি আমাৰ জাতিৰ অতুলনীয় সম্পদ। অসমীয়া নাট্য জগতত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।



**ৰূ**পকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল আধুনিক অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ এজন অন্যতম ব্যক্তি। ১৯০৩ চনৰ ১৭ জুনত ডিব্ৰুগড় জিলাৰ তামোলবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰা আগৰৱালাদেৱ একাধাৰে প্ৰথম অসমীয়া বোলছবি নিৰ্মাতা, নাট্যকাৰ, সুৰকাৰ, গীতিকাৰ, কবি, ঔপন্যাসিক, প্ৰবন্ধকাৰ। আগৰৱালাদেৱে নাট্য জগতক এক নতুনত্ব প্ৰদান কৰিছিল। যাৰ ফলত মঞ্চ আৰু নাট্য জগতত এক বৈপ্লৱিক পৰিৱৰ্তন সাধন হৈছিল। তেওঁৰ ৰচিত নাটকসমূহ হ'ল-শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, লভিতা, ৰূপালীম, খনিকৰ, নিমাতী কইনা, সোণপখিলী, কনকলতা আৰু সুন্দৰ কোঁৱৰ।

১৪ বছৰ বয়সত ছাত্ৰাৱস্থাতে তেওঁ ৰচনা কৰা জীৱনৰ প্ৰথমখন নাটক "শোণিত কুঁৱৰী"। এই নাটকখন ৰোমাণ্টিকধৰ্মী। নাটকখন মূলতঃ উষা-অনিৰুদ্ধৰ প্ৰেমকাহিনীৰ ওপৰত আধাৰিত। নাটকখনত অসমীয়া লোকনৃত্য আৰু শাস্ত্ৰীয় নৃত্যৰ সুন্দৰ সংযোজন হৈছিল। জ্যোতিপ্ৰসাদৰ "ৰূপালীম" নাটকখনতো ৰোমাণ্টিক ভাবৰ প্ৰতিফলন ঘটিছে। নাটকখনৰ মুখ্য চৰিত্ৰ ৰূপালীম আৰু মণিমুগ্ধৰ কথোপকথনত ৰূপালীমৰ "মায়াব"ৰ প্ৰতি থকা অপূৰ্ব ভালপোৱা দেখিবলৈ পোৱা যায়। যৌৱনৰ প্ৰচ্ছদপট অংকনত ৰূপালীম অদ্বিতীয়।

"নিমাতী কইনা" জ্যোতিপ্ৰসাদৰ এখন শিশুনাট। সাধুকথাৰ ওপৰত আধাৰিত নাটখনত নিমাতী কইনাৰ মুখৰ মাত উলিয়াবলৈ দেশ-বিদেশৰ বহুজনে আপ্ৰাণ চেষ্টা কৰাৰ পাছত বীণবৰাগীৰূপী ৰূপকোঁৱৰহে কৃতকাৰ্য হয়। "সোণপখিলী" জ্যোতিপ্ৰসাদৰ আন এখন শিশুনাট। নাটখনত কবিতাকুমাৰ, চিন্তাকুমাৰ আৰু মণীষাকুমাৰ নামৰ চৰিত্ৰকেইটাৰ জৰিয়তে কাব্য, চিন্তা আৰু জ্ঞানৰ সন্ধান কৰা হৈছে। আগৰৱালাদেৱৰ 'লভিতা'খন দ্বিতীয় মহাসমৰ আৰু ৪২ৰ গণ আন্দোলনৰ পটভূমিত ৰচিত এখন বলিষ্ঠ সামাজিক নাটক। লভিতাৰ বচন, সাহসিকতা, জাতীয়তাবোধ, স্বদেশপ্ৰেম প্ৰতিগৰাকী অসমীয়াৰ অনুকৰণীয়। 'খনিকৰ' লভিতাৰ দৰেই এখন সামাজিক নাটক। নাটকখনত সমসাময়িক কমিউনিষ্ট আন্দোলনৰ ৰেঙনি দেখা যায়। 'কাৰেঙৰ লিগিৰী' বুৰঞ্জীমূলক নাটকৰ ঠাঁচত লিখা এখন কাল্পনিক নাটক। নাটকখনৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটো বিপ্লৱী বুলি ক'ব নোৱাৰি কাৰণ তেওঁ শেৱালিক সামাজিক পৰম্পৰাৰ বিপৰীতে গৈ গ্ৰহণ কৰিব নোৱাৰিলে। 'সুন্দৰ কোঁৱৰ' নাটকখন কাৰেঙৰ লিগিৰী নাটকৰ ছিকুৱেল বুলিব পাৰি। নাটকখনত সুন্দৰ কোঁৱৰৰ চৰিত্ৰটো কাৰেঙৰ লিগিৰী নাটকৰ তুলনাত অধিক সৰল। 'কনকলতা' আগৰৱালাদেৱৰ দ্বাৰা ৰচিত শেষ নাটক। কনকলতাক মুখ্য চৰিত্ৰৰূপে লৈ নাটকখন ৰচনা কৰাৰ সময়ত তেওঁ শয্যাশায়ী আছিল আৰু নাটকখন অসমাপ্ত হৈ ৰয়।

জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ নাটকসমূহে তেওঁৰ জাতীয়তাবোধ, আধুনিক প্ৰগতিশীল মানসিক পৰিজগতক প্ৰতিনিধিত্ব কৰাৰ উপৰিও প্ৰেমময় ভাৱজগতক প্ৰতিফলিত কৰে। চৰিত্ৰসমূহৰ জৰিয়তে দেশপ্ৰেম, বিপ্লৱী চেতনা, সুখ-দুখ, সাহিত্য - সংস্কৃতিৰ ধাৰণা তেওঁ দাঙি ধৰিবলৈ সক্ষম হৈছে। এনে এজন দূৰদৰ্শী, পৰিপাটি, স্বদেশপ্ৰেমী, সাহিত্য - সংস্কৃতিৰ আৰু ৰাজনীতিৰ বহুগুণ থকা মেধাসম্পন্ন ব্যক্তি অতিকৈ বিৰল। জ্যোতিৰ অমল জ্যোতি আমাৰ জাতিৰ অতুলনীয় সম্পদ। অসমীয়া নাট্য জগতত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।

*দুলুমণি গগৈ*
*মৰাণ, ডিব্ৰুগড়*
*ম'বাইল -৯১০১০৭৬০৭৯*



# ৰূপান্তৰৰ অভিযাত্ৰীঃ ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ

ৰূপান্তৰিত হৈ এখন সুন্দৰ, উজ্জ্বল আৰু ৰঙীন পৃথিৱীৰ কল্পনা কৰা ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাক এবাৰ দেখা পোৱাটো যেন তীৰ্থ দৰ্শনৰ সমান পূণ্যৰ কাম।

ৰাজস্থানৰ মাৰোৱাৰৰ পৰা ১৮১১ চনত এটা মহৎ সম্ভাৱনা এজন বেপাৰীয়ে লৈ আহিছিল তেওঁৰ বেপাৰৰ তোপোলাত অসমলৈ। সেই সম্ভাৱনাৰ কথা কোনোৱে কল্পনাও কৰা নাছিল। প্ৰয়োজনো নাছিল সেই সময়ত। নবৰংগ আগৰৱালা নামৰ বেপাৰীজনৰ উত্তৰ পুৰুষ এজনৰ জন্ম হৈছিল ১৯০৩ চনৰ ১৭ জুনত ডিব্ৰুগড় জিলাৰ মদাৰখাট মৌজাৰ তামোলবাৰী চাহ বাগিছাত। সেই সন্তানৰ নাম ৰাখিছিল জ্যোতি, জ্যোতিপ্ৰসাদ। দেউতাক পৰমানন্দ আৰু মাক কিৰণময়ী। তেওঁলোকৰ উপাধি আগৰৱালা।

একলা দুকলাকৈ ল'ৰাজন ডাঙৰ হ'বলৈ ধৰিলে। কি নাছিল সেই ল'ৰাজনৰ মাজত? শিক্ষা আৰম্ভ কৰা হ'ল তেজপুৰত। পিছলৈ ডিব্ৰুগড়ৰ জাতীয় বিদ্যালয়ৰ পৰা ১৯২১ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হ'ল দ্বিতীয় বিভাগত। তাৰ পিছত সেই ল'ৰাজন কলিকতাৰ নেচনেল কলেজৰ পৰা আই.এ. পাছ কৰি ১৯২৬ চনত অৰ্থনীতি আৰু অন্যান্য বিষয়ত উচ্চ শিক্ষাৰ বাবে এডিনবাৰ্গলৈ যায়। ১৯৩০ চনত উভতি আহে ঘৰলৈ। কিন্তু শিক্ষা সম্পূৰ্ণ নহ'ল। তাৰ পিছত জাৰ্মানী। উদ্দেশ্য- চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লোৱা। কিন্তু সকলো সহজ নহ'ল। ভাৰত তেতিয়া স্বাধীনতাৰ আকাংক্ষাত উতলিছে। জ্যোতিপ্ৰসাদকো সেই উত্তাপে উত্তাপময় কৰি তুলিলে। ফলত ১৯৩২ চনত স্বাধীনতা আন্দোলনত সম্পূৰ্ণ নিমজ্জিত হৈ পৰিল । তাৰো ফল হ'ল ভয়ানক। তেওঁ ১৫ মাহৰ কাৰাবাস হ'ল।

জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্মই হৈছিল ৰূপান্তৰৰ বাবে। চাবলৈ গ'লে অসমৰ শিল্প-কলা, লোক সংস্কৃতি, গীত, নৃত্য, লোক সংগীতৰ সুৰ, নাটক আৰু দৃশ্য-শ্ৰাব্য মাধ্যমৰ তেওঁ আছিল এজন অভিভাৱক।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিছৰ দ্বিতীয়জন অসমৰ নাট্যকাৰ হৈছে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। তেওঁতো অকল নাট্যকাৰেই নহয়। এজন ৰূপকাৰ, এজন বিপ্লৱী। ৰূপান্তৰৰ সাধক। তাৰ লগে লগে এজন মৃত্যু বাহিনীৰ সৈনিক। স্বাধীনতাৰ যুজাঁৰু।

অসমৰ য'তে-ত'তে পৰি থকা লোক সংগীতৰ সুৰ বুটলি আনি সুৰৰ সঁফুৰা পূৰ্ণ কৰিছে। তেওঁ গীত লিখিছে , গাইছে। গীতৰ পৃথিৱীলৈ নমাই আনিছে আধুনিকতাৰ সুৰ। অসমৰ মাটিত সিঁচৰিত হৈ থকা আই নাম, ধাই নাম, বিয়া নাম, নিচুকনি গীত - সকলো বুটলি সৃষ্টি কৰিলে সংগীতৰ এখন নতুন পৃথিৱী। সেয়া শিল্পীৰ পৃথিৱী, সৃষ্টিৰ এক অনন্য পৃষ্ঠা। তাতেই ঝৰি ঝৰি নিজৰি বৈছিল সুৰধানী গংগা, তেওঁৰ অন্তৰৰ নিভৃত কোণৰ পৰা। তেওঁ নমাই আনিছিল ৰূপান্তৰৰ বৰ্ণাঢ্য জোৱাৰ। তেওঁৰ গীতে কাণত ঢালে অনন্য এক সুৰৰ অপূৰ্ব মাদকতা। কবিতা তেওঁ লিখে। অগ্নি বৰষা কণ্ঠৰে আবৃত্তি কৰে। হাইস্কুলত পঢ়ি থকা সময়তে তেওঁ নাটক লিখিছিল। সেই নাটক মঞ্চস্থ কৰিছিল। প্ৰবন্ধ লিখিছিল।

১৮১১ চনত মাৰোৱাৰ পৰা নৱৰংগৰাম আগৰৱালা (কেডিয়া) আহিছিল বেপাৰ কৰিবলৈ। তেওঁৰ পুত্ৰ হৰিবিলাস আগৰৱালাই অসমীয়াৰ ধৰ্ম আৰু সমাজ-সংস্কৃতিৰ ধাৰক- কীৰ্তন পুথিখন ছপা কৰি অসমীয়া জনজীৱনলৈ আগবঢ়াই দিছিল। হয়তো ৰূপান্তৰৰ সাধনা তেনেকৈয়ে আৰম্ভ হৈছিল।

যোল্ল-সোতৰ শতিকাৰ মন্দিৰৰ ভগ্নাৱশেষ কিছুমান তেজপুৰৰ আশে-পাশে পৰি থকাৰ পৰা সামৰি সুতৰি আনি ১৮৭৪ চনত হৰিবিলাস আগৰৱালাই নিৰ্মাণ কৰিছিল এটি পকাৰ ঘৰ। সেই সময়ত তেজপুৰৰ ক'তো নাছিল পকাৰ ঘৰ।আহোম আৰু ৰাজস্থানী গঢ়ত সজাই উলিওৱা আটক ধুনীয়া সংমিশ্ৰণৰ হৰিবিলাস আগৰৱালাৰ সেই গৃহটোক সকলোৱে নাম দিছিল 'পকী'। অসম তথা তেজপুৰ সৰু ঠাই এখনৰ পৰা তেনেদৰে এক ৰূপান্তৰৰ আগজাননী দিছিল হৰিবিলাস আগৰৱালাই। জ্যোতিপ্ৰসাদৰ পৰিয়ালটোৱেই আছিল ৰূপান্তৰৰ অগ্ৰদূত।

১৮৬৭ চনৰ ২৮ নবেম্বৰত জন্ম লাভ কৰা চন্দ্ৰকুমাৰ আগৰৱালাই ৰূপান্তৰ নমাই আনিছিল অসমীয়া ভাষা-সাহিত্যলৈ । জোনাকী যুগেৰে বাট মুকলি কৰিছিল অসমীয়া কবিতাত। ৰূপান্তৰ আনিছিল কবিতাত ৰোমান্টিকতাৰ। তেওঁৰেই ভাতৃ পৰমানন্দ আগৰৱালা আৰু কিৰণময়ী আগৰৱালাৰ পুত্ৰ হৈ জ্যোতিপ্ৰসাদে জন্ম লৈছিল কেৱল যেন ৰূপান্তৰৰ বাবেহে।

স্বাধীনতা আন্দোলনত তেজপুৰৰ সমস্ত কাৰ্য্যসূচী পৰিচালিত হৈছিল জ্যোতিপ্ৰসাদৰ ঘৰৰ পৰা। তেওঁলোকৰ গৃহত পদাৰ্পণ ঘটিছিল মহাত্মা গান্ধী, মতিলাল নেহৰু, জৱাহৰলাল নেহৰু, ডঃ ৰাজেন্দ্ৰ প্ৰসাদ, চক্ৰৱৰ্তী ৰাজা গোপালাচাৰী, মদন মোহন মালব্য, পট্টাভি সীতাৰামায়া, লালা লাজপট ৰয়, আচাৰ্য কৃপালনি, ফকৰুদ্দিন আলি আহমেদ, অৰুণা আছফ আলি, ডি. কে. কৃষ্ণমেনন আদি বিশাল ব্যক্তিত্বৰ লোক সকলৰ। অনেক বিখ্যাত লোকৰ সমাবেশ ঘটা ঘৰ এখনত জ্যোতিপ্ৰসাদৰ সাক্ষাৎ হৈছিল 'স্বাধীনতা'ৰ সৈতে। সেই বাবেই তেওঁৰ ধমনীত বিপ্লৱৰ শোণিত প্ৰবাহিত হৈছিল। তেওঁৰ গীতত ৰক্ত উতলি উঠিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আশীষ ধন্য হৈ সৃষ্টিৰ প্ৰেৰণা লভিছিল জ্যোতিপ্ৰসাদে ।

স্বাধীনতা আন্দোলনৰ বতাহে প্ৰবল জোৰেৰে কোবাইছিল কামৰূপ আৰু শোণিতপুৰ জিলাক। জ্যোতিপ্ৰসাদৰ ঘৰতেই চলিছিল আন্দোলনৰ সকলো পৰিকল্পনা, সকলো মন্ত্ৰণা। গতিকে, তেওঁ বহি থাকে কেনেকৈ - ডেকা তেজ এসোপা গাত লৈ? তেওঁঅসহযোগ আন্দোলন জপিয়াই পৰিল। বিদেশী কাপোৰ বৰ্জন কৰি দ'মে দ'মে কাপোৰ জ্বলালে। আগ-ভাগ ল'লে স্বেচ্ছাসেৱী সংগঠনত। তেজ উতলা গীত লিখি অনন্য সুৰ দিলে-

"তই কৰিব লাগিব অগ্নিস্নান
সাজু হ সাজু হ নৱ জোৱান
সাজু হ সাজু হ নৱ জোৱান
স্বাধীনতা ধন
নতু মৰণ
লোহাৰে শিলেৰে বান্ধি ল মন।"

লোহাৰে শিলেৰে মন বান্ধি জ্যোতি ওলাই আহিল। নেতৃত্ব ল'লে মৃত্যু বাহিনীৰ। পিছে পিছে পুলিচ-দাৰোগা ঘূৰিবলৈ ধৰিলে। আৰু ১৯৩২ চনত তেওঁ আটকাধীন হ'ল বৃটিছ প্ৰশাসনৰ । জ্যোতিক কাৰাবাসত ৰাখিলে ১৫ টা মাহৰ বাবে শিলচৰত। অস্বাস্থ্যকৰ পৰিবেশ, অনুপযোগী খাদ্য আৰু পানীৰ বাবে জেলতে তেওঁ আক্ৰান্ত হ'ল টাইফইডৰ দ্বাৰা। অসুস্থ বুলিও বৃটিছ শাসনেৰে সেই সময়ত তেওঁৰ প্ৰতি অনুকম্পা নেদেখুৱালে। ১৫ মাহ অতিক্ৰম কৰাৰ পিছত তেওঁ মুক্ত হ'ল ।

অসুস্থ দেহ, ভগ্ন স্বাস্থ্য লৈ ১৯৩৩ চনত তেওঁ ভোলাগুৰি চাহ বাগিছালৈ গুচি গ'ল। জাৰ্মানীত শিকি অহা কথাবোৰ তেনেকৈয়ে পৰি আছিল। কামত খটুৱাবলৈ সুবিধাও পোৱা নাছিল।

আৰু সেই দেশপ্ৰেম -
"তই কৰিব লাগিব অগ্নিস্নান........"

অগ্নিস্নান কৰিছিল তেওঁ বাৰে বাৰে। হাতত নাই ধন, নাই কোনো যন্ত্ৰ-পাতি, নাই কোনো সুবিধা। অদম্য সাহস আৰু সৃষ্টিৰ তাড়নাক মূলধন হিচাপে লৈ আৰম্ভ কৰিছিল চিনেমাৰ কাম। চিনেমাৰ কাহিনী বেজবৰুৱাৰ হিয়াৰ আমঠু - জয়মতীৰ। পুৰুষ চৰিত্ৰ যেন-তেন। নাৰী চৰিত্ৰৰ বাবে কোনো ছোৱালীক অভিভাৱকে বাইচকোপ কৰিবলৈ নিদিয়ে। কাৰণ - মান হানি, চৰিত্ৰ হানি, আভিজাত্য আৰু কুলত চেকা পৰা।

বাগানলৈ গৈ তেওঁ কিছু সময় পালে। তেওঁ মনত লৈ ঘূৰি ফুৰা কাম এটা হাতত ল'লে। বাঁহ-বেত আৰু খেৰেৰে ভোলাগুৰি চাহ বাগিছাত এটা ফটো ষ্টুডিঅ' সজাৰ কাম আৰম্ভ কৰিলে। তাৰ নাম দিলে 'জ্যোতি চিত্ৰবন'। অসমীয়া জাতীয় জীৱনৰ পৃষ্ঠাত 'জ্যোতি চিত্ৰবন' এটা স্তম্ভশিলা। 'জ্যোতি চিত্ৰবন' অসমীয়া ছবি জগতৰ গৌৰৱৰ এটা আধাৰশিলা।

ভোলাগুৰি চাহ বাগিচাত দুটা কেম্প তৈয়াৰ কৰা হ'ল - এটা পুৰুষৰ বাবে আৰু আনটো মহিলাৰ বাবে । তাৰ পিছত আৰম্ভ হ'ল অভিনয়ৰ কলা-কুশলীৰ অন্বেষণ।অভিনয়ৰ বাবে পুৰুষ পাবলৈ বিশেষ অসুবিধা নহ'ল। কিন্তু সহ অভিনয়ৰ বাবে প্ৰয়োজন হোৱা ছোৱালী বা মহিলা শিল্পী সতকাই কোনো আগুৱাই অহা নাছিল। শেষত পানী জাহাজ দেখুৱাব বুলি আইদেউ সন্দিকৈক তেওঁৰ সম্পৰ্কী এজনে ফুচুলাই আনি ভোলাগুৰি চাহ বাগিচাত তুলিলে। আইদেৱে যেতিয়া কথাটো কথা গম পালে, অভিনয় কৰিবলৈঅমান্তি হ'ল। শেষত যেনিবা জ্যোতিপ্ৰসাদে আইদেউৰ পৰিয়ালৰ মানুহৰ লগত কথা পাতি মান্তি কৰালে।

দুয়োটা কেম্পত ৰাখি পুৰুষ আৰু মহিলা সকলক পৃথকে পৃথকে অভিনয়ৰ কলা-কৌশল জ্যোতি প্ৰসাদে নিজেই শিকালে। জ্যোতি চিত্ৰবনত আইদেউক জ্যোতিয়ে জয়মতীৰ ৰূপত সজাই তুলি ছবিৰ ছুটিং কৰি গ'ল। লিখা-পঢ়া নজনা, গাঁৱৰ ছোৱালী আইদেৱৰ মাধ্যমত জ্যোতিয়ে অসমীয়া কলা সংস্কৃতিলৈ ৰূপান্তৰৰ বাট উন্মোচিত কৰি দিলে। পৰৱৰ্তী সময়ত আইদেৱে দুৰ্বিসহ কষ্ট ভোগ কৰিলে যদিয়ো সহ-অভিনয় দুৱাৰ মুকলি হ'ল।৪২৬৭.২০ মিটাৰ ৰীলত 'জয়মতী'য়ে ইতিহাস ৰচনা কৰিলে- ১৯৩৫ চনত। জীৱন্ত হৈ উঠিল চেলুলয়ডত ।

আহিল ছবিঘৰৰ চিন্তা। পকীৰ পিছফালে আছিল - আম, জাম, কঠাল, পনিয়লেৰে ভৰা এখন হাবি। সেই হাবি-বন কাটি তাত নিৰ্মাণ কৰিলে কাঠৰ বেলকনি সংলগ্ন কৰি বোকা মাটিৰে মঁচি-কাচি ৮০ ফুট দীঘল, ২৭ ফুট বহল আৰু ১৮ ফুট ওখ এটি গৃহ। আন্ধাৰৰ মাজত জোনাকী পৰুৱাৰ পোহৰ সিঁচিবলৈ সেই গৃহৰ নাম ৰাখিলে 'জোনাকী'। অসমৰ প্ৰথম ছবিগৃহটোও জ্যোতিপ্ৰসাদে নিজেই নিৰ্মাণ কৰিলে।

কিন্তু চিনেমা প্ৰদৰ্শনৰ অনুমতি পোৱা সিমান সহজ নাছিল বৃটিছ আমোলত। হয়তো জ্যোতিপ্ৰসাদক বিপ্লৱৰ পৰা আঁতৰাই ৰখাৰ কৌশল হিচাপে বৃটিছ চৰকাৰে জোনাকী চিনেমা হলত চিনেমা প্ৰদৰ্শনৰ বাবে লাইচেন্স প্ৰদান কৰিছিল। চিত্ৰলেখা ডিষ্ট্ৰিবিউটৰ্চৰ বেনাৰত ১৯৩৭ চনৰ দুৰ্গা পূজাৰ আগে আগে মেট্ৰো গোল্ডবিন মেয়াৰৰ 'এলিফেন্ট বয়' কথাছবিৰে জোনাকী চিনেমা ঘৰৰ দুৱাৰ মুকলি কৰা হ'ল।ৰূপান্তৰ আহিল তেজপুৰলৈ।

১৯৫১ চনৰ ১৭ জানুৱাৰীত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদে শেষ নিশ্বাস ত্যাগ কৰি মহাশূন্যত বিলীন হ'ল পকীৰ বুকুৰ পৰা। তাৰ প্ৰায় দুটা দশকৰ পিছত ১৯৭৭ চনৰ ১৭ জানুৱাৰীত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ মৃত্যুৰ দিনটোত অসম চৰকাৰে আগৰৱালা পৰিয়ালক ৪ লাখ টকা প্ৰদান কৰি হৰিবিলাস আগৰৱালাই সজোৱা 'পকী'ক জাতীয় সম্পদলৈ ৰূপান্তৰিত কৰে। তাৰ পিছৰে পৰাই 'পকী'ক 'জ্যোতি ভাৰতী' নামকৰণেৰে অসম চৰকাৰে সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ় দিছে।

জ্যোতি ভাৰতী বৰ্তমান জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ গ্ৰামোফোন ৰেকৰ্ড, তেওঁ লিখা কাকত-পত্ৰ, তেওঁৰ শোৱা পালেং, লক্ষ্মীনাথ বেজবৰুৱাৰ হাতেৰে লিখা চিঠি, মহাত্মা গান্ধীৰ হাতেৰে লিখা চিঠি, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা, শোণিত কোঁৱৰ গজেন বৰুৱাৰ ফটো , জ্যোতি প্ৰসাদৰ মাতৃ কিৰণময়ী আগৰৱালাৰ গহনা থোৱা যতন আদিৰে এটা মিউজিয়াম। জ্যোতিপ্ৰসাদৰ অৰ্গেনটোও তাতে সংৰক্ষণ কৰা হৈছে। যেতিয়াই ভূপেন হাজৰিকা তেজপুৰলৈ আহিছিল, জ্যোতিপ্ৰসাদৰ অৰ্গেনটোত তেওঁ নতুন নতুন সুৰ বজাইছিল।

"আকাশী যানেৰে
উৰণীয়া মনেৰে
দোকমোকালিতে
পশ্চিমৰে পৰা, বঙ্গৰে পৰা
মাৰিলো উ...ৰা.....।
মোৰ লক্ষ্যস্থান হ'ল তেজপুৰ..."

জ্যোতিপ্ৰসাদে যি ৰূপান্তৰৰ সপোন দেখিছিল, সেই ৰূপান্তৰ যাতে আৰু তীব্ৰ হয়, আৰু গতিশীল হয়, তাৰেই আশাত বৈ আছে তেজপুৰৰ লগতে সমগ্ৰ অসমবাসী। সুন্দৰ যে ফুলাৰ মন্ত্ৰ! সেই মন্ত্ৰৰে জ্যোতিপ্ৰসাদক অভিনন্দিত কৰিবলৈ বৈ আছে সমগ্ৰ অসমবাসী।

## প্ৰধানমন্ত্ৰী মোদীক চাইপ্ৰাছৰ

তেওঁলোকৰ শক্তি আৰু আকাংক্ষাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। যিয়ে ভাৰতৰ সংস্কৃতি, মূল্যবোধ, আৰু বসুধৈৱ কুটুম্বকমৰ দৰ্শনৰ স্বীকৃতিও প্ৰতিনিধিত্ব কৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, "মই এই বঁটা ভাৰত আৰু চাইপ্ৰাছৰ মাজৰ বন্ধুত্বৰ বাবে, আমাৰ ভাগ-বতৰা কৰা মূল্যবোধৰ বাবে আৰু চাইপ্ৰাছৰ ভাৰতৰ বুজাবুজিৰ বাবে উৎসৰ্গা কৰিছো।" প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, তেওঁ সকলো ভাৰতীয়ৰ হৈ এই সন্মান 'অতি নম্ৰতা আৰু কৃতজ্ঞতাৰে' গ্ৰহণ কৰিছে। ই শান্তি, নিৰাপত্তা, সাৰ্বভৌমত্ব, আঞ্চলিক অখণ্ডতা আৰু সমৃদ্ধিৰ প্ৰতি দুয়োখন ৰাষ্ট্ৰৰ ভাগ-বতৰা দায়বদ্ধতাক শক্তিশালী কৰে। দেওবাৰে প্ৰধানমন্ত্ৰী মোদীয়ে চাইপ্ৰাছৰ ভ্ৰমণৰ সামৰণি মাৰি পাঁচদিনীয়া কাৰ্যসূচীৰ তিনিখন দেশৰ ভ্ৰমণ আৰম্ভ কৰে। দুটা দশকৰো অধিক সময়ৰ ভিতৰত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে দ্বীপ ৰাষ্ট্ৰখনলৈ কৰা এইটো প্ৰথম ভ্ৰমণ। তেওঁক বিমানবন্দৰত আদৰণি জনায় চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিকোছ ক্ৰিষ্টোডুলিডেছে। ভাৰত-চাইপ্ৰাছৰ চিইঅ' ফ'ৰামত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত, চাইপ্ৰাছ, আৰু গ্ৰীচ ব্যৱসায় আৰু বিনিয়োগ পৰিষদৰ সৃষ্টিক আদৰণি জনাই ইয়াক 'এটা অতি ভাল পদক্ষেপ' বুলি অভিহিত কৰে, যিয়ে ত্ৰিপাক্ষিক অৰ্থনৈতিক সহযোগিতাৰ বাবে এক মূল মঞ্চ হোৱাৰ সম্ভাৱনা ৰাখে। তেওঁ ব্যৱসায়িক নেতাসকলক আশ্বাস দিয়ে যে, মঞ্চত ভাগ কৰা ধাৰণা আৰু পৰামৰ্শসমূহ এক সুনিৰ্দিষ্ট কাৰ্য্য পৰিকল্পনাৰ জৰিয়তে আগবঢ়াই নিয়া হ'ব। ক্ৰমবৰ্ধমান অৰ্থনৈতিক সহযোগিতাৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে, চাইপ্ৰাছ ষ্টক এ'চেঞ্জ আৰু ভাৰতৰ ৰাষ্ট্ৰীয় ষ্টক এ'চেঞ্জে গুজৰাটৰ গিফ্ট চিটিত সহযোগিতা কৰিবলৈ সন্মত হৈছে। তেওঁ চাইপ্ৰ'ছৰ বিনিয়োগকাৰী আৰু ব্যৱসায়িক নেতাসকলক ভাৰতৰ বিভিন্ন খণ্ডৰ সুযোগ বিচাৰিবলৈও আমন্ত্ৰণ জনায়। ইয়াৰ পূৰ্বে এ'ত প্ৰধানমন্ত্ৰীয়ে লিখিছে, "ব্যৱসায়িক সম্পৰ্ক শক্তিশালী কৰা/ ৰাষ্ট্ৰপতি নিকোছ ক্ৰিষ্টোডুলিডছ আৰু মই শীৰ্ষ চিইঅ'সকলৰ সৈতে সাক্ষাৎ কৰিছিলো, ভাৰত আৰু চাইপ্ৰাছৰ মাজত বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে। উদ্ভাৱন, শক্তি, প্ৰযুক্তি আৰু অন্যান্য খণ্ডই বিপুল সম্ভাৱনা প্ৰদান কৰে।"

## হিমন্ত বিশ্ব শৰ্মা কেৱল

কয় যে কেন্দ্ৰীয় চৰকাৰে আৰক্ষী আধুনিকীকৰণৰ বাবে অনুমোদন দিয়া ১২৫.৯৯ কোটি টকাৰ পৰা মাত্ৰ ১৮.৮৮ কোটি টকাহে খৰচ কৰা হৈছে। ফলত ৰাজ্যৰ ৮খন থানা আৰু ১২খন আৰক্ষী চকী অচল হৈ পৰিছে। বৰায়ে উল্লেখ কৰে যে ২০১৮-২৪ চনলৈকে কেন্দ্ৰই দিয়া ASMPF (আৰক্ষী আধুনিকীকৰণ) তহবিলৰ সঠিক ব্যৱহাৰ নহ'ল। ইয়াৰ ফলত কাছাৰ, কোকৰাঝাৰ, চিৰাং আদি জিলাৰ থানাবোৰ জৰাজীৰ্ণ অৱস্থাত আছে। ২০২৩ চনত বঙাইগাঁৱত কৰা ঘোষণা মতে সংবেদনশীল অঞ্চলৰ আৰক্ষী চকীবোৰ থানালৈ ৰূপান্তৰ কৰা নহ'ল। ২০২৪-২৫ বাজেটত ৭৩, ২৩৮ কোটি টকা অব্যৱহৃত হৈ থকাৰ লগতে কাৰাগাৰ আৰু আৰক্ষী খাতৰ ৫১% ধন খৰচ নকৰাকৈ ৰখা হৈছে। বৰায়ে কয়, "এই তহবিল কেন্দ্ৰীয় অনুদান, ইয়াক সময়মতে ব্যৱহাৰ নকৰিলে ঘূৰাই দিব লাগিব। কিন্তু মুখ্যমন্ত্ৰীয়ে ফ্লাইঅভাৰ নিৰ্মাণত গুৰুত্ব দি ৰাইজৰ প্ৰাথমিক সুৰক্ষা উপেক্ষা কৰিছে।"

## লখিমপুৰত মুখ্যমন্ত্ৰীৰ ১১০

কমাৰ্টুপ, অঞ্চলত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনি ঘৰটো নিৰ্মাণ কৰা হ'ব। চলিত বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি ডিব্ৰুগড়ত এনে এটা সমূহীয়া ৰান্ধনী ঘৰ মুকলি কৰে। ডঃ শৰ্মাই ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলা স্থাপন কৰে। এই আঁচনিৰ অধীনত ৮ দশমিক ৭ ০ মিলিয়ন লিটাৰ বিশুদ্ধ খোৱাপানী দৈনিক যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা অঞ্চলটোৰ ৭ হাজাৰ ১৩টা পৰিয়াল উপকৃত হ'ব। তেওঁ লগতে বিলুপ্তপ্ৰায় গছৰ সংগ্ৰহালয় আৰু বাঁহজাতীয় গছৰ ঘন বনাঞ্চলেৰে ১৬ বিঘা ভূমি সামৰি স্থাপন হ'বলগীয়া উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলাও স্থাপন কৰে। এই উদ্যানত সংকটাপন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হ'ব। তদুপৰি মিয়াৱাকি পদ্ধতি ব্যৱহাৰ কৰি স্থানীয় গছৰ প্ৰজাতিৰ ঘন বনাঞ্চল গঢ়ি তোলা হ'ব। এই উদ্যানত বিভিন্ন ধৰণৰ ফলমূলৰ গছ আৰু মচলাজাতীয় উদ্ভিদ থাকিব। তদুপৰি নিম, তুলসীকে ধৰি বিভিন্ন স্থানীয় ঔষধি গছ ৰোপণ কৰা হ'ব উদ্যানখনত সামাজিক সমাৱেশ, সভা আৰু বিনোদনমূলক কাৰ্যকলাপৰো ব্যৱস্থা থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আজি দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰে। তেওঁ জিলাখনত ৰাষ্ট্ৰীয় গকুল মিছনৰ অধীনত চাৰে চাৰি কোটি টকা ব্যয়েৰে নিৰ্মিত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠান, ইন্দোৰ ষ্টেডিয়াম, ব্যায়ামাগাৰ আৰু কেন্টিনগৃহ তথা অতিথিশালাও উদ্বোধন কৰে। জিলাখনত মুখ্যমন্ত্ৰীয়ে সৰ্বমুঠ ১১০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। এই কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ৰাজ্যিক মৰ্যাদাৰে বিজয়

সংখ্যক লোক সমবেত হৈ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীলৈ শেষ শ্ৰদ্ধাঞ্জলি জনায়। সোমবাৰে পুৱা মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ উপস্থিতিত প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ মৃতদেহ গাৰ্ড অৱ অনাৰসহ পৰিয়ালৰ হাতত অৰ্পণ কৰা হয়। ৰূপানীৰ মৃতদেহ ইমানেই জ্বলি গৈছিল যে চিনাক্ত কৰিব পৰা নগ'ল, সেয়ে দেওবাৰে তেওঁৰ মৃতদেহ আত্মীয়ৰ ডি এন এৰ নমুনাৰ সৈতে মিলাই চিনাক্ত কৰা হয়। ইয়াৰ পিছতে মৃতদেহটো ৰাজকোটলৈ অনা হয়। মৃতদেহটো ৰূপানীৰ বাসগৃহ পাওঁতে পথৰ দুয়োকাষে শাৰী পাতি থিয় হৈ তেওঁক শেষ শ্ৰদ্ধাঞ্জলি জনায় ৰাইজে। ৰূপানীৰ সমৰ্থকে পুষ্প বৰ্ষণেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী তথা গুজৰাট বিজেপিৰ সভাপতি চি আৰ পাটিল, ৰাজ্যপাল আচাৰ্য দেৱব্ৰত, মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলকে ধৰি বহু নেতাই ৰূপানীক তেওঁৰ বাসগৃহত ফুলেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ধিয়া ৫ বজাৰ পৰা ৰূপানীৰ বাসগৃহৰ পৰাই তেওঁৰ শেষ যাত্ৰা আৰম্ভ হৈছিল। এই যাত্ৰাত বৃহৎ সংখ্যক লোকে অংশগ্ৰহণ কৰে। শেষ যাত্ৰা ৰাজকোটৰ বিভিন্ন পথেৰে পাৰ হৈ ৰামনাথপাৰা শ্মশানত উপস্থিত হয়। ইয়াত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাজ্যপাল আচাৰ্য দেৱব্ৰত আৰু মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## গৌৰৱ গগৈৰ যুঁজ হ'ব

কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, সম্পাদক অৰবিন্দ চৌধুৰী, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি নিতু মুদৈকে ধৰি দলীয় কৰ্মীৰ উপস্থিতিত আজি বিয়লি অনুষ্ঠিত হোৱা সংবাদমেলখনত বিধায়কগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সমগ্ৰ বিশ্বৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্নৰে সকলোক্ষেত্ৰতে বৃহৎ সফলতা অৰ্জন কৰিছে আৰু তাৰ সমান্তৰালকৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে উন্নয়নৰ অপ্ৰতিৰোধ্য যাত্ৰা আৰম্ভ কৰিছে। এই কথা সংবাদমেলৰ জৰিয়তে জনমানসত প্ৰচাৰ আৰু প্ৰসাৰিত কৰিবলৈকে কলিয়াবৰ জিলা বিজেপিৰ উদ্যোগত আজিৰ সংবাদমেলখন আয়োজন কৰা হয় বুলি বিধায়কগৰাকীয়ে উল্লেখ কৰে। ২০১৪ চনৰ ২৬ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শপত গ্ৰহণ কৰিছিল আৰু তেতিয়াৰ পৰাই ভাৰতৰ প্ৰথমজন অকংগ্ৰেছী প্ৰধানমন্ত্ৰী যিজনে একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে নিৰ্বাচনত বিজয়ী হৈ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছে আৰু তেওঁৰ নেতৃত্বতে আজি ভাৰতবৰ্ষই প্ৰগতিৰ এক নতুনমাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে। অসমতো মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অৰ্থনৈতিক ক্ষেত্ৰৰ পৰা আৰম্ভ কৰি চৰকাৰখনে জাতি-মাটি-ভেঁটি ৰক্ষাৰ স্বাৰ্থত সমগ্ৰ অসমবাসী ৰাইজক আস্বস্ত কৰিবলৈ সক্ষম হৈছে। তেওঁ লগতে কয় যে, জনসাধাৰণৰ দ্বাৰা গঠিত চৰকাৰ এখনৰ কৰ্তব্য এয়ে যে, চৰকাৰখনে কি কৰিছে তাৰ তন্নতন্নকৈ হিচাপ জনসাধাৰণক দিয়াৰ প্ৰয়োজন আছে। ৰাইজে চৰকাৰখনৰ প্ৰতি যি আস্থা, আশীৰ্বাদ, বিশ্বাস আৰু মৰম প্ৰদৰ্শন কৰিছে এই বিশ্বাস প্ৰতিফলিত কৰিবলৈ কাৰ্যতঃ আমি কি কৰিছো, সেই কথা সমগ্ৰ ভাৰতবৰ্ষত প্ৰসাৰ ঘটাবলৈ কাৰ্যক্ৰম প্ৰস্তুত কৰিছো। তেওঁ ভাৰতৰ জিডিপি আজি বিশ্বৰ উন্নত দেশৰ তুলনাত ঈৰ্ষণীয়ভাৱে বৃদ্ধি পাইছে বুলি উল্লেখ কৰে। ভাৰতৰ আৰ্থিক ক্ষমতা, আৰ্থিক সক্ষমতা নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আজি গ্ৰাম্য স্বৰাজৰ পৰা আৰম্ভ কৰি গ্ৰাম্য উন্নয়নলৈকে, মহাকাশৰ পৰা আৰম্ভ কৰি ভাৰতৰ প্ৰতিৰক্ষালৈকে সকলোতে অপ্ৰতিৰোধ্যভাৱে উন্নতিৰ শিখৰলৈ যাত্ৰা কৰিছে। আনহাতে, তেওঁ অপাৰেশ্যন সিন্দুৰৰ জৰিয়তে সমগ্ৰ বিশ্বত ভাৰতে প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হোৱাৰ কথা উত্‌লেখ কৰে। ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি মৃণাল শইকীয়াই ৰাজ্যত হিতাধিকাৰী সৃষ্টি কৰা এখন চৰকাৰ বুলি ফেচবুক পোষ্ট দিয়াৰ প্ৰসঙ্গত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই কয় যে, মুখ্যমন্ত্ৰীয়ে এইটো পোষ্ট গুৰুত্ব দিবলগীয়া পোষ্ট নহয় বুলি কৈছে। এইটো আচলতে আধ্যাত্মিক পোষ্ট বুলিহে অভিহিত কৰে আৰু ৰাজনৈতিক ৰহণ আছে বুলিও ভৱা নাই বুলি উল্লেখ কৰে। আনহাতে, কংগ্ৰেছ দলক সকলো ৰাইজে প্ৰত্যাখ্যান কৰা বুলি কৈ বিধায়কগৰাকীয়ে কয় যে, আমি ৰাজনৈতিক ক্ষেত্ৰত উপযুক্ত প্ৰতিদ্বন্দ্বী বিচাৰো আৰু বি টি আৰত কংগ্ৰেছে সকলোতে প্ৰাৰ্থীত্ব দিয়াটো বিচাৰো যদিও কংগ্ৰেছ বিজয়ী হোৱাটো দূৰৰে কথা প্ৰাৰ্থীত্ব দিবলৈকে সক্ষম নহ'ব। গৌৰৱ গগৈয়ে যুঁজ এখন হ'ব বুলি প্ৰায়ে কৈ থকা প্ৰসঙ্গত চামগুৰি সমষ্টিৰ বিধায়কগৰাকীয়ে কয় যে, নিশ্চিতভাৱে যুঁজ এখন হ'ব আৰু এই যুঁজ আন দলৰ সৈতে নহয় নিজৰ দলৰ ভিতৰতে যুঁজখন হ'ব। গৌৰৱ গগৈৰ সৈতে ভূপেন বৰাৰ যুঁজ হ'ব, প্ৰদ্যুৎ বৰদলৈৰ লগতে কংগ্ৰেছৰ আভ্যন্তৰত গৌৰৱ গগৈৰ যুঁজ এখন হ'ব আৰু ৰকিবুল হুছেইনে পাছফালৰ পৰা চুৰি মাৰিবলৈ বৈ থাকিব বুলিও বিধায়কগৰাকীয়ে সংবাদমেলত কটাক্ষ কৰে।

## ৰাজ্যসভাৰ সাংসদ অজিত

ভিজিলেন্সে। সেই অনুসৰি চি.এম.ভিজিলেন্সৰ কাৰ্যালয়ত হাজিৰ হোৱা সাংসদ অজিত কুমাৰ ভূঞাক পাঁচ ঘণ্টাৰো অধিক সময় জেৰা কৰে বুলি বিষয়াসকলে জানিবলৈ দিয়ে। পিটিআইৰ প্ৰতিবেদন অনুসৰি, এজন জ্যেষ্ঠ আৰক্ষী বিষয়াই জানিবলৈ দিছে যে, পুৱা প্ৰায় ১১: ৩০ বজাত সাংসদ ভূঞা চি.এম. ভিজিলেন্সৰ সন্মুখত হাজিৰ হয়। লগতে গোচৰটোৰ তদন্ত চলি আছে বুলি কয় বিষয়াগৰাকীয়ে। এছভিচিৰ কাৰ্যালয়ত প্ৰৱেশ কৰাৰ পূৰ্বে সাংসদ ভূঞাই সাংবাদিকৰ আগত কয় যে, "২০২২ চন সাংসদ পুঁজিক লৈ কেলেংকাৰী হোৱা বুলি যথেষ্ট হুলস্থুল হৈছিল। তেতিয়া মই চৰকাৰক প্ৰত্যাহ্বান জনাইছিলোঁ। তাৰ পৰৱৰ্তী পৰ্যায়ত মই কৈছিলো যে এনেকুৱা অনুসন্ধান হ'লে মই তাত সমৰ্থন জনাম, সহযোগিতা কৰিম। কালি হঠাতে এখন চমন গ'ল, আজি হাজিৰ হ'ব লাগে। সেয়ে আজি মই আহিছো। অকলে যুঁজ দিয়া মানুহ মই। এগৰাকী সাংসদ কেতিয়াও এইবিলাকৰ আওতাত নপৰে। ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষৰ এমপিএলএডি আঁচনিৰ অধীনত ধনৰ অপব্যৱহাৰৰ সৈতে জড়িত গোচৰটোৰ চমন পাই তেওঁ আচৰিত হৈছে। এজন সাংসদে কেৱল আঁচনিৰ পৰামৰ্শ দিয়ে। সেইটো সকলোৱে জনা কথা। কিন্তু আঁচনিৰ আৰ্থিক অংশ আৰু ৰূপায়ণ জিলা উপায়ুক্তই কৰে। তেওঁ এজন বিষয়াক চোৰাচিতা কৰিবলৈ কৰ্তৃত্ব দিয়ে। কিমান বিজেপি সাংসদৰ খবৰ বাতৰি কাকতত ওলাইছে, তেওঁলোকৰ কাম-কাজৰ গণ্ডগোলৰ কথা ওলাইছে। সেইবোৰত তেওঁলোকৰ কোনো কথা নাই, কিন্তু অজিত ভূঞাই একমাত্ৰ ডাঙৰ কেলেংকাৰী কৰিছে।" এইদৰে কয় সাংসদ ভূঞাই। উল্লেখ্য [illegible] পৰিষদৰ সভাপতি [illegible] CPI-M, CPM ৰ নেতায়ো। এই সন্দৰ্ভত অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ প্ৰতিক্ৰিয়া- "চি.এম.ভিজিলেন্সৰ কাম-কাজ এতিয়া হাস্যকৰ বিষয়। উমৰাংছু কয়লা ছিণ্ডিকেট, মাৰ্ঘেৰিটাৰ অবৈধ কয়লা সৰবৰাহ, চুপাৰী ছিণ্ডিকেট এইবোৰ নেদেখে। পানীখাইটি-মাটিখাইটি এইবোৰ দৃষ্টি নপৰে। ৰাইজক হাঁহিৰ খোৰাক দিছে মুখ্যমন্ত্ৰীৰ চি এম ভিজিলেন্সে। "গগৈয়ে লগতে কয়, "বিৰোধী ৰাজনৈতিক দলসমূহ যেতিয়াই একগোট হয় তেতিয়াই মুখ্যমন্ত্ৰীয়ে আক্ৰোশমূলকভাৱে বিৰোধী নেতাৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। ৰাজ্যৰ হাইৰে কেলেংকাৰী এইবোৰত মুখ্যমন্ত্ৰীৰ চি এম ভিজিলেন্সে সাৰ নাপায়। ২৬ ৰ নিৰ্বাচনৰ পূৰ্বে আক্ৰমণৰ লক্ষ্য কৰি লৈছে গৌৰৱ গগৈক। গৌৰৱ গগৈক আই এছ আই লিংক থকা দেখুৱাবলৈ উঠি পৰি লাগিছে। মুখ্যমন্ত্ৰীয়ে নিজে টাডা গোচৰত ক্ষমা খুজি কোনখন পত্ৰত চহী কৰিছিল। তাত আই এছ আই লিংক কেনেকৈ আছে সেইবোৰ আমি পিছত কম। আজি আভাসহে দিছো। 'ইফালে, এই অভিযোগ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে, "মই তেওঁক সন্মান কৰো, কিন্তু তেওঁ পৰামৰ্শ দিয়া পথ প্ৰকল্পটোৰ অস্তিত্ব নাই। মুখ্যমন্ত্ৰীয়ে কয়, "এই লোকসকলে জনসাধাৰণৰ সন্মুখত অতি ভাল ফেচ ভেলু কঢ়িয়াই লৈ ফুৰে। এই গোচৰত তেওঁৰ বক্তব্যহে বাকী আছিল। ইয়াৰ পিছত এই গোচৰ আদালতলৈ যাব। ইতিমধ্যে বহু এ.চি.এছ বিষয়া গোচৰত দোষী সাব্যস্ত হোৱাৰ পিছত সেৱাৰ পৰা বৰ্খাস্ত কৰা হৈছে।" ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিৰ পিছতেই এই তদন্ত আৰম্ভ কৰা হৈছিল, য'ত ২০২১-২২ আৰু ২০২২-২৩ চনৰ ভিতৰত এমপিএলএডিৰ ধনৰ ব্যাপক দুৰ্নীতি আৰু অপব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছিল। নিয়মীয়াকৈ তদন্ত আৰম্ভ কৰে এছভিচিয়ে। ফলত অসম অসামৰিক সেৱাৰ কেইবাজনো বিষয়াক নিলম্বন কৰা হয় আৰু পিছত এই কেলেংকাৰীত জড়িত থকাৰ বাবে একাংশক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয় বুলি পিটিআইৰ প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে।

## ঘোষণা হ'ল মেট্ৰিকৰ

শিক্ষা পৰিষদে ২৩-২৯ মে'লৈ ৰাজ্যৰ ১১০টা পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত কৰিছিল। পৰীক্ষা শেষ হোৱাৰ ১৮ দিনৰ ভিতৰত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এইবাৰ ৫৪, ৯০৬ গৰাকী পৰীক্ষাৰ্থীয়ে মেট্ৰিকৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ বাবে কৰিছিল আবেদন। তাৰ বিপৰীতে ৫৪, ১৩৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল পৰীক্ষাত। অৱতীৰ্ণ পৰীক্ষাৰ্থীসকলৰ ভিতৰত ৪২২ গৰাকীয়ে প্ৰথম বিভাগ, ৮, ৯৭৫ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৪, ১৮৮ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ৰাজ্যৰ ভিতৰত মুঠ ১৩, ৫৮৫ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হোৱা বুলি জানিব পৰা গৈছে। এইবেলি উত্তীৰ্ণৰ হাৰ ২৫.০৯ শতাংশ। উল্লেখ্য যে, চলিত বৰ্ষৰ ১১ এপ্ৰিলত ঘোষণা কৰা হৈছিল হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল। এই পৰীক্ষাত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত কৰিছিল। অৱশ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত যিসকল পৰীক্ষাৰ্থীয়ে ন্যূনতম তিনিটা বিষয়ত অনুত্তীৰ্ণ হৈছিল আৰু মুঠ ১৭০ নম্বৰ লাভ কৰিছিল, সেইসকল পৰীক্ষাৰ্থীয়েহে এই কম্পাৰ্টমেণ্টেল পৰীক্ষাত অৱতীৰ্ণ হৈছিল। অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলে উত্তীৰ্ণ হ'বলৈ ন্যূনতম ৩০ শতাংশ নম্বৰ লাভ কৰাৰ উপৰিও সৰ্বমুঠ ১৮০ বা ততোধিক নম্বৰ লাভ কৰাটো প্ৰয়োজন। কম্পাৰ্টমেণ্টেল পৰীক্ষাত উত্তীৰ্ণ সকলো পৰীক্ষাৰ্থীয়ে চলিত শিক্ষাবৰ্ষতে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰিবলৈ সক্ষম বুলি বিবেচিত হ'ব। চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি যোৰহাট আৰু কামৰূপ মহানগৰ জিলা আছিল শীৰ্ষত।

## আহমেদাবাদৰ বিমান দুৰ্ঘটনা

বুলিয়ে নিশ্চিত হোৱা আৰম্ভ হৈছে। কালি দেওবাৰে দিয়া বিবৃতি অনুসৰি এইপৰ্যন্ত ৮০জন লোকৰ মৃত্যু হোৱা বুলি DNA পৰীক্ষাৰ জৰিয়তে নিশ্চিত কৰা হৈছে। এইপৰ্যন্ত ৩৩টা মৃতদেহ পৰিয়ালক হস্তান্তৰ কৰা হৈছে। আজি ১৩টা মান পৰিয়ালে মৃতদেহ গ্ৰহণ কৰিবলৈ আহিব বুলি জানিব পৰা গৈছে। একেলগে ১১টা পৰিয়ালে একাধিক সদস্যক হেৰুৱাইছে, সেয়ে তেওঁলোকে একেলগে প্ৰিয়জনৰ মৃতদেহ সংগ্ৰহ কৰিব বুলি চৰকাৰী সূত্ৰৰপৰা জানিব পৰা গৈছে। ২১টা পৰিয়ালে জনাইছে যে তেওঁলোকে তেওঁলোকৰ আত্মীয়ৰ সৈতে কথা পাতি কেতিয়া মৃতদেহ সংগ্ৰহ কৰিবলৈ আহিব পাৰিব সেই বিষয়ে কৰ্তৃপক্ষক জানিবলৈ দিব।

## হাচিলাবিলতপ্ৰশাসনৰ

জৰিয়তেও ৰাজহুৱাভাৱে ঘোষণা কৰে। সেই অনুসৰি সোমবাৰে পুৱা ভাগৰে পৰা গুৱালপাৰা জিলা প্ৰশাসনে চলাইছে বৃহৎ উচ্ছেদ অভিযান। হাচিলা বিল অঞ্চলত বেদখল কৰা প্ৰায় ১৬০০ বিঘা চৰকাৰী ভূমি পুনৰ উদ্ধাৰৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে এই উচ্ছেদ অভিযান আৰম্ভ কৰে। প্ৰায় ১৬০০ বিঘা ভূমিত অবৈধভাৱে বসবাস কৰি আছিল প্ৰায় ৮ হাজাৰৰো অধিক পৰিয়ালে।আৰক্ষীৰ সম্পূৰ্ণ সহযোগত চলা এই অভিযানৰ লক্ষ্য হৈছে অবৈধভাৱে বসবাস কৰা ৬৬৭টা অবৈধভাৱে নিৰ্মাণ কৰা ঘৰ আঁতৰোৱা। ২০২৩-২৪ বৰ্ষৰ পৰা একাধিকবাৰ জাননী প্ৰদান কৰা হৈছিল যাতে অবৈধ বেদখলকাৰীয়ে ঠাই খালি কৰে, কিন্তু অধিকাংশ পৰিয়ালে জাননী অমান্য কৰি বাস কৰি আহিছিল। উচ্ছেদ অভিযান চলি থকাৰ মাজতেই অত্যন্ত হৃদয়বিদাৰক দৃশ্য দেখা যায়।অসংখ্য নাৰী, শিশু, বয়স্ক নাগৰিক, কাঁহী, কাপোৰ, সামগ্ৰী ল'ই অসহায়ভাৱে ওপজা ঘৰ এৰি ওলাই আহে। কিছুমানে শুকশুকাই কান্দে, আন কিছুমানে অজ্ঞাত হৈ মাটিত ঢলি পৰে। একাংশ উচ্চেদিত লোকে সংবাদ মাধ্যমৰ আগত কয়- আমাৰ থাকিবলৈ ঠাই নাই, আমাক উচ্ছেদ নকৰিব। যদি আমাক উচ্ছেদ কৰে তেন্তে আমাক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰি দিয়ক আমাৰ কবলৈ একো নাই। উচ্ছেদৰ পূৰ্বেই একাংশ অবৈধ দখলকাৰী ঘৰ এৰি গৈছে আৰু কিছুলোকে কান্দি কান্দি আল্লাক প্ৰাৰ্থনা কৰিছে। পুৱা ৫ বজাৰে পৰা ২০খন এ'ভেটৰেৰে প্ৰশাসনৰ উচ্ছেদ অভিযান আৰম্ভ হয়।চৰকাৰী সূত্ৰৰ মতে, বেদখল কৰা ভূমিত পাঁচখন বিদ্যালয় আৰু এটা জল জীৱন মিছন (JJM) প্ৰকল্পও আছে, যিবোৰ ৰাজহুৱা সম্পত্তিৰ ওপৰত অনুমোদন অবিহনে কাম কৰি আহিছে। গোৱালপাৰা আৰক্ষীয়ে এই অভিযানৰ সময়ত আইন-শৃংখলা বজাই ৰাখিবলৈ আৰু কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহ'বলৈ নিৰাপত্তাৰক্ষী মোতায়ন কৰে। বিষয়াসকলে কয় যে, এই উচ্ছেদ বেদখল কৰা চৰকাৰী ভূমি উদ্ধাৰ কৰি জনকল্যাণমূলক প্ৰকল্প আৰু বহনক্ষম উন্নয়নৰ বাবে পুনৰুদ্ধাৰ কৰাৰ অভিযানৰ অংশ। আনফালে,এই উচ্ছেদৰ পাছতেই দেখা দিয়ে ৰাজনৈতিক প্ৰতিক্ৰিয়া। ৮ নং ভালুকডুবিৰ অগপ দলৰ জিলা পৰিষদ সদস্য আব্দুৰ ৰহিম জিব্ৰানে আজি জিলা পৰিষদৰ পদৰ পৰা পদত্যাগ ঘোষণা কৰে। তেওঁ ফেচবুক পেজৰ পোষ্টত লিখে-যেতিয়া এজন নিৰ্বাচিত জন-প্ৰতিনিধিয়ে নিজৰ অঞ্চলৰ দুখীয়া, অসহায় ৰাইজৰ হকে কিছু কৰিব নোৱাৰে, তেতিয়া পদত থকাটো যুক্তিহীন। সেইবাবেই মই ভালুকডুবিৰ জনসাধাৰণক কৃতজ্ঞতা জনাই পদত্যাগ কৰিলোঁ।

## দেশৰ ১৬ সংখ্যক

প্ৰথমবাৰৰ বাবে উত্তৰদাতাসকলে ঘৰৰ পৰাই প্ৰশ্নৰ উত্তৰ দিব পাৰিব, কিয়নো আগন্তুক লোকপিয়ল হ'ব ভাৰতৰ প্ৰথমটো ডিজিটেল লোকপিয়ল। দ্বিতীয় পৰ্যায় জনসংখ্যা গণনা (পি ই)ত পৰিয়ালটোত বাস কৰা প্ৰতিজন ব্যক্তিৰ জনগাঁথনিগত, আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু অন্যান্য ব্যক্তিগত তথ্য সংগ্ৰহ কৰা হ'ব। স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে জাতি গণনাও হ'ব লোকপিয়লৰ অনুশীলনৰ অংশ। এপ্ৰিল মাহত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছিল যে, আগন্তুক ৰাষ্ট্ৰীয় লোকপিয়লত গোচৰৰ লোকপিয়লকো অন্তৰ্ভুক্ত কৰা হ'ব। ২০১১ চনত অন্তিমবাৰৰ বাবে দেশত লোকপিয়ল অনুষ্ঠিত হৈছিল। ১৬ বছৰৰ অন্তত পুনৰ দেশত আৰম্ভ হ'ব লোকপিয়ল। লোকপিয়লৰ সমান্তৰালকৈ এইবাৰ জাতিগত গণনাও কৰা হ'ব। যাক লৈ দেশজুৰি চৰ্চা অব্যাহত আছে। অধিসূচনা অনুসৰি প্ৰথম পৰ্যায়ত ২০২৬ চনৰ ১ অক্টোবৰৰ পৰা লাডাখৰ দৰে বৰফাবৃত অঞ্চলসমূহত লোকপিয়ল আৰম্ভ হ'ব। অধিসূচনাত কোৱা হৈছে, "কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখ আৰু জম্মু-কাশ্মীৰ আৰু ৰাজ্য হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বৰফাবৃত অঞ্চলৰ বাহিৰে উক্ত লোকপিয়লৰ ৰেফাৰেন্স তাৰিখ হ'ব ২০২৭ চনৰ ১ মাৰ্চ। কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰ আৰু লাডাখ আৰু হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ দৰে ৰাজ্যৰ বৰফাবৃত এলেকা সন্দৰ্ভত ৰেফাৰেন্স তাৰিখ হ'ব ২০২৬ চনৰ ১ অক্টোবৰ।" সমগ্ৰ দেশৰ জনসংখ্যা সম্পৰ্কীয় তথ্য সংগ্ৰহৰ ক্ষেত্ৰত প্ৰায় ৩৪ লাখ গণনাকাৰী, তত্ত্বাৱধায়কে কাম কৰিব। ডিজিটেল সঁজুলি সজ্জিত প্ৰায় ১.৩ লাখ লোকপিয়ল কৰ্মী জড়িত হ'ব। চৰকাৰী বিবৃতি অনুসৰি লোকপিয়লৰ সমান্তৰালকৈ জাতিগত গণনাও কৰা হ'ব।

## ধুবুৰীত সংঘটিত ঘটনাৰ

গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত কৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীসকলৰ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি ফুকনে কয় যে, ধুবুৰীৰ ঘটনাটো সাম্প্ৰদায়িক বিষবাষ্প বিয়পাবৰ বাবে গ্ৰহণ কৰা এক পদক্ষেপ। এই ঘটনা গৃহ বিভাগৰ ব্যৰ্থতাৰ বাবেই সংঘটিত হ'বলৈ পালে। সেই ব্যৰ্থতাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আমি আহ্বান জনাইছোঁ। এনেকুৱা ঘটনা যাতে পুনৰাবৃত্তি নঘটে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমি বাৰে বাৰে কৈ আহিছোঁ যে অবৈধ বাংলাদেশীৰ অবাধ আগ্ৰাসনে অসমত মৌলবাদী জেহাদীৰ উত্থান ঘটাইছে। এই সমগ্ৰ বিষয়টোক লৈ ৰাজনীতি নকৰি প্ৰকৃতাৰ্থত জাতিটো ৰক্ষা কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু গৃহ বিভাগৰ ব্যৰ্থতা স্বীকাৰ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰা উচিত। কাৰণ ধুবুৰীৰ দৰে ঘটনা দেখিলেই গুলীয়াই দিয়াৰ নিৰ্দেশ দিবলগীয়া পৰিস্থিতিৰ যেতিয়া সৃষ্টি হৈছে আচলতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগৰ দায়িত্বত থকাৰ অধিকাৰ নাই। আনহাতে জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি ফুকনে কয় জলসম্পদ বিভাগৰ মন্ত্ৰী হাজৰিকাই এই বাৰিষাৰ সময়ত মথাউৰি পৰিদৰ্শন কৰাতকৈ অসমৰ বহু মথাউৰিৰ ম্যাদ উকলি গৈছে সেই সমূহ অফিচৰ ফাইলতে আবদ্ধ আছে, কিন্তু এই ক্ষেত্ৰত মঠাউৰিবোৰ পুনৰনিৰ্মাণৰ ব্যৱস্থা নকৰি ৰাইজৰ মাজত চমক সৃষ্টি কৰিবলৈ এই ভৰবাৰিষা মথাউৰি চাই ফুৰাৰ সময় নাই। বাৰিষ মথাউৰি কিয় নিৰ্মাণ কৰে বুলিও ফুকনে প্ৰশ্ন উত্থাপন কৰে। সাধাৰণ সম্পাদক ফুকনে আৰু কয় যে সমগ্ৰ বিষয়টো ৰঙা ফিতাৰ মেৰ পেছত আৱদ্ধ হোৱাৰ বাবে জনসাধাৰণে সমস্যাৰ সন্মুখীন হৈছে। খৰালিৰ সময়ত মথাউৰি নিৰ্মাণৰ কিয় ব্যৱস্থা গ্ৰহণ নকৰে? আহিবলগীয়া নিৰ্বাচনত ইয়াৰ প্ৰত্যুত্তৰ জনসাধাৰণে দিব বুলি মন্তব্য কৰি অতি সোনকালে অসমৰ কিমান মথাউৰি ম্যাদ উকলি গৈছে তাৰ এখন শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈয়ো দাবী জনায়।

## গৌৰৱ গগৈয়ে নামাজ

বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। সাংবাদিকৰ সৈতে হোৱা এক বাৰ্তালাপত সভাপতি শইকীয়াই কয় যে, তেওঁ আৰ এছ এছৰ 'স্বয়ংসেৱক', যাৰ অৰ্থ হৈছে "সকলোৰে কল্যাণ আৰু সকলোৰে সেৱা।" "গৌৰৱ গগৈয়ে যিমানেই আৰ এছ এছক অপব্যৱহাৰ কৰিব সিমানেই আমাৰ জাতীয়তাবাদী শক্তি আৰু শক্তিশালী হ'ব। শেহতীয়াকৈ মহাৰাষ্ট্ৰ আৰু হাৰিয়ানাৰ নিৰ্বাচনী ফলাফলে এই সত্য প্ৰমাণ কৰিছে। গৌৰৱ গগৈয়ে ভালদৰে বুজি পাইছে।" এইদৰে কয় দিলীপ শইকীয়াই। ৰাজ্যখনৰ কিছুমান বিশেষ অঞ্চলত শেহতীয়াকৈ সৃষ্টি হোৱা উত্তেজনাৰ সন্দৰ্ভত মন্তব্য কৰি গৌৰৱ গগৈয়ে দেওবাৰে অভিযোগ কৰে যে, আৰ এছ এছে ৰাজ্যৰ প্ৰতিখন গাঁৱত প্ৰৱেশ কৰি অহা বছৰৰ আৰম্ভণিতে অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পূৰ্বে জনগোষ্ঠীৰ মাজত শত্ৰুতা সৃষ্টি কৰাৰ বাবে প্ৰচেষ্টা চলাইছে।" ধৰ্মৰ নামত তেওঁলোকে সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰি মানুহক বিভাজিত কৰাৰ চেষ্টা চলাইছে। আগন্তুক দিনত এনে ধৰণৰ উত্তেজনাৰ পৰা হাত সাৰিবলৈ তেওঁলোকক পৰীক্ষণ কৰি থানাত পঞ্জীয়ন কৰিবলৈ অসম আৰক্ষীক অনুৰোধ জনালোঁ।" এইদৰে কৈছিল গৌৰৱ গগৈয়ে। গৌৰৱ গগৈৰ এই মন্তব্যৰ পাছতে দিলীপ শইকীয়াই দাবী কৰে যে, আনকি মহাত্মা গান্ধীয়েও ১৯৩৪ চনত মহাৰাষ্ট্ৰৰ ৱাৰ্ধাত থকা আৰ এছ এছৰ শিবিৰত উপস্থিত হৈ সংগঠনটোৰ বিষয়ে প্ৰশংসাসূচক মন্তব্য কৰিছিল। লগতে তেওঁ কয়, "যিসকলে জীৱনৰ আধা সময় শীতাতপ নিয়ন্ত্ৰিত কোঠাত কটায়, তেওঁলোকে কেতিয়াও সঁচা অৰ্থত বুজিব নোৱাৰে যে আৰএছএছ কি বা ই কি কৰে। আৰএছএছে সাধাৰণ মানুহৰ মাজত কাম কৰে।" "এয়া কেৱল তেওঁৰ বক্তব্য নহয়। ই ইচ্ছাকৃতভাৱে গঢ়ি তুলিবলৈ চেষ্টা কৰা এক নেৰেটিভ।" শইকীয়াই আৰু কয় যে, যদি গগৈয়ে আৰ এছ এছক এইদৰে সমালোচনা কৰি থাকে তেন্তে বিজেপি অধিক সক্ৰিয় হৈ উঠিব। "গৌৰৱ গগৈয়ে নামাজ পঢ়িব জানে, কালিমা পাঠ কৰে, বহুতে তেওঁৰ বাবে প্ৰাৰ্থনা কৰে। কিন্তু যদি শুদ্ধকৈ গুৰুজনাৰ কীৰ্তন ঘোষাখনো এবাৰ পঢ়ে সকলোৱে তেওঁক আৰু ভাল পাব।" এই দৰে কয় দিলীপ শইকীয়াই। তেওঁ লগতে অভিযোগ কৰে যে, তেওঁ আই এছ আইৰ এজেণ্ট বুলি অভিযোগ উত্থাপন হৈ আহিছে আৰু তেওঁৰ পত্নীয়ে পাকিস্তানী চোৰাংচোৱা সংস্থাৰ তত্ত্বাৱধানত কাম কৰে। তেওঁৰ দৰে কোনোবা এজনৰ পৰা আৰ এছ এছৰ সত্যতা শুনিবলৈ আশা কৰাটো মূৰ্খামি বুলি কটাক্ষ কৰে দিলীপ শইকীয়াই।



# পৰম্পৰাৰ জিলিকনিত শিলচৰত উদ্‌যাপন জিলা দিৱস

## কাছাৰ জিলা প্ৰশাসনৰ এক ব্যতিক্ৰমী পদক্ষেপেৰে গান্ধী ভৱনত এক সমাৰেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিলচৰ, ১৫ জুন ঃ** পৰম্পৰাগতভাৱে কাছাৰ জিলা প্ৰশাসনে শুকুৰবাৰে শিলচৰৰ গান্ধী ভৱনত জিলা দিৱস উদযাপন কৰে। জিলাখনৰ চহকী ঐতিহ্য, সাংস্কৃতিক বৈচিত্ৰ্য আৰু নিৰন্তৰ উন্নয়ন যাত্ৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই অনুষ্ঠানস্থলীত প্ৰশাসনিক বিষয়া, বিশিষ্ট শিক্ষাবিদ, বুদ্ধিজীৱী, ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজ সমবেত হয়। অনুষ্ঠানৰ আৰম্ভণিতে সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে প্ৰতিভাৱান শিল্পীসকলে জিলাখনৰ সাংস্কৃতিক ঐতিহ্যৰ সুৰ গাইছিল। বক্তৃতা অধিবেশনে জিলাখনৰ ঐতিহাসিক ভেটি আৰু প্ৰশাসনিক অগ্ৰগতিৰ ওপৰত আলোকপাত কৰি এক প্ৰেৰণাদায়ক পৰিৱেশৰ সৃষ্টি কৰে। অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে কাছাৰৰ জিলা উন্নয়ন আয়ুক্ত শ্ৰী নৰসিং বে, । ভাষণত তেওঁ কয়, "কাছাৰ কেৱল ভৌগোলিক অঞ্চল নহয়, ই এক জীৱন্ত ঐতিহ্য—সহাৱস্থান, সংগ্ৰাম আৰু প্ৰগতিৰ ইতিহাস।আজি আমাৰ বাবে প্ৰতিশ্ৰুতি দিয়াৰ দিন—সমগ্ৰ উন্নয়নৰ পথত আগবাঢ়ি যোৱাৰ দিন।" তেওঁ আৰু কয় যে প্ৰশাসনে অংশগ্ৰহণমূলক শাসনৰ জৰিয়তে তৃণমূল পৰ্যায়ত নাগৰিকক সবলীকৰণৰ বাবে কাম কৰি আছে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰী প্ৰণৱ কুমাৰ বৰায়ে ভাষণ প্ৰসঙ্গত গ্ৰাম্য কাছাৰ অঞ্চলৰ প্ৰগতিশীল ভূমিকাক আলোকপাত কৰে। তেওঁ কয়, "গ্ৰাম্য কাছাৰৰ জনজীৱন আৰু সংস্কৃতি আমাৰ জিলাৰ প্ৰাণ আৰু পঞ্চায়তীৰাজৰ অনুষ্ঠানসমূহ শক্তিশালী কৰাৰ বাবে প্ৰশাসনে নিৰন্তৰ সহায় আগবঢ়াইছে।" তেওঁ যুৱক-যুৱতীসকলক জিলাখনৰ ঐতিহ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভৱিষ্যত গঢ়িবলৈ আগবাঢ়ি অহাৰ আহ্বান জনায়। অনুষ্ঠানৰ মুখ্য বক্তা তথা আমন্ত্ৰিত অতিথি হিচাপে শিক্ষাবিদ শ্ৰী সঞ্জীৱ দেৱ লস্কৰে তেওঁৰ ভাষণত কাছাৰ জিলাৰ গঠন আৰু প্ৰশাসনিক বিৱৰ্তনৰ ইতিহাসৰ বিষয়ে বিশদভাৱে উল্লেখ কৰি কয় যে, "কাছাৰ জিলাৰ প্ৰতিষ্ঠানিক যাত্ৰা ব্ৰিটিছ শাসনৰ পৰিকাঠামোৰ ভিতৰতে গঢ় লৈ উঠিছে, যিটো পিছলৈ অসম ৰাজ্যৰ প্ৰশাসনিক ৰূপান্তৰৰ অংশ হৈ পৰিছিল।" ১৮ শতিকাত শিলচৰত জিলা উপায়ুক্তৰ কাৰ্যালয় স্থাপনৰ কথা স্মৰণ কৰি তেওঁ কয় যে উপত্যকাৰ প্ৰশাসনিক দিশৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত এয়া এক মাইলৰ খুঁটি। এই অনুষ্ঠানত জিলাখনৰ দুগৰাকী বিশিষ্ট ব্যক্তি ব্ শ্ৰী মন্থং মাৰ আৰু শ্ৰী নিৰ্মল দে কে অসম গৌৰৱ সন্মানেৰে সন্মানিত কৰা হয়। সমাজলৈ তেওঁলোকৰ বিশেষ অৱদানৰ স্বীকৃতি স্বৰূপে জিলা উন্নয়ন আয়ুক্ত শ্ৰী বেইয়ে তেওঁলোকক 'আয়ুষ্মান গোল্ড কাৰ্ড' প্ৰদান কৰে। অনুষ্ঠানৰ প্ৰাকক্ষণত স্বাস্থ্য বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। জিলা আয়ুক্ত শ্ৰী মৃদুল যাদৱ, সহকাৰী আয়ুক্ত শ্ৰী আশীষ উনহালে , আৰু শ্ৰীমতী ড. অঞ্জলি কুমাৰীৰ, লগতে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বহু কৰ্মচাৰীয়ে স্বেচ্ছাই ৰক্তদান কৰে। তদুপৰি অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ সহযোগত জিলা প্ৰশাসন চৌহদত আত্মসহায়ক গোটসমূহে স্থানীয় হস্তশিল্পৰ ষ্টল স্থাপন কৰিছিল, য'ত আত্মসহায়ক গোটৰ মহিলাসকলে নিজৰ হাতেৰে নিৰ্মিত সামগ্ৰী বিক্ৰী কৰিছিল—গ্ৰাম্য শিল্পকলাৰ এক অনন্য নিদৰ্শন। এই সন্ধিক্ষনত সহকাৰী আয়ুক্ত শ্ৰীমতী ড. বহ্নিকা চেতিয়া, সহকাৰী আয়ুক্ত তথা তথ্য আৰু জনসংযোগৰ ভাৰপ্ৰাপ্ত উপ সঞ্চালক, শ্ৰীমতী ড. দীপা ৰ লগতে কাছাৰ জিলা প্ৰশাসনৰ কৰ্মচাৰী উপস্থিত থাকে।

### ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগ

# কথা-সাহিত্যিক মনোৰমা দাস মেধিলৈ বংশীধৰ কলিতা সোঁৱৰণী গল্প সাধনা বঁটা

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৫ জুন ঃ** ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত আৰু লেখক সাহিত্যিক পুনৰাম কলিতাৰ সৌজন্যত আজি প্ৰথিতযশা মানৰ দৰদী কথা-সাহিত্যিক মনোৰমা দাস মেধিক ২০২৩-২০২৫ বৰ্ষৰ বংশীধৰ কলিতা সোঁৱৰণী গল্প সাধনা বঁটা প্ৰদান কৰা হয় ।ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰী শংকৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত আৰু টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই আঁত ধৰা বঁটা প্ৰদান অনুষ্ঠানত এগৰাকী আদৰ্শ কৃষক প্ৰয়াত বংশীধৰ কলিতাৰ জীৱন আৰু কৃতীৰ সন্দৰ্ভত আলোকপাত কৰে সুযোগ্য সন্তান তথা বিশিষ্ট সাহিত্যিক পুনুৰাম কলিতাই ।এই বঁটা প্ৰদান কৰে সাহিত্য অকাডেমী বঁটা প্ৰাপ্যক বিশিষ্ট কথা-সাহিত্যিক ডঃ অৰূপা পটংগীয়া কলিতাই ।ওদালগুৰি জিলাৰ ইতিহাস গ্ৰন্থ প্ৰদান কৰে গল্পকাৰ জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে ।এখন শৰাই আৰু স্মাৰক প্ৰদান কৰে ক্ৰমে ডঃ পবিত্ৰ কুমাৰ শৰ্মা আৰু জিলা সাহিত্য সভাৰ উপ সভাপতি সন্তোৰাম কছাৰীয়ে ।অনুষ্ঠানত সাহিত্য অকাডেমী বঁটা প্ৰাপ্যক বিশিষ্ট কথা- সাহিত্যিঞ্জক ডঃ অৰূপা পটংগীয়া কলিতাই কয় ব্যঞ্জনাময় ভাষাৰ গল্পকাৰ মনোৰামা দাস মেধি, অসমীয়া সাহিত্য জগতলৈ টংলাৰ উপহাৰ বুলি উনুকিয়াই মনোৰমা দাস মেধিৰ ব্যঞ্জনাময় ভাষা আৰু শব্দৰে চহকী সৃষ্টিশীল মনৰ গৰাকী তেওঁ সময়ৰ গতিশীলতাৰ সৈতে সমাজৰ পৰিবৰ্তনশীল গতিক প্ৰতিনিধিত্ব কৰি সৃষ্টি কৰা গল্পই সমাজৰ প্ৰতিটো মুহূৰ্তৰ চানেকি দাঙি ধৰাৰ উপৰি মূল্যবোধ সমৃদ্ধ গল্পৰ স্ৰষ্টা বুলি উল্লেখ কৰে । প্ৰথিতযশা সাহিত্যিক মনোৰমা দাস মেধিৰ গল্পৰ পুনৰ মূল্যায়ন কৰাৰ প্ৰয়োজন আহি পৰিছে বুলি উল্লেখ কৰি সম্প্ৰতি বিভিন্ন সামাজিক মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাত কিছু অশ্ৰাব্য আৰু বিজতৰীয়া ভাষাৰ সমাহাৰ ঘটাত ডঃ অৰূপা পটংগীয়া কলিতাই আক্ষেপ প্ৰকাশ কৰে । বঁটা গ্ৰহণ কৰি নিজৰ চমু বক্তব্যত গল্পকাৰ মনোৰমা দাস মেধিয়ে স্মৃতিৰ সফুৰাৰ পৰা সমাজৰ পৰিবৰ্তনশীল সময়ৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ কথা সুঁৱৰি তেওঁৰ জীৱনত প্ৰভাৱ পেলোৱা স্মৃতি ৰোমন্থন কৰে। শাৰীৰিক অসুস্থতাৰ বাবে লেখা-মেলাত কিছু প্ৰভাৱ পৰিছে বুলি উনুকিয়াই এনে বঁটা-সন্মানে নিজৰ ওপৰত অলপ হ'লেও বিশ্বাস জন্মাই, এনে সন্মানে মনটোক উচ্চাহিত কৰাৰ উপৰি সাহস আৰু অনুপ্ৰেৰণা দিয়ে বুলি কয় ।উক্ত অনুষ্ঠানত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য নিৰ্মল নাথ বিশিষ্ট গল্পকাৰ অঞ্জলি চক্ৰৱৰ্তী, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি আদিত চন্দ্ৰ কলিতা, ভদ্ৰকান্ত শৰ্মা, টংলা সাহিত্য সভাৰ উপ সভাপতি তপেশ্বৰ ৰাভা, সম্পাদক শ্যামল কুমাৰ দাস, জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক বিনন্দ হাজৰিকা, কমলা কান্ত শৰ্মা ,কামনা কাকতি, মইনা কলিতা, সাংবাদিক নাৰায়ণ ডেকা প্ৰমুখ্যে বিশিষ্ট অতিথি উপস্থিত থাকে।

# উপ-স্বাস্থ্য কেন্দ্ৰৰ স্থায়ীকৰণৰ দাবীত বানমুখ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ স্মাৰক পত্ৰ

**অসম বাতা, দিচাংমুখ, ১৫ জুন ঃ** শিৱসাগৰ জিলাৰ অন্তৰ্গত দিলিহি ধাইআলি উপস্বাস্থ্য কেন্দ্ৰটো স্থায়ী গৃহৰ অভাৱত প্ৰায় আৰম্ভণিৰ দিনৰে পৰা বিভিন্ন ব্যক্তিগত গৃহত অস্থায়ীভাৱে চলি অহা পৰিস্থিতিৰ বিৰুদ্ধে আজি বানমুখ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাই শিৱসাগৰ জিলা আয়ুক্তক স্মাৰক পত্ৰ দাখিল কৰে। ছাত্ৰ সন্থাৰ সভাপতি অনুপম চুতীয়া আৰু সাধাৰণ সম্পাদক অভিজিৎ চুতীয়াৰ নেতৃত্বত আগবঢ়োৱা স্মাৰক পত্ৰখনত উল্লেখ কৰা হৈছে যে — অঞ্চলটোৰ বহু ৰাইজ এতিয়াও উপযুক্ত স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈ আছে। স্বাস্থ্য কেন্দ্ৰটোৰ নিৰ্দিষ্ট আৰু পৰ্যাপ্ত স্থায়ী গৃহৰ অভাৱ আদিকে ধৰি এই সমস্যাৰ মূল কাৰণ বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰে। স্মাৰক পত্ৰত সন্নিবিষ্ট দাবীসমূহ হৈছে — (১)বৰ্তমান বন্ধ হৈ থকা বানমুখ চুতীয়া গাঁৱৰ বৰনামঘৰৰ ওচৰৰ দিলিহি ধাইআলি মধ্য ইংৰাজী বিদ্যালয়ৰ গৃহলৈ উপস্বাস্থ্য কেন্দ্ৰটোক স্থানান্তৰ কৰাৰ দাবী। (২) বিদ্যালয় চৌহদৰ পৰ্যাপ্ত ঠাই আৰু সুবিধাৰ সুবিধা লৈ স্বাস্থ্য কেন্দ্ৰটোক উপজিলা চিকিৎসালয়লৈ উন্নীত কৰা। (৩)স্থায়ী চিকিৎসকৰ নিযুক্তি আৰু ফাৰ্মাচীৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ। সন্থাটোৱে জিলা প্ৰশাসনৰ প্ৰতি গভীৰ আহ্বান জনাই যে এই বিষয়ত অতি শীঘ্ৰেই পদক্ষেপ ল'বলৈ অনুৰোধ জনায়, যাতে অঞ্চলটোৰ ৰাইজে দীৰ্ঘদিনৰ পৰা প্ৰত্যাশা কৰা স্বাস্থ্য সেৱা লাভ কৰিব পাৰে। এই স্মাৰক পত্ৰ আগবঢ়োৱাৰ সময়ত সংগঠনটোৰ কেইবাগৰাকী বিষয়ববীয়া সদস্য উপস্থিত থাকে। জনসাধাৰণৰ মাজত এক প্ৰতিক্ৰিয়া সৃষ্টি কৰা এই দাবীসমূহক লৈ এতিয়া জিলা প্ৰশাসনে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব সেয়া লক্ষ্যণীয় হব।

# ধমধমাত বোৱাৰীৰ ৰহস্যজনক মৃত্যুক লৈ উত্তেজনা, স্বামীয়ে হত্যা কৰি ৰূপ দিছে আত্মহত্যাৰ

### মৃতদেহত প্ৰহাৰৰ চিন স্পষ্ট ৰঙাঘৰৰ আলহী হ'ল পত্নীহন্তা মুকুন্দ দাস
### পুত্ৰয়ো হত্যাকাণ্ডৰ সৈতে জড়িতৰ সন্দেহ পুত্ৰক নিদিলে মুখাগ্নি কৰিবলৈ
### হত্যাকাৰীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী ৰাইজৰ

**অসম বাৰ্তা, ধমধমা, ১৫ জুন ঃ** ধমধমা নিকটৱৰ্তী বাক্সা জিলাৰ বৰমা থানাৰ অন্তৰ্গত জাৰতালুক গাঁৱত কালি এগৰাকী বোৱাৰীৰ ৰহস্যজনক মৃত্যুই সমগ্ৰ অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি জাৰতালুক গাঁৱৰ মুকুন্দ দাসে পত্নী সুভদ্ৰা দাস(৪৫)ক শাৰীৰিকভাৱে নিৰ্যাতন চলাই হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়ে।প্ৰাপ্ত তথ্য অনুসৰি মুকুন্দ দাসে প্ৰায়েই মদ্যপান কৰি পত্নী সুভদ্ৰা দাসক শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰি আহিছিল। কালি আবেলিও মুকুন্দ দাসে মদ্যপান কৰি আহি সামান্য কথাতেই পত্নীক সুভদ্ৰা দাসক প্ৰহাৰ কৰে । অভিযুক্ত স্বামী মুকুন্দ দাসে দিয়া ভাষ্য অনুসৰি আবেলি প্ৰায় চাৰি বজাত তেওঁ পত্নীৰ সৈতে কাজিয়াত লিপ্ত হৈ পত্নীক প্ৰহাৰ কৰে ।পিচত চিপ লৈ আত্মহত্যা কৰিবলৈ লোৱা অৱস্থাত প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ চিপজৰী কাটি নমাই আনে। কিন্তু পত্নী সুভদ্ৰা দাসৰ মৃত্যু হয় ।ইয়াৰ পিচত সন্ধিয়া প্ৰায় ৬-৪৫ বজাত চুবুৰীয়া আৰু আত্মীয় লোকে এই বিষয়ে অৱগত হয় ।জানিব পৰা মতে বাটৰুৱাই সুভদ্ৰা দাসৰ চিৎকাৰো শুনিবলৈ পাইছিল। সুভদ্ৰা দাসৰ পিতৃগৃহই অভিযোগ কৰা মতে মুকুন্দ দাসে সুভদ্ৰা দাসক প্ৰহাৰ কৰি শেষত আত্মহত্যা ৰূপ দিবলৈ চেষ্টা কৰে । আনকি কোনো লোক উপস্থিত নথকা অৱস্থাতেই ৰছী কাটি নমাই আনিছিল। দিনটোত তিনি-চাৰিবাৰকৈ মদ্যপান কৰা মুকুন্দ দাসে সুভদ্ৰা দাসৰ ওপৰত অমানৱীয় নিৰ্যাতন চলাইছিল। কালিও সুভদ্ৰা দাসক স্বামী মুকুন্দ দাস আৰু তেওঁৰ পৰিয়ালৰ লোকে হত্যা কৰি আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা কৰে । মৃতদেহত কেইবাঠাইতো আঘাতৰ চিন স্পষ্ট হৈ থকাটোৱে সুভদ্ৰা দাসক শাৰীৰিক অত্যাচাৰ কৰি হত্যা কৰা বুলি ৰাইজে অভিযোগ কৰিছে ।ইতিমধ্যে কালি নিশাই বৰমা আৰক্ষী থানাই ঘটনাস্থলীত উপস্থিত হৈ মুকুন্দ দাসৰ আটক কৰাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰৰ ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আজি মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰা হয়। সুভদ্ৰা দাসৰ পিতৃ পৰিয়ালে দিয়া এজাহাৰৰ ভিত্তিত বৰমা থানাত এক গোচৰ পঞ্জীয়ন কৰা হৈছে। শুক্ৰবাৰে আবেলি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ অন্তত নিজ বাসভৱনলৈ অনাৰ পিচত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি হয়। অভিযুক্ত স্বামী, পুত্ৰ আৰু শাহুয়েকক ফাচীৰ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে।অতি অমায়িক আৰু পৰিশ্ৰমী মহিলা সুভদ্ৰা দাসৰ হত্যাৰ সঠিক তদন্ত কৰি হত্যাকাৰী স্বামীৰ লগতে এই হত্যাকাণ্ডৰ লগত জড়িত ব্যক্তিক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ অঞ্চলটোৰ ৰাইজে আৰক্ষীক দাবী জনাইছে।

# আমগুৰিত গৰমৰ প্ৰকোপত শ্ৰমিকৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, আমগুৰি, ১৫ জুন ঃ** অসমত বৰ্তমান উৎকট গৰমে ৰাজ্যজুৰি জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। সূৰ্যৰ উত্তাপ সহিব নোৱাৰি শেহতীয়াকৈ শিৱসাগৰ জিলাৰ বৰচিলা চাহ বাগিছাত এক দুঃখজনক ঘটনা সংঘটিত হৈছে। গৰমৰ প্ৰকোপতে বাগিছাত কাম কৰা বাউলি পুখুৰী কৈৱৰ্ত গাঁৱৰ বিজু কুমাৰ দাস (৪২) নামৰ এজন শ্ৰমিকৰ অকাল মৃত্যু ঘটিছে। প্ৰাপ্ত বাতৰি মতে, প্ৰয়াত বিজু দাসে যোৱা বৃহস্পতিবাৰে অন্যান্য শ্ৰমিকৰ সৈতে কেঁচা চাহপাত তোলা কামত নিয়োজিত আছিল। দুপৰীয়া মধ্যাহ্ন বিৰতি চলি থকা সময়তে, তেওঁ হঠাৎ অসুস্থ হৈ ঢলি পৰে। সহকৰ্মীসকলৰ সহায়ত দ্ৰুতভাৱে তেওঁক বৰচিলা চাহ বাগিছাৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। প্ৰাথমিক চিকিৎসাৰ পাছত বাগিছাৰ এম্বুলেন্সেৰে আমগুৰি সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ স্থানান্তৰ কৰা হয়, যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। মৃত দাস বৰচিলা চাহ বাগিছাত ঠিকাদাৰৰ যোগেদি অস্থায়ীভাৱে নিযুক্তি লাভ কৰিছিল। তেওঁৰ দাসে মৃত্যুৰ সময়ত তেওঁৰ মাতৃ, এজন পুত্ৰ, দুজন ভাতৃ আৰু ভাই বোৱাৰীক ইহ সংসাৰত এৰি গৈছে।

# ভাৰতীয় ষ্টেট বেংকৰ হাউলী শাখাৰ উদ্যোগত কৃষি ঋণ সন্দৰ্ভত সজাগতামূলক সভা সম্পন্ন

**অসম বাৰ্তা, জনীয়া, ১৫ জুন ঃ** ভাৰতীয় ষ্টেট বেংকৰ উদ্দ্যোগত ৯ জুনৰ পৰা ১৩ জুনলৈ কৃষি ঋণৰ ওপৰত এক সজাগতা সপ্তাহ পালন কৰা হয়। তাৰে অংশ হিচাপে ১২ জুন বৃহস্পতিবাৰে বৰপেটা জিলাৰ বানিয়াৰাপাৰাস্থিত জনপ্ৰিয় মহাবিদ্যালয়ত ভাৰতীয় ষ্টেট বেংকৰ হাউলী শাখাৰ সৌজন্যত সজাগতামূলক সভা অনুষ্ঠিত হয়।জনপ্ৰিয় কলেজৰ অধ্যক্ষ ছৈয়দ মইনুল হকৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সজাগতামূলক সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে হাউলী শাখাৰ ডি বি এম আদিল হুছেইনে ।সভাত শতাধিক কৃষিজীৱী ৰাইজৰ লগতে হাউলী শাখাৰ মুখ্য প্ৰবন্ধক দেবেন্দ্ৰ ছাতুলা, অতিৰিক্ত শাখা প্ৰবন্ধক আদিল হুছেইন, বৰপেটা জিলাৰ পশু চিকিৎসক শ্বেহনাজ পাৰবিন আহমেদ, বৰপেটা জিলা কৃষি বিষয়া মমিন দলে আদি কৰি ভাৰতীয় ষ্টেট বেংক হাউলী শাখাৰ কেইবাজনো বিষয়া, কৰ্মচাৰী আৰু জনপ্ৰিয় মহাবিদ্যালয়ৰ প্ৰৱক্তা, কৰ্মচাৰী সকল উপস্থিত থাকি কৃষি ঋনৰ জৰিয়তে কৃষক সকলে কেনেদৰে লাভান্বিত হ'ব পাৰে আৰু ঋণ পৰিশোধৰ জৰিয়তে নিজৰ চিবিল ভাল ৰাখিলে চৰকাৰী ভাৱে কিদৰে লাভবান হ'ব পাৰি তাৰ ওপৰত সজাগতামূলক ভাষণ প্ৰদান কৰে। ভাষন প্ৰসংগত ভাৰতীয় ষ্টেট বেংকৰ মুখ্য শাখা প্ৰৱন্ধক দেবেন্দ্ৰ ছাতুলাই কয় যে, চৰকাৰে আমাক দৰমহা নিদিয়ে।গ্ৰাহক ৰাইজে বেংকত জমা থোৱা ধন খটোৱাৰাই উপাৰ্জন কৰি আমি দৰমহা লওঁ। যাৰ কাৰণে আমি সৰ্বদাই গ্ৰাহক ৰাইজৰ ওচৰত দায়বদ্ধ। এজন গ্ৰাহকৰ ঋণ বা চিবিল বেয়া হ'লে তেওঁ খেতি কৰি থকা নুবুজায়। ফলত গ্ৰাহক তথা খেতিয়ক জনৰ খেতি নষ্ট হ'লেও কৃষি বীমা পোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। কিন্তু এটা কথা ঠিক যে, কোনোবাই ঋণ লৈ চিবিল ভাল নকৰিলে প্ৰয়োজনত তেওঁৰ মেধা ছাত্ৰ সন্তানেও উচ্চ শিক্ষাৰ কাৰণে ঋণ লোৱাৰ সুবিধাৰ পৰা বঞ্চিত হ'ব লাগিব। এজন গ্ৰাহকে বিশেষ অসুবিধাৰ কাৰণে ঋণ পৰিশোধ কৰিব নোৱাৰিলেও গ্ৰাহক জনে বেংকৰ লগত ভাল সম্পৰ্ক ৰাখিব লাগে। বেংকে এজন গ্ৰাহকক ঋণ দিয়াৰ পাছত সেই গ্ৰাহক জনক হেৰাব নিবিচাৰে। বেংকৰ লগত চিবিল ভাল ৰাখিলে এজন গ্ৰাহকে ভাৰতীয় ষ্টেট বেংকৰ পৰা পৰ্য্যাপ্ত ঋণ পোৱাৰ সুবিধা আছে। অথচ এজন গ্ৰাহকে ঋণ লৈ যদি ঋণ পৰিশোধ কৰাত অৱহেলা কৰে তেন্তে তেওঁৰ পিছৰ প্ৰজন্মই হ'লেও সেই ঋণ পৰিশোধ কৰিবই লাগিব। সজাগতামূলক সভা খনত গ্ৰাহক ৰাইজক উদ্দেশ্যি এনেদৰে বহুতো তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদান কৰে মুখ্য শাখা প্ৰৱন্ধক গৰাকীয়ে। সভাৰ শেষত ১০ গৰাকী ব্যক্তিলৈ কৃষি ঋণৰ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। আজিৰ এই সজাগতামূলক সভাখন সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত বানিয়াৰাপাৰাৰ গৰেমাৰী বজাৰস্থিত এছ বি আই হাউলী শাখাৰ অধীনস্থ গ্ৰাহক সেৱা কেন্দ্ৰৰ স্বত্বাধিকাৰী জাকিৰ হুছেইন আৰু জাহাংগীৰ আলমে পূৰ্ণ সহযোগিতা আগবঢ়ায়।

# কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেবাটাও দাবী সমাধানৰ অৰ্থে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰক-পত্ৰ

**ষ্টাফ ৰিপৰ্টাৰ টংলা, ১৫ জুন ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেবাটাও দাবীৰ সমাধানৰ অৰ্থে ওদালগুৰি জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড''ৰ হিমন্ত বিশ্ব শৰ্মালৈ আজি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন ৰায় ,সাধাৰণ সম্পাদক হেমন্ত বড়া কোচ,ওদালগুৰি জিলা সমিতিৰ সভাপতি মিণ্টু বৰুৱা ,সম্পাদক ৰতন ডেকা স্বাক্ষৰিত স্মাৰক পত্ৰত নিম্নলিখিত দাবী সমূহ তেখেতৰ দৃষ্টি গোচৰ কৰা আৰু কাৰ্যকৰীকৰণৰ বাবে প্ৰেৰণ কৰা দাবী সমূহ হৈছে:বি টি আৰ অঞ্চলৰ অন্তৰ্গত ওদালগুৰি জিলা,তামুলপুৰ জিলা আৰু বা'ি জিলাৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকক সংৰক্ষিত জাতিৰ মৰ্যদা প্ৰদান, বি টি আৰ অঞ্চলৰ অন্তৰ্গত ওদালগুৰি জিলা,তামুলপুৰ জিলা আৰু বা'ি জিলাৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকক ভূমিৰ অধিকাৰ প্ৰদান ,বি টি আৰ অঞ্চলৰ কোচ ৰাজবংশীৰ উন্নয়নৰ বাবে বি টি আৰ কোচ ৰাজবংশী উন্নয়ন পৰিষদ গঠন ,অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকক ভৈয়াম জনজাতিৰ ST(P)মৰ্যদা প্ৰদান আৰু ঐতিহাসিক পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন ত্ৰিপাক্ষিক(কেন্দ্ৰীয় চৰকাৰ,অসম চৰকাৰ আৰু আক্ৰাছু)বৈঠক অনুষ্ঠিতকৰণ। অসম চৰকাৰৰ মুখ্যমন্ত্ৰীক অতি শীঘ্ৰে উক্ত দাবীসমূহ সমাধান কৰিবলৈ সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হেমন্ত বড়া কোচে অনুৰোধ জনাইছে।



# বামুণপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বৰ্ষজোৰা মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান আয়োজন

**অসম বাৰ্তা, জাঁজী, ১৫ জুন ঃ** ইতিহাস প্ৰসিদ্ধ বৃহত্তৰ বামুণপুখুৰী অঞ্চলত ১৯৪৫ চনতে স্থাপিত হোৱা একমাত্ৰ অগ্ৰণী শিক্ষানুষ্ঠান বামুণপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱময় মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান আয়োজনৰ দিশে আগবাঢ়িছে।এই সন্দৰ্ভত মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান ৰ প্ৰচাৰ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি আগন্তুক ডিচেম্বৰ মাহৰ ৫, ৬ আৰু ৭ ডিচেম্বৰ তাৰিখে তিনিদিনীয়াকৈ অনুষ্ঠিত কৰিবলৈ লোৱা সামৰণি অনুষ্ঠানত মহাৰজত জয়ন্তী ৰ লগত সংগতি ৰাখি এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ কৰাৰ বাবে এখন আয়োজক কমিটি গঠন কৰি উক্ত কমিটি খনে যাৱতীয় সকলো কাম-কাজ আৰম্ভ কৰিছে । ইয়াৰ লগে-লগে মূল কমিটি ৰ তত্ত্বাৱধানত কেইবাখনো উপ-সমিটি গঠন কৰি মহাৰজত জয়ন্তীৰ সকলো কাৰ্য্যসূচী সঠিক ভাবে সম্পূৰ্ণ হোৱাৰ বাবে কমিটি সমূহক প্ৰয়োজনীয় দায়িত্ব অৰ্পণ কৰা হৈছে ।ইতিমধ্যে প্ৰতিযোগিতা উপ-সমিটি ৰ বিষয়-ববীয়া সকল একত্ৰিত হৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে । তদুপৰি বিদ্যালয়ৰ প্ৰাক্তন সকলক লৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ নামে এখন শক্তিশালী কমিটি গঠন কৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক একত্ৰিত কৰাকে ধৰি বহুখিনি গুৰুত্বপূৰ্ণ দায়িত্ব উক্ত কমিটি খনৰ ওপৰত অৰ্পণ কৰা হৈছে। বাকী উপ-সমিটি সমূহেও পৃথকে-পৃথকে নিজাববীয়াকৈ কৰিবলগীয়া সকলো আগতীয়া কাম-কাজ ইতিমধ্যে আৰম্ভ কৰিছে । এই সন্দৰ্ভত উদযাপন সমিটিৰ সভাপতি বিনোদ ৰঞ্জন হাজৰিকা আৰু সম্পাদিকা তথা বিদ্যালয়ৰ প্ৰধান গীতাঞ্জলি তাৰে জানিবলৈ দিয়া মতে আগন্তুক অনুষ্ঠানটো সূচাৰুৰূপে অনুষ্ঠিত কৰিবৰ বাবে আগতীয়াকৈ লবলগীয়া সকলো পদক্ষেপ ইতিমধ্যে হাতত লোৱা হৈছে আৰু এই ক্ষেত্ৰত আগন্তুক অনুষ্ঠানটো সফলভাৱে সমাপ্তি ৰ ক্ষেত্ৰত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজৰ সহযোগীতা কামনা কৰিছে। বিশ্ব ৰ বিভিন্ন প্ৰান্তত থকা প্ৰাক্তন সকলে সবিশেষ জানিবৰ বাবে বিদ্যালয় ৰ প্ৰধান তথা উদযাপন সমিটিৰ সম্পাদিকা ৰ সৈতে যোগাযোগ কৰিব পাৰিব। যোগাযোগ:৯৯৫৭৫২৭২২১।

# কামৰূপ জিলাত অৰুণোদয় ৩.০ আঁচনি পৰ্যালোচনা কৰিলে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৰঙিয়া, ১৫ জুন ঃ** সকলো যোগ্য হিতাধিকাৰীকে অৰুণোদয় ৩.০ আঁচনিৰ অধীনত সামৰি লোৱাতো নিশ্চিত কৰিবলৈ আজি নিৰ্দেশ প্ৰদান কৰে ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। আজি কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত অৰুণোদয় ৩.০ৰ বাবে থকা জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন সভাত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে এই নিৰ্দেশ প্ৰদান কৰে। তেওঁ সভাত উপস্থিত থকা খণ্ড উন্নয়ন বিষয়াসকলক নিজ নিজ উন্নয়ন খণ্ডৰ অধীনত অৰুণোদয় ৩.০ৰ বাবে হিতাধিকাৰী নিৰ্বাচনৰ সময়ত পূৰ্বতে অৰ্থাৎ অৰুণোদয় ২.০ৰ অধীনত বিত্তীয় সাহাৰ্য লাভ কৰি থকা যোগ্য হিতাধিকাৰীসকল যাতে কোনো কাৰণতে বাদ পৰি নৰয় সেই দিশত চকু ৰাখিবলৈ নিৰ্দেশ দিয়ে। সভাত মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰীৰ আৱেদন পত্ৰ ডিজিটাইজেশ্যন আৰু আঁচনিৰ সৈতে জড়িত অন্যান্য দিশৰো পৰ্যালোচনা কৰে। একেখন সভাতে তেওঁ কামৰূপ জিলাত মুখ্যমন্ত্ৰীৰ এটি কলি, দুটি পাত আঁচনি, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ ৰূপায়নৰ সৈতে জড়িত বিভিন্ন দিশ সন্দৰ্ভতো আলোচনা কৰে। সভাত ৰঙিয়াৰ বিধায়ক ভবেশ কলিতা, কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, জিলা পৰ্যায়ৰ সমিতিৰ সদস্য অঞ্জন গোস্বামী, বিধায়কসকলৰ প্ৰতিনিধি আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে। সভাত আহমেদাবাদত সংঘটিত শোকাবহ বিমান দুৰ্ঘটনাত নিহতসকলৰ বিদেহ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনাই মৌন প্ৰাৰ্থনাও কৰা হয়।

# বঙাইগাঁৱত তিনিদিনীয়া আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতা ফলাফল ঘোষণা

**অসম বাৰ্তা, বঙাইগাঁও, ১৫ জুন ঃ** বঙাইগাঁও জিলা ক্ৰীড়া বিভাগৰ উদ্যোগত যোৱা ইংৰাজী ১০জুন তাৰিখৰ পৰা ১২জুন,২০২৫ তাৰিখলৈ বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত তিনিদিনীয়াকৈ আন্তঃবিদ্যালয় ফুটবল খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। জিলাখনৰ ১৫বছৰ অনুৰ্দ্ধ ল'ৰাৰ শাখাত ১৬টা দল,১৭বছৰ অনুৰ্দ্ধ ল'ৰাৰ শাখাত ২৩ টা দল আৰু ১৭বছৰ অনুৰ্দ্ধ ছোৱালীৰ শাখাত ৫টা দলে এই আন্তঃবিদ্যালয় ফুটবল খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। খেলসমূহ আছিল পিলিক চৌধুৰী সোঁৱৰণী সদৌ অসম ফুটবল খেল, দেউকণ সোঁৱৰণী সদৌ অসম ফুটবল খেল আৰুনৃপেন্দ্ৰ নাৰায়ণ সিংহ সোঁৱৰণী সদৌ অসম ফুটবল খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে বাচনিমূলক ফুটবল খেল প্ৰতিযোগিতা।বঙাইগাঁও জিলাৰ পৰা পিলিক চৌধুৰী সোঁৱৰণী সদৌ অসম আন্তঃবিদ্যালয়(১৫ বছৰ অনুৰ্দ্ধ ল'ৰাৰ)ফুটবল খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দলটোৱে যোগ্যতা অৰ্জন কৰে। দেউকণ সোঁৱৰণী সদৌ অসম আন্ত:বিদ্যালয়(১৭ বছৰ অনুৰ্দ্ধ ল'ৰাৰ)ফুটবল খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে যোগ্যতা অৰ্জন কৰে জিলাখনৰ বীৰঝৰা উচ্ছতৰ মাধ্যমিক বিদ্যালয়ৰ দলটোৱে। আনহাতে ডি পি এম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ( ১৭ বছৰ অনুৰ্দ্ধ ছোৱালীৰ)ছোৱালীৰ দলটোৱে নৃপেন্দ্ৰ নাৰায়ণ সিংহ সোঁৱৰণী সদৌ অসম আন্ত:বিদ্যালয় ফুটবল খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ যোগ্যতা অৰ্জন কৰে। এই খেলসমূহ জিলা ক্ৰীড়া বিষয়া খনীন্দ্ৰ মুদৈ আৰু খেল বিভাগৰ প্ৰশিক্ষকসকলে সামগ্ৰিকভাৱে পৰিচালনা কৰে।

# ডিব্ৰুগড়ৰ মানকটা শতদল শাখাৰ উদ্যোগত বিষ্ণু প্ৰসাদ ৰাভা দিৱসৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ জুন ঃ** অসমীয়া সাংস্কৃতিক জগত তথা স্বাধীনতা সংগ্ৰামত নিজৰ অগ্ৰণী ভূমিকা পালন কৰা বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতি সন্মান জনাই আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো ডিব্ৰুগড় জিলা সাহিত্য সভাৰ অন্তৰ্গত মানকটা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত এদিনীয়া কাৰ্যসূচীৰে অহা ২০ জুন তাৰিখে "কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস"ৰ আয়োজন কৰা হৈছে বুলি শাখাৰ সম্পাদক নৱনীতা শ্যামে জানিবলৈ দিছে । ডিব্ৰুগড়ৰ মহানগৰ -মিলন নগৰস্থিত " চিফুঙ" প্ৰেক্ষাগৃহত অনুষ্ঠিত হব।এই উপলক্ষে ২০ জুনৰ দিনা অনুষ্ঠিত কৰিবলৈ লোৱা কাৰ্যসূচীত শাখাৰ প্ৰতিগৰাকী সদস্যক "কলাগুৰু বিষ্ণু ৰাভা" বিষয়ক একোটাকৈ কবিতা নাইবা কথিকা লিখি আনিবলৈ শাখাৰ তৰফৰ পৰা সংশিষ্ট সদস্য সকলক জনোৱা হৈছে। উক্ত অনুষ্ঠানতে "কলাগুৰু"ৰ স্মৃতিচাৰণৰ লগতে তেখেতৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰ আলোকপাত কৰি এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হৈছে ।এই অনুষ্ঠানতে ভালেকেইগৰাকী শিল্পীয়ে ৰাভাদেৱৰ কালজয়ী গীতসমূহ পৰিৱেশন কৰিব ।একেটা অনুষ্ঠানতে বিশিষ্ট স্থানীয় শিল্পীক সম্বৰ্ধনা জনোৱা হ'ব।এই কাৰ্যসূচী সমূহত শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোনোৱাল শইকীয়া আৰু সাংস্কৃতিক সম্পাদক কুশল কোঁৱৰে। মানকটা শতদল শাখাৰ প্ৰচাৰ সম্পাদকদ্বয়-প্ৰশান্ত শইকীয়া আৰু ভাস্কৰ জ্যোতি বড়াই এই বিষয়ে জানিবলৈ দিছে ।

# কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৰঙিয়া, ১৫ জুন ঃ** কামৰূপ জিলাৰ চলিত মাহৰ উন্নয়ন সমিতিৰ বৈঠকখন বুধবাৰে কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তৰ সভাপতিত্বত আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি, অমৃত সৰোবৰ আদি আঁচনি, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিছন আৰু স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ), কৃষি বিভাগৰ পি এম কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি সিঞ্চয়ী যোজনা আদি আঁচনি, সমাজ কল্যাণ বিভাগৰ অধীনত আদৰ্শ অংগণবাড়ী কেন্দ্ৰ নিৰ্মাণ আদিৰ কামৰ লগতে শিক্ষা, লোক নিৰ্মাণ (গৃহ আৰু পথ), ভূমি সংৰক্ষণ, মীন, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, নগৰ উন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভিন্ন বিভাগৰ অধীনত জিলাখনত চলি থকা আঁচনিৰ সমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত বন বিভাগৰ তৰফৰ পৰা অমৃত বৃক্ষ আন্দোলনৰ বাবে কামৰূপ জিলাত নাৰ্চাৰী স্থাপনৰ দিশত লোৱা ব্যৱস্থা, মীন বিভাগৰ তৰফৰ পৰা জিলাখনত একুৱা-টুৰিজিমৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে অৱগত কৰা হয়। লগতে সভাত অসম আদৰ্শ গাঁও যোজনাৰ অধীনত উন্নয়ন খণ্ডসমূহত চলি থকা কামৰো বুজ লোৱা হয়। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

অসম বাৰ্তা গোষ্ঠীৰ হৈ স্বত্বাধিকাৰ তনয় বৰাৰ দ্বাৰা গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ■ বিজ্ঞাপন বিভাগ ঃ e-mail: info@asombarta.in
■ ভ্ৰাম্যভাষঃ +৯১-৭০৯৯৪৩৫৪৬২(ম) ■ বিজ্ঞাপন বিভাগ ঃ +৯১-৮৬৩৮১৬২৫০৪ ■ যোৰহাট কাৰ্যালয় ঃ তৰাজান, যোৰহাট, ৭৮৫০১০, (যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব)